# সংগীত-কোষ

# সংগীত-কোষ

সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা

অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-৭৮৫০০১

সংগীত-কোষ ॥ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা

প্ৰকাশক : অধ্যাপক অমল বাজখোৱা
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১

মুদ্ৰক : অসম প্ৰিন্টিং ৱাৰ্কছ প্ৰাঃ লিঃ
মহাত্মা গান্ধী পথ, যোৰহাট-১

বেটুপাত : দি ছেটাৰ্ছ, [illegible]

প্ৰথম প্ৰকাশ : ১৯০৬ খ্ৰী° ॥ দ্বিতীয় প্ৰকাশ : ডিচেম্বৰ ১৯৮৬ ॥

মূল্য : ৩৫·০০ টকা ॥ অসম সাহিত্য সভা

## প্ৰধান সম্পাদকৰ একাষাৰ

"একং সঙ্গীত বিজ্ঞানং চতুৰ্বৰ্গ ফলপ্ৰদং" বুলি সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱাই সংগীত-কোষৰ বিষয়ে লেখিছে যে, "আমাৰ দেশত গান গাই আৰু আমাৰ মানুহে গান গাব লাগিলে বঙলা বা হিন্দী গানহে গায়"—এই দুৰ্নাম দূৰ কৰিবৰ মনেৰে বহু পুৰুষাৰ্থ কৰি অসমীয়া গানৰ এখন পুথি ছপাই উলিওৱা হয়। অসমীয়া আধুনিক সংগীতৰ ধ্ৰুপদীজনক সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱাদেৱৰ আপা-সুধীয়া যত্নৰ ফলতে অসমীয়া আধুনিক গীতৰ বহুল প্ৰচলন হয়। দানবীৰ ৰাধাকান্ত সন্দিকৈৰ ভাষাৰে "লক্ষ্মীৰাম বৰুৱাদেৱে 'সঙ্গীত-কোষ' কিতাপখন উলিয়াই আমাৰ দেশৰ এটি মহৎ অভাৱ দূৰ কৰিলে।"

১৮৮৩ খ্ৰীষ্টাব্দত সত্যনাথ বৰাদেৱে ৰচনা কৰা "গীতাৱলী" প্ৰথম অসমীয়া গানৰ পুথিৰ পাছত 'সংগীত-কোষে' আধুনিক গীতৰ নতুন যুগৰ সূচনা কৰে। মূল পুথিখন ১৬ পৃষ্ঠাৰ ক্ৰাউনৰ ৪০০ পৃষ্ঠাত মুঠ ৪২২টা বিভিন্ন গীতিকাৰৰ গান সন্নিৱিষ্ট কৰা হৈছিল। পুনৰ্মুদ্ৰণৰ বেলিকা গোটেই পুথিখনৰ পৃষ্ঠা-সংখ্যা সংগ্ৰহ কৰিব পৰা নহ'ল। সংগীতাচাৰ্যৰ সুযোগ্য পুত্ৰ স্বৰ্গীয় প্ৰফুল্লচন্দ্ৰ বৰুৱাদেৱৰ পৰা পোৱা আৰু অসম সাহিত্য সভাৰ কেন্দ্ৰীয় পুথিভঁৰালত থকা দুয়োখন পুথিৰপৰা 'সংগীত-কোষ'ৰ গীতবোৰ যথাযথভাৱে ছপা কৰাৰ ব্যৱস্থা কৰা হৈছে। সেইবাবে সভাই গ্ৰহণ কৰা আখৰ-জোঁটনি নীতি এই পুথিত ৰক্ষা কৰা হোৱা নাই। এই সংকলনত থকা কেইটিমান গীতৰ প্ৰয়োজন বৰ্তমান কালৰ বাবে নাথাকিলেও যুগৰ প্ৰতিনিধিত্ব কৰিব বুলি ভাবিয়েই পুনৰ স্থান দিয়া হ'ল।

সংগীতাচাৰ্যৰ পুত্ৰদ্বয় স্বৰ্গীয় প্ৰফুল্লচন্দ্ৰ বৰুৱা আৰু স্বৰ্গীয় পৰশুৰাম বৰুৱাৰ অৱদান আৰু আগ্ৰহৰ কথা আমি স্মৰণ কৰিছোঁ। শ্ৰদ্ধেয় প্ৰফুল্লচন্দ্ৰ বৰুৱাই জীৱিত কালতেই পুথিখন প্ৰকাশ কৰাৰ কথা চিন্তা কৰিছিল। বৰুৱা পৰিয়ালৰ হৈ শ্ৰীমতী ক্ষীৰদাকুমাৰী বৰুৱা আৰু শ্ৰীজয়ন্তকুমাৰ বৰুৱাই গ্ৰন্থখন প্ৰকাশৰ বাবে সকলো প্ৰকাৰৰ সহায় আগবঢ়ালে। তেখেতসকলৰ বদান্যতাৰ বাবে সভাৰ পক্ষৰপৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

দ্বিতীয় তাঙৰণত ডক্টৰ নগেন শইকীয়াই এটি বহল ভূমিকা লেখি দিয়াৰ বাবে তেখেতকো ধন্যবাদ জনালোঁ। সভাৰ সভাপতি শ্ৰীযুত বীৰেন বৰকটকী আৰু প্ৰাক্তন প্ৰধান সম্পাদক অধ্যাপক প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্যয়ো পুথিখন পুনৰ প্ৰকাশত আমাক যথেষ্ট পৰামৰ্শ আগবঢ়াইছিল; দুয়ো গৰাকীলৈকে আমাৰ শলাগ জ্ঞাপন কৰিলোঁ। বেটুপাত অংকন কৰোঁতা যোৰহাটৰ 'দি ষ্টেটাৰ্ছ' আৰু পুথিখনি অফছেট মুদ্ৰণ পদ্ধতিৰে ছপাওঁতা অসম প্ৰিন্টিং ওৱৰ্কছৰ কৰ্ম-কৰ্তাসকললৈ শলাগ জ্ঞাপন কৰিলোঁ। ইতি,

ভৱদীয়,

**অমল বাজখোৱা**
প্ৰধান সম্পাদক
অসম সাহিত্য সভা

৩১ ডিচেম্বৰ ১৯৮৬
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-৭৮৫০০১

## ভূমিকা

'সংগীতাচাৰ্য' বুলিলেই এতিয়াৰ অসমে—লক্ষ্মীৰাম বৰুৱাক (১৮৬৫-১৯১৪) স্মৰণ কৰে আৰু লক্ষ্মীৰাম বৰুৱা বুলিলেই তেওঁৰ শাস্ত্ৰীয় সংগীত-প্ৰতিভাৰ কথা স্মৰণ কৰে। কিন্তু এই প্ৰতিভা কেৱল ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ অধ্যয়ন আৰু চৰ্চাতে সীমাবদ্ধ নাছিল; এই প্ৰতিভাৰ লগত যুক্ত হৈ পৰিছিল এটি জাতীয়তাবোধ। এই জাতীয়তাবোধ আছিল উনবিংশ শতিকাৰ অসমত গঢ় লৈ উঠা সাংস্কৃতিক জাতীয়তাবোধৰ দ্বাৰা স্বাভাৱিকভাৱে লালিত-পালিত। উনবিংশ শতিকাত অসহনীয় যন্ত্ৰণাৰ মাজত আধুনিক অসমে জন্ম লাভ কৰিলে। জীৱনৰ আৰু সুকুমাৰ কলাৰ মাজেদি এই নব্য আধুনিকতাই আত্মপ্ৰকাশ ভিক্ষা কৰিলে। কিন্তু সেইসময়ত এই আধুনিকতাক সকলো দিশত আত্মপ্ৰতিষ্ঠা আৰু আত্মপ্ৰকাশৰ সুযোগ উলিয়াই দিওঁতাৰ অভাৱ ঘটিছিল। সংগীতৰ ক্ষেত্ৰত ই আছিল অধিক সত্য। ১৯০৯ চনত "আসাম বন্তি"ত সম্পাদক পদ্মনাথ (গোহাঞি) বৰুৱাই সংগীতাচাৰ্যৰ 'সংগীত-কোষ'ৰ পৰিচয় দি কৈছিল, "নাই নাই বুলিও আন সকলো বিষয়তে অসমীয়াৰ চিনাকি পাবলৈ আছিল; নাছিল কেৱল অসমীয়া সংগীতৰ নাম লবলৈ।......এনে বিষম সমস্যাত ঈশ্বৰৰ ইচ্ছায় এজন অসমীয়া সংগীত শাস্ত্ৰজ্ঞ লোক ওলাল, তেওঁৰ যত্নত অসমীয়া সংগীতে-নতুন জীৱন লাভ কৰিলে।" এই বাক্যকেইটিয়ে সেই সময়ৰ (বিংশ শতিকাৰ প্ৰথম দশক পৰ্যন্ত) অসমীয়া সংগীত-জগতৰ দৈন্য আৰু বৰুৱা ডাঙৰীয়াৰ সাধনাৰ একক এই দুয়োটাৰ ইংগিত বহন কৰিছে। "আসাম বান্ধৱ" কাকতৰ সম্পাদকে বৰুৱাক "অসমীয়া সংগীত জগতৰ প্ৰধান নেতা" বুলি দিয়া অভিধাই বৰুৱা ডাঙৰীয়াৰ প্ৰতিভা, সাধনা আৰু চৰ্চাৰ অবিসম্বাদী স্বীকৃতিকে আঙুলিয়াই

দিয়ে। কেৱল এয়ে নহয়, বৰুৱা ডাঙৰীয়াৰ "সংগীত-কোষৰ" প্ৰকাশে (১৯০৮) সমকালীন আধুনিক সচেতন অসমীয়াসকলৰ মনত এনে আকাংক্ষাও জগাই তুলিছিল যে—সংগীতাচাৰ্যই যেন "লেচাৰি, দুলৰি আৰু বৰগীত প্ৰভৃতি "হাৰমোনিয়ম" আদি যন্ত্ৰত বজাব পৰাকৈ সুচল কৰি দিয়ে" (স্বৰ্গীয় ফণিধৰ চলিহাৰ ২৫।১।১০ তাৰিখৰ চিঠি)। অৰ্থাৎ অসমীয়া মানুহে "পুৰণি পৃথিৱীক ন-কৈ চাই" লোৱাৰ তীব্ৰ হেঁপাহ এটি অনুভৱ কৰিবলৈ লৈছিল—আৰু আনকি সংগীতকো এই দৃষ্টিৰে চাবলৈ আৰু পাবলৈ বিচাৰিছিল। তদুপৰি, সংগীত-চৰ্চাক মৰ্যাদা প্ৰদান কৰাৰ আকাংক্ষাও সচেতন সকলৰ মনৰ মাজত উদিত হৈছিল। আমাৰ সত্ৰয়-সভায় গাঁৱে-ভুঞে পৰম্পৰাগতভাৱে চলি অহা ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত নৃত্য-গীত-অভিনয়ৰ চৰ্চাৰ বাহিৰে আধুনিক গীত-মাত চৰ্চা কৰাটো সেই সময়ত সামাজিকভাৱে গ্ৰহণীয় নাছিল। তাৰ কাৰণ সম্ভৱতঃ ধৰ্ম-ৰহিত আধুনিক নাচ-গানৰ লগত গণিকা-বৃত্তিৰ অধিক সম্পৰ্ক থকা বুলি প্ৰচাৰিত ভ্ৰান্তিমূলক ধাৰণা। বংগদেশতো এসময়ত এনে আধুনিক নাচ-গান কৰাটো ঘৃণনীয় কাম বুলি থকা ধাৰণাৰ কথা সংগীতাচাৰ্যই তেওঁৰ অৰ্ধসমাপ্ত আৰু অধুনা-লুপ্ত 'সংগীত ৰত্নাৱলী'ত উল্লেখ কৰি গৈছে। শাস্ত্ৰীয় সংগীত যে নিজেই আধ্যাত্মিক চেতনাৰে জাগৰুক, সেইকথা সৰ্বসাধাৰণে অনুভৱ কৰা নাছিল। এনে পটভূমিত সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱাই কেৱল যে সংগীত-সাধনাৰ যোগেদি আধুনিক অসমীয়া সংগীতৰ ভেটিটিকে বান্ধিলে এনে নহয়, আধুনিক সংগীতক সামাজিক মৰ্যাদাও দান কৰিলে। তদুপৰি, আধুনিক সংগীতৰ নামত বঙলা গীত-মাতৰ অনুপ্ৰৱেশ প্ৰতিৰোধ কৰি যথাৰ্থ আধুনিক অসমীয়া সংগীতৰ ক্ষেত্ৰ কৰি তুলিলে বিপদমুক্ত আৰু প্ৰশস্ত। ডক্টৰ মহেশ্বৰ নেওগে সঠিকভাৱেই কৈছে —"তেওঁ এটি অনুষ্ঠান, তেওঁ এটি আন্দোলন। যোৱা শতিকাত যি কেইগৰাকী গুণী পুৰুষে অসমীয়াক সকলো জাতীয় বৈশিষ্ট্যৰে গঢ় দি তুলিবৰ কাৰণে প্ৰয়াস পাইছিল, সেই সকলৰ ভিতৰত লক্ষ্মীৰাম

বৰুৱাও এজন।" বৰুৱাৰ কৃতি আৰু কৃতিত্ব নকুলচন্দ্ৰ ভূঞাদেৱৰ এটি বাক্যই বৰ অৰ্থপূৰ্ণভাৱে দাঙি ধৰিছে। তেখেতে ১৯৫৮ চনত যোৰহাটৰ সংগীত সন্মিলনে আয়োজন কৰা লক্ষ্মীৰাম বৰুৱা মৃত্যু-বাৰ্ষিকী সভাত কৈছিল, "হেমচন্দ্ৰ বৰুৱা যেনেকৈ অসমীয়া সাহিত্যৰ ভৰি-ধৰোঁতা তেনেকৈ লক্ষ্মীৰাম বৰুৱাও অসমীয়া সংগীতৰ ভৰি-ধৰোঁতা।" এই অলিখিত জাতীয় দায়িত্ব পালন কৰিবলৈ বৰুৱা ডাঙৰীয়াই নিজকে কেনেকৈ গঢ় দি তুলিলে সেই ইতিবৃত্তও স্মৰণীয়।

সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা আছিল প্ৰসিদ্ধ বেজদলৈ ভঁৰালী বৰুৱা বংশৰ অধস্তন দশম পুৰুষৰ কনিষ্ঠজন। এই বেজদলৈৰ ঠালৰ প্ৰথমজন কনৌজৰ সুপ্ৰসিদ্ধ চিকিৎসক অমৰসিংহৰ সুযোগ্য পুত্ৰ নৰহৰি সিংহবৰায় কোঁচ ৰজা পৰীক্ষিত নাৰায়ণৰ আমন্ত্ৰণত ১৬১২ খ্ৰীষ্টাব্দত চিকিৎসক স্বৰূপে আহি কামৰূপত থিতাপি লয়হি। পৰীক্ষিতৰ মৃত্যুৰ পাছত তেওঁ গড়গাঁৱলৈ গৈ স্বৰ্গদেউ প্ৰতাপসিংহৰ আইকুঁৱৰীক চিকিৎসা কৰি আৰোগ্য কৰাৰ বাবে 'বেজদলৈ'ৰ খাব পায় আৰু দিগাজীকৈ গড়গাঁৱত থাকিবলৈ লয়। পিছত তেওঁ নিজৰ প্ৰতিভাৰ বলত আহোম ৰজাৰ ৰাজকীয় অস্ত্ৰাগাৰৰ অধ্যক্ষ স্বৰূপে দায়িত্ব লয় আৰু 'ভঁৰালী বৰুৱা' উপাধি লাভ কৰে। এই বেজদলৈ ভঁৰালী বৰুৱাৰে অধস্তন নৱম পুৰুষ বেথাৰাম ভঁৰালী বৰুৱাৰ কনিষ্ঠ সন্তান লক্ষ্মীৰামে উত্তৰ গুৱাহাটীৰ শিলগাঁকোছত ১৮৬৫ চনত জন্মগ্ৰহণ কৰে। শৈশৱতে পিতৃ বেথাৰাম আৰু মাতৃ সেউতীক হেৰুওৱা লক্ষ্মীৰামৰ অভিভাৱক স্বৰূপে জ্যেষ্ঠ ভাতৃ ললিতৰামে তেওঁৰ পঢ়া-শুনাৰ তত্ত্বাৱধান লয়। প্ৰাইমেৰী স্কুলৰ পৰা বৃত্তি লাভ কৰি গুৱাহাটীৰ পানবজাৰ হাইস্কুলত ভৰ্তি হোৱা লক্ষ্মীৰাম অজানিতে আৰু আকস্মিকভাৱে আকৃষ্ট হয় সংগীতৰ প্ৰতি। অনুশাসন আৰু সমালোচনায়ো তেওঁৰ সংগীতৰ প্ৰতি ক্ৰমাৎ বাঢ়ি অহা আকৰ্ষণ খাঁতিবাৰ নোৱাৰিলে; বৰং এই আকৰ্ষণে কিশোৰ লক্ষ্মীৰামক আনুষ্ঠানিক শিক্ষাৰ পৰাহে আঁতৰাই আনিলে। হাইস্কুলৰ তৃতীয় শ্ৰেণী (আজিকালিৰ অষ্টম শ্ৰেণী) লৈকে পঢ়ি

তেওঁ স্কুল এৰি দি এহাশুৰীয়াভাৱে লাগিল সংগীত-চৰ্চাত। তেতিয়া তেওঁ নগাঁৱত। এদিন গুৱাহাটীৰ বঙালী যাত্ৰা দলৰ ছোঁৱৰত সোমাই ওস্তাদৰ কণ্ঠ শুনি আকৃষ্ট হোৱা লক্ষ্মীৰামে নগাঁৱত স্কুল এৰি দি কোনো কোনো গায়কৰ অধীনত আৰম্ভ কৰিলে কণ্ঠ সংগীত আৰু বাদ্যযন্ত্ৰৰ চৰ্চা। সীমাবদ্ধতাৰ মাজতো তেওঁ পৰিচিত হয় গুণাভিৰাম বৰুৱাৰ দৰে সেই কালৰ নেতৃস্থানীয় ব্যক্তিৰ। গুণাভিৰাম বৰুৱা প্ৰমুখ্যে কেইগৰাকীমান নগাঞাৰ পৰা পোৱা প্ৰেৰণাই তেওঁক অনুপ্ৰাণিত কৰিলে সঁচা; কিন্তু চৰ্চাৰ বাবে নিজা-ধৰীয়াকৈ ভাল বাদ্যযন্ত্ৰাদি সংগ্ৰহ কৰা তেওঁৰ বাবে স্বাভাৱিকতে কঠিন আছিল। সেইবাবে চৈধ্যবছৰীয়া কিশোৰ লক্ষ্মীৰামে ভিতৰত উগ্ৰ হেঁপাহ লৈ মণ্ডলদৈত জাহাজ কোম্পানীৰ সৰু চাকৰিত সোমাল। কিন্তু যেতিয়া দেখিলে এই চাকৰিয়ে তেওঁক অৱসৰো নিদিয়ে আৰু উপযুক্ত পাৰিতোষিকো নিদিয়ে, তেওঁ চাকৰি ইস্তফা দি জেপত এটা আধলি লৈ পদব্ৰজে যাত্ৰা কৰিলে অসমৰ সেই সময়ৰ কুৰিবছৰীয়া ৰাজধানী শ্বিলঙলৈ। এই শ্বিলং যাত্ৰাই লক্ষ্মীৰামৰ জীৱনৰ গঁতি সম্পূৰ্ণকৈ সলনি কৰি দিলে।

শ্বিলঙৰ চৰকাৰী কাৰ্যালয়ত কাৰ্যালয়-সহকাৰীৰ চাকৰি লৈ থিতাপি লোৱা তৰুণ লক্ষ্মীৰাম পৰিচিত হ'ল তাৰ অসমীয়া-বাঙালী কৰ্মচাৰী-সকলৰ মাজত থকা প্ৰিয়লাল বসু, গুৰুচৰণ ধৰ, পিয়াৰীমোহন বাবুৰ দৰে প্ৰকৃত সংগীত ভক্তৰ। লক্ষ্মীৰামে তাত নিজৰ ঠাই উলিয়াই ল'লে। ৰাধাকান্ত সন্দিকৈ, যোগেশ্বৰ কটক, গুণগোবিন্দ বৰুৱা আদি তেওঁতকৈ জ্যেষ্ঠসকলৰ সাহচৰ্যই লক্ষ্মীৰামক যোগালে অনুপ্ৰেৰণা। শ্বিলঙৰ এই সৰু গোটটোৱে শ্বিলঙত প্ৰতিষ্ঠা কৰিলে প্ৰথম নাট্যানুষ্ঠান আৰু 'থিয়েটাৰ হল'; এই গোটৰ সংগীত পৰিচালক পিয়াৰীমোহন বাবুৰ সহকাৰী হয় লক্ষ্মীৰাম। এতিয়াহে যেন লক্ষ্মী-ৰামে নিজৰ বাঞ্ছিত কৰ্মক্ষেত্ৰ বিচাৰি পালে। সংগীতৰ অপাৰ সমুদ্ৰৰ বাঁতিত থিয় দি লক্ষ্মীৰামৰ তৃষ্ণা বাঢ়ি গ'ল। এই তৃষ্ণা দূৰ

কৰিবলৈ তেওঁক যেন অধিক সাধনা আৰু চৰ্চাৰ সুযোগ লাগে। কিন্তু, শিলঙৰ সাতবছৰীয়া কাৰ্যকালৰ অন্তত তেওঁ বদলি হ'ল—কহিমালৈ। সৌভাগ্যবশতঃ তাত কিছুদিন থকাৰ পাছতে তেওঁক বদলি কৰে ধুবুৰীলৈ, ধুবুৰী যাত্ৰাই লক্ষ্মীৰামৰ সংগীত জীৱনৰ দ্বিতীয় পৰ্বৰ সূচনা কৰিলে। তেওঁৰ জীৱনীকাৰ কাঞ্চন বৰুৱাই লিখিছে, "তেওঁৰ জীৱনৰ আটাইতকৈ মধুৰ কালছোৱা অতিবাহিত হয় এই ধুবুৰী চহৰতে। কৰ্মজীৱনৰো আটাইতকৈ দীঘলীয়া কালছোৱা কটাই দিয়ে এই ধুবুৰীতেই।"

২৪ বছৰ বয়সত ১৮৯০ খ্ৰীষ্টাব্দত ধুবুৰীত ভৰি দি লক্ষ্মীৰামে উচ্চাংগ সংগীতৰ সাধনাৰ খনি বিচাৰি পায়। গৌৰীপুৰৰ সংগীতজ্ঞ জমিদাৰ প্ৰভাতচন্দ্ৰ বৰুৱা আৰু লক্ষীপুৰ, ৰূপসী আদিৰ সংগীত-প্ৰেমী জমিদাৰসকলৰ লগত লক্ষ্মীৰাম বৰুৱাৰ বন্ধুত্ব স্থাপিত হয়। ৰজা প্ৰভাতচন্দ্ৰ বৰুৱাই মুকুতামণিৰ অলংকাৰ উপহাৰ দি লক্ষ্মীৰাম বৰুৱাৰ লগত সখি পাতে আৰু পৰিচৰ পৰা অনাই দিয়ে এখন বেহেলা। লক্ষ্মীৰামে লাভ কৰে সংগীতৰ সাধনা অনুকূল ক্ষেত্ৰৰ লগতে সংগীতৰ বিষয়ে অধ্যয়ন কৰাৰ আৰু শুনাৰ সুযোগ। নাট্য-কলা আৰু সংগীতৰ চৰ্চাৰ বাবে স্থাপিত হ'ল 'বিজনী হল'। লক্ষ্মীৰামৰ লগত পৰিচয় স্থাপন হ'ল বংগদেশ, বাৰাণসী, লক্ষ্ণৌ, এলাহাবাদ আদিৰ পৰা জমিদাৰসকলৰ নিমন্ত্ৰণ ক্ৰমে অহা প্ৰসিদ্ধ ওস্তাদসকলৰ লগত। তেওঁৰ—জীৱনীকাৰৰ ভাষাত—"ভাব, ভাষা, সুৰৰ লগত হয় আদান-প্ৰদান। সংগীত শাস্ত্ৰৰ লগত ভাৰতীয় সংগীতৰ, তাৰ উত্থান-পতনৰ লগতে ধৰ্ম-সংগীত, শাস্ত্ৰীয় সংগীত, যন্ত্ৰ-সংগীত, ৰাগ-ৰাগিণীৰ চৰ্চা আৰু আলোচনা-সমালোচনাৰ জৰিয়তে লক্ষ্মীৰামে সেই গুণী-জ্ঞানীসকলৰ সাহাৰ্য্যত সংগীতৰ ঐশ্বৰ্য্যশালী অনন্ত ভাণ্ডাৰৰ পৰা এটি-দুটিকৈ বহুমূলীয়া হীৰা-জহৰত বুটলি আনি পূৰ্ণ কৰি তোলে নিজৰ জ্ঞান ভাণ্ডাৰ।" ধুবুৰীত থাকোঁতেই সংগীতৰ কৰলাকান্ত ভুঞাৰ ভতিজা-জী আক্ষীৰ লগত তেওঁৰ শুভ-পৰিণয়

সম্পন্ন হয়। নৱ-বিবাহিতা পত্নীয়ে স্বামীৰ সাধনাৰ ক্ষেত্ৰখন চিনি লয় আৰু তেওঁৰ সমগ্ৰ দায়িত্বও কান্ধ পাতি লয়। লক্ষ্মীৰাম বৰুৱাই ধুবুৰীতে সাধনাৰ পৰিপক্কতাও লাভ কৰে আৰু মাতৃ-ভাষাত ৰচিত গীতক আশ্ৰয় কৰি তেওঁৰ সাধনা জনসাধাৰণৰ ওচৰ চপাই নিয়াৰ আকাংক্ষা এটিও অনুভৱ কৰে। তেওঁৰ এই আকাংক্ষাৰে বাস্তৱায়ন ঘটে তেওঁৰ 'সংগীত-কোষ' আৰু 'সংগীত-সাধনা'ৰ মাজত। যেতিয়া লক্ষ্মীৰাম বৰুৱাই মাতৃভাষাত ৰচিত গীতৰ সংকলন কৰাৰ কথা আৰু মাতৃভাষাত সংগীত-বিজ্ঞানৰ পুথি প্ৰণয়নৰ কথা ভাবিছিল, সেই সময়ত সৰহসংখ্যক অসমীয়া শিক্ষিতলোকে হিন্দী বা বাংলাৰ সমপৰ্যায়ৰ গীত 'অসমীয়া' ভাষাত ৰচনা কৰা সম্ভৱপৰ হ'ব বুলি ভাবিব নোৱাৰিছিল। লক্ষ্মীৰাম বৰুৱাই এক গভীৰ আত্মপ্ৰত্যয় লৈ আৰম্ভ কৰে গীত ৰচনা কৰিবলৈ আৰু লগে লগে তাৰ স্বৰলিপি প্ৰণয়ন কৰিবলৈ।

এটাৰ পিছত এটাকৈ গীত ৰচনা কৰি সিবোৰৰ ভাব-ভাষাৰ লগত সামঞ্জস্য ৰাখি ৰাগ-ৰাগিণী নিৰ্ণয় কৰা আৰু স্বৰলিপি ৰচনা কৰা কাৰ্যই দাবী কৰিছিল সময় আৰু শ্ৰম। ফলত তেওঁৰ পৰিকল্পিত 'সংগীত-কোষ'ৰ বাস্তৱায়ন শীঘ্ৰে হৈ উঠা নাছিল। তেওঁ সেইবাবে সেই সময়ৰ অসমৰ কবি-সাহিত্যিকসকললৈ মাতৃভাষাত গীত ৰচনা কৰি তেওঁলৈ পঠাবলৈ চিঠিৰে অনুৰোধ জনায়। নতুন বিষয়, নতুন ঠাঁচৰ গীত তেওঁলৈ বিভিন্ন জনৰপৰা আহিবলৈ ধৰিলে। তেওঁ গীতসমূহত সুৰ সংযোজন কৰাৰ আৰু স্বৰলিপি ৰচনাৰ কামত আত্মনিয়োগ কৰে। এই সময়তে ধুবুৰীত গঠিত হোৱা 'আসাম এছোচিয়েছন'ৰ শাখাত যোগ দি, এই এছোচিয়েছনৰ অধিৱেশনত সমবেত হোৱা সকলৰ হৃদ্যতা লাভ কৰি তেওঁ অধিক প্ৰেৰণা লাভ কৰে।

ধুবুৰীতে লক্ষ্মীৰাম বৰুৱাৰ সাধনা আৰু চৰ্চাই পৰিপক্কতা লাভ কৰে; ধুবুৰীতে তেওঁ বৈবাহিক জীৱনত বান্ধ খায় আৰু তিনিটি কন্যাসন্তান আৰু দুটি পুত্ৰ সন্তান লাভ কৰে। আৰু ধুবুৰীতে বৈবাহিক জীৱনৰ মাত্ৰ বাৰটা বছৰ কটোৱাৰ পাছত ১৯০৪ চনত তেওঁ সহধৰ্মিনী আহ্-

বীক অকালতে হেৰুৱায়। এই আঘাত সহ্য কৰিব নোৱাৰি ম'ৰা ছোৱালীকেইটি বুকুত বান্ধি তেওঁ দুবছৰৰ ছুটী লৈ উত্তৰ গুৱাহাটি পায়হি। একপ্ৰকাৰ ক'বলৈ গ'লে উত্তৰ গুৱাহাটীত এইখাৰ আৰম্ভ হয় তেওঁৰ সংগীত জীৱনৰ তৃতীয় পৰ্ব। উত্তৰ গুৱাহাটীৰ ডেকাসকলৰ যত্নত প্ৰতিষ্ঠিত হয় নাট্যানুষ্ঠান: থিয়েটাৰ হল আৰু ইয়াকে কেন্দ্ৰ কৰি পুনৰ লাহে লাহে যেন নিজকে বুজাই পায়। উত্তৰ গুৱাহাটীৰ পৰা তেওঁ গুৱাহাটীলৈ আহি সত্যনাথ বৰা, কৰ্মবীৰ বৰদলৈ, ৰাধানাথ ফুকন, লক্ষেশ্বৰ শৰ্মা, হেমচন্দ্ৰ গোস্বামী আদি সেই সময়ৰ আগশাৰীৰ অসমীয়া বুদ্ধিজীৱীসকলক লগ পায়। লক্ষ্মীৰাম বৰুৱাই বিভিন্নজনৰ সান্নিধ্য আৰু সৌহাৰ্দ্য লাভ কৰি যেন জীপ পাই উঠে আৰু 'সংগীত-কোষ' সংকলনৰ কাম হাতত তুলি লয়। কৰ্মবীৰ বৰদলৈ, দাৰ্শনিক পণ্ডিত ৰাধানাথ ফুকন আৰু চিন্তাশীল লেখক সত্যনাথ বৰাদেৱৰ পৰা প্ৰেৰণা পাই তেওঁ সংগীত-কোষৰ ৪২২টা গীতৰ প্ৰায় আধাতকৈ বেছি সংখ্যক গীতত তাল-মান-সুৰ সংযোগ কৰি সম্পূৰ্ণ কৰি তোলে। তদুপৰি, বৰুৱাদেৱে অনুভৱ কৰে—"দেশৰ সৰ্বসাধাৰণৰ মাজত সংগীতানুৰাগ বঢ়াবলৈ হ'লে মাতৃভাষাত শিক্ষাৰ উপযোগী কিতাপ ৰচনা হ'ব লাগে।" আৰু সেইবাবে সংগীতৰ সুৰজ্ঞান আৰু মাত্ৰাজ্ঞান দিব পৰাকৈ, সংগীতৰ ব্যাকৰণৰ সকলো দিশ সহজ-সৰলভাৱে আলোচনা কৰি এখন পুথি ৰচনাৰ তেওঁ পৰিকল্পনা কৰে। সংগীতাচাৰ্যৰ "সংগীত-সাধনা" পুথিৰ এনেভাৱেই গুৱাহাটীত থকা কালতে পৰিকল্পনা প্ৰস্তুত হৈ উঠে। কিন্তু দুয়োখন গ্ৰন্থ সম্পূৰ্ণ হ'বলৈ নৌপাওঁতেই তেওঁৰ ছুটীৰ ম্যাদ শেষ হয় আৰু ম্যাদৰ অন্তত তেওঁক তেজপুৰলৈ বদলি কৰে। ১৯০৭ চনত তেওঁ গৈ তেজপুৰত ম'ৰা-ছোৱালীকেইটিৰ সৈতে জীৱনৰ শেষ-পৰ্বৰ পাতনি মেলে।

তেজপুৰ আছিল লক্ষ্মীৰাম বৰুৱাৰ বাবে জীৱনৰ অস্থিৰ মঞ্চ। তেওঁ তেজপুৰত হৈ পৰিল প্ৰতিদিনে উদ্ভ্ৰান্ত ব্যস্ত। আত্মহাস্থিত জেখা-

সকলক সংগীতৰ প্ৰশিক্ষণ দান, চেমনীয়াসকলৰ উপযোগী গীত-ৰচনা আৰু সুৰ-সংযোজনা, অ. ভা. উ. সা. সভাৰ পদ্মনাথ গোহাঞিঃ বৰুৱা প্ৰমুখ্যে ৰথী-মহাৰথীসকলৰ লগত অসমৰ সংস্কৃতিৰ বিকাশৰ হকে চিন্তা-চৰ্চা, তেজপুৰত পিছত সু-প্ৰসিদ্ধ হৈ উঠা বান ষ্টেজ' প্ৰতিষ্ঠা আৰু বান ষ্টেজৰ 'মিউজিক মাষ্টাৰ'ৰ দায়িত্ব গ্ৰহণ আদি কামৰ উপৰিও তেওঁ সেই সময়ৰ সংযুক্ত পূৰ্ববংগ আৰু অসমৰ পাঠশালিৰ শিশু-শ্ৰেণী আৰু প্ৰাথমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ পাঠ্য-পুথিৰ অন্তৰ্ভুক্ত বিষয়ৰ ভিত্তিত বছৰৰ বাৰমাহৰ বাবে বাৰটা গীত ৰচনা, সুৰ-সংযোজনা আৰু স্বৰলিপি কৰি দিয়াৰ চৰকাৰী দায়িত্বও বহন কৰিবলগীয়া হৈছিল। শিক্ষা বিভাগে এই গীতসমূহ 'শিক্ষাৰ সহচৰ' নামৰ পুথিত সন্নিবিষ্ট কৰি প্ৰকাশ কৰে। সেই সময়ৰ পূৰ্ববংগ আৰু অসমৰ স্কুলসমূহৰ পৰিদৰ্শিকাই বৰুৱা ডাঙৰীয়াক সংযুক্ত দুয়োখন প্ৰদেশৰ স্কুলসমূহত সংগীত শিক্ষাৰ বিশেষ বিষয়া হিচাপে নিযুক্তি দি ঢাকালৈ পঠাবলৈ লৈছিল। কিন্তু, সেই সময়ত পুনৰ অসমে সুকীয়া প্ৰদেশৰ মৰ্যাদা পোৱাৰ বাবে সেই প্ৰস্তাৱ কাৰ্যকৰী নহ'ল।

বৰুৱা ডাঙৰীয়াৰ প্ৰতিভাৰ সৌৰভ বিয়পি পৰে আৰু সদৌ ভাৰতৰ সংগীতজ্ঞসকলৰ অনুষ্ঠান—'অল ইণ্ডিয়া একাডেমি অব মিউজিক'–এ তেওঁক সম্মানিত এছোচিয়েটেড মেম্বাৰশ্বিপ (সহযোগী সদস্যপদ) দান কৰাৰ উপৰিও এ, এ, আই, এ, এম উপাধি প্ৰদান কৰে। সঁচাকৈয়ে লক্ষ্মীৰাম বৰুৱা সংগীতৰ আচাৰ্য স্বৰূপেই যেন অভিষিক্ত হ'ল।

তেজপুৰত থকা কালতে তেওঁ ভাৰতীয় সংগীতৰ লগতে পাশ্চাত্য সংগীতৰো অধ্যয়ন কৰি বিলাতৰ—'ট্ৰিনিটি কলেজ অব মিউজিক'ৰ ডক্টৰেট ডিগ্ৰীৰ বাবে গৱেষণা-কৰ্মত আত্মনিয়োগ কৰে। পাশ্চাত্য সংগীতৰ লগত আন্তৰিক সম্পৰ্ক স্থাপিত হ'লেও ভাৰতীয় সংগীত-কলা আছিল তেওঁৰ আত্মাৰ লগত সম্পৰ্কিত। এই সময়তে তেওঁ

ভাৰতীয় সংগীতৰ আৰু পশ্চিমীয়া সংগীতৰ বিষয়েও দুই-এটা প্ৰবন্ধ আদি লিখিছিলে নয়। গোঁহাঞি বৰুৱাৰ 'উষা'ত প্ৰকাশিত তেওঁৰ সুদীৰ্ঘ প্ৰবন্ধ 'সংগীত'ৰ নাম উল্লেখযোগ্য। এই প্ৰবন্ধ ৫টা খণ্ডত প্ৰকাশিত হৈছিল। ইয়াৰ উপৰি ২টা খণ্ডত লিখিত প্ৰবন্ধ 'অলংকাৰ' আৰু অন্যান্য প্ৰবন্ধসমূহৰ ভিতৰত পোৱা 'নানাবিধ সাংগীতিক ব্যাখ্যা', 'ৰাগ-ৰাগিণী গোৱাৰ সময় আৰু ঠাই', 'বাদ্য যন্ত্ৰাদিৰ কথা', 'আলাপ আৰু গানৰ ৰীতি', 'মাৰ্গ আৰু দেশী সংগীত', 'গায়ক আৰু বাদক'—এই প্ৰবন্ধাৱলীৰ নামো উল্লেখযোগ্য।

বৰুৱাদেৱে ৰচনা কৰা 'সংগীত শিক্ষা সোপান', 'হাৰ্মনিয়ম শিক্ষা' 'বেহেলা-শিক্ষা', 'তবলা-শিক্ষা' আৰু 'চেতাৰ শিক্ষা' নাম দি লিখা পুথিকেইখনি এই বিষয়ৰ অসমীয়া ভাষাৰ প্ৰথম পুথি আছিল। কিন্তু এই পুথিসমূহ পোহৰৰ মুখ নেদেখাকৈয়ে লুপ্ত হ'ল। সংগীত আৰু সাহিত্যৰ মাহেকীয়া কাকত 'বীণা'ৰ পৰিকল্পনাও পৰি-কল্পনা হৈয়ে থাকিল। আনকি, 'সংগীত-ৰত্নাৱলী' নামৰ প্ৰন্থখনিও ছপা নোহোৱাকৈয়ে লুপ্ত হ'ল। এই লুপ্তি আমাৰ বাবে অপূৰণীয় ক্ষতি।

বৰুৱাদেৱৰ সাধনাৰ দুটি ফল তেখেতে থৈ গ'ল। সেই দুটি হ'ল— ৪২২টা গীতৰ সংকলন "সংগীত-কোষ" আৰু সংগীত-চৰ্চাৰ পুথি "সংগীত-সাধনা"। প্ৰথমখনি প্ৰকাশিত হয় ১৯০৯ চনত আৰু দ্বিতীয়খনি প্ৰকাশিত হয় ১৯১০ চনত। অসমৰ সাংস্কৃতিক ইতিহাসত এই দুটা বছৰ সেইকাৰণে পৰা বিশেষভাৱে উল্লেখযোগ্য। সংগীত-কোষৰ গীতসমূহ জাতীয় দেশপ্ৰেমমূলক সংগীত, ধৰ্ম-সংগীত, শোক-সংগীত, প্ৰণয়-সংগীত, ৰহস্য-সংগীত, বিবিধ সংগীত আৰু পুৰণি সংগীত—এইকেইটা ভাগত সজাইছে। পুৰণি সংগীত ভাগত সন্নিবিষ্ট আইনাম, বিয়ানাম, ভটিমা, গুণমালা আদিৰ বাহিৰে বাকী গীতসমূহৰ প্ৰত্যেকৰে ৰাগ-ৰাগিণী, তাল, মান আৰু গোৱাৰ সময় নিৰ্দেশ কৰি দৈছে। ফলশেষে সংগীত-কোষ আধুনিক

অসমীয়া সংগীতৰ প্ৰথমটি মাইলখুটি। এই গ্ৰন্থই আমাৰ আধুনিক গীত আৰু গীতিকাৰ দুয়োকে প্ৰতিষ্ঠা দান কৰিলে। অসমীয়া ভাৰতত হিন্দী বা বঙলা ভাষাৰ সম-মৰ্যাদাৰ আধুনিক গীত ৰচনা নহ'ব বুলি ভৱাসকলৰ আশংকাও সংগীত-কোষে দূৰ কৰিলে। সংগীতাচাৰ্যৰ দ্বিতীয় গ্ৰন্থ "সংগীত-সাধনা"—সংগীতৰ বিজ্ঞানসম্মত চৰ্চাৰ পুথি। এই গ্ৰন্থখনিও সাতোটা অধ্যায়ত তেওঁ ভাগ কৰিছে। মূল সূত্ৰৰ বিবিধ ব্যাখ্যা, ৰাগ-ৰাগিণীৰ ব্যাখ্যা, তাল-সম্পৰ্কে আলোচনা, সংগীতৰ অলংকাৰ আদিৰ ব্যাখ্যা, স্বৰলিপি, গত, গতৰ স্বৰলিপি আৰু গানৰ স্বৰলিপি আৰু শেহত কিছু বিশেষ গীতৰ চয়নেৰে সংগীত-সাধনা সম্পূৰ্ণ কৰি তুলিছে। সংগীতাচাৰ্যই ৰচনা কৰা প্ৰবন্ধসমূহে আৰু এই গ্ৰন্থ দুখনে প্ৰাচ্য আৰু পাশ্চাত্য সংগীতত তেওঁৰ অধিকাৰৰ ব্যাপ্তি আৰু গভীৰতা দেখুওৱাৰ উপৰিও বৰ্ণনীয় বিষয় শিকাৰুৰ বাবে বা সাধাৰণ আগ্ৰহান্বিত পাঠকৰ বাবে প্ৰাঞ্জলভাৱে দাঙি ধৰিছে। সংগীত-সাধনাৰ পাতনিত বৰুৱাদেৱে কোৱা কথা কেইষাৰে ছাৰ আইজাক নিউটনৰ সেই বিখ্যাত উক্তিটোলৈ মনত পেলাই দিয়ে: জ্ঞান-সাগৰৰ পাৰৰ মই কেৱল কেইটামান শিলগুটিহে বুটলিব পাৰিলোঁ। বৰুৱা ডাঙৰীয়াই লিখিছিল: "মই যে সংগীত-বিষয়ত এজন পকা পণ্ডিত হৈ উঠিছোঁ এনে যেন কোনেও নাভাবে। মোৰ শিকিবলৈ এতিয়াও বহুত বাকী আছে। সংগীত বিদ্যা অপাৰ সাগৰৰ দৰে; ইয়াৰ সম্পূৰ্ণ শিক্ষা মোৰদৰে দুখীয়া জীৱন পক্ষে নিতান্ত অসম্ভৱ।"

অত্যাধিক পৰিশ্ৰমত তেওঁৰ স্বাস্থ্যৰ ক্ৰমাৎ অৱনতি ঘটে। তেওঁ সাময়িক বিশ্ৰাম লয়। কিন্তু, সকলো যত্ন ব্যৰ্থ কৰি ১৯১৪ চনৰ ১৫ মাৰ্চত তেওঁ ন'ৰা-ছোৱালীকেইটিক বাট চাউৰা কৰি এৰি থৈ শেষ নিশ্বাস ত্যাগ কৰিলে। তেওঁৰ জীৱনীকাৰ কাঞ্চন বৰুৱাই "সুৰ-দেউলৰে পূজাৰী"ত লিখিছে, "মাত্ৰ ঊনপঞ্চাশ

বছৰ বয়সতে ইহধাম ত্যাগ কৰা এই গৰাকী বৃত্যাঙ্গুৰী গায়ক শিল্পী, সৰ-দেউসৰ ভক্তপূজাৰী আজি আৰু আমাৰ মাজত নাই। কাহানিবাই লুপ্ত হৈ গৈছে তেওঁৰ দিগন্ত প্ৰসাৰি বেহেলাৰ সুললিত ধ্বনি। তথাপি অসমী আইৰ অন্তৰৰ গভীৰত সেই লুপ্ত সুৰৰ মৌন প্ৰতিধ্বনি চিৰদিন যুগমীয়া হৈ ৰ'ব। প্ৰতিভাশালী সংগীতজ্ঞ-যোদ্ধাৰ ওচৰত বৰণীয় হৈ ৰ'ব সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱাৰ মধুৰ স্মৃতি।"

সংগীতাচাৰ্য তেওঁৰ ৰচনাৱলীৰ মাজতে আমাৰ বাবে ৰৈ আছে। তদুপৰি তেওঁ এৰি থৈ যোৱা পাচোটা সন্তান আৰু সি সকলৰ উত্তৰাধিকাৰীসকলৰ মাজত তেওঁ এতিয়াও আছে। তেওঁৰ দুই পুত্ৰ প্ৰফুল্লচন্দ্ৰ বৰুৱা (১৯০০–১৯৮৬) আৰু পৰশুৰাম বৰুৱা (১৯০১–১৯৮২) দুয়োজনেই বয়সত অশীতিপৰ হৈ কিন্তু মন আৰু স্বাস্থ্যৰে তৰুণ হৈ থাকি শেষ নিশ্বাস ত্যাগ কৰিছে এই আশীৰ দশকত। প্ৰফুল্লচন্দ্ৰ বৰুৱাদেৱে সংগীতত পাৰদর্শিতা লাভ কৰিছিল আৰু পৰশুৰাম বৰুৱা (ফুনু বৰুৱা)ই দক্ষতা অর্জন কৰিছিল অভিনয় শিল্পত। নিজা সংস্কৃতিবান এই দুই ভাতৃয়ে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশৰ বাবে মুক্ত হস্তে আগ-বঢ়াই গৈছে সাহায্য। তদুপৰি সংগীতাচাৰ্যৰ স্মৃতিত অসম সাহিত্য সভাক দান কৰিছে গুৱাহাটীত এটি ভৱন: সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদন। দাতা ভাতৃদ্বয়ৰ ইচ্ছা—এই সদনত অসমীয়া সংগীতৰ অধ্যয়ন আৰু চৰ্চা হ'ব আৰু স্বৰ্গীয় প্ৰফুল্লচন্দ্ৰ বৰুৱা-দেৱৰ ঐকান্তিক আগ্ৰহৰ ফলতে সংগীত-কোষ আৰু সংগীত-সাধনাৰ পুনৰ্প্ৰকাশ সম্ভৱ হৈ উঠিল। সুযোগ্য পুত্ৰৰ ইচ্ছাতে সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা তেওঁৰ এই কৃতিত্বপূর্ণ কৃতিৰ মাজত পুনৰ প্ৰতিভাত হৈ উঠিল। পিতৃৰ লগতে পুত্ৰদ্বয়ো আমাৰ সকলোৰে বাবে স্মৰণীয় হৈ থাকিব।

'সংগীত-কোষ' আৰু 'সংগীত সাধনা'-ৰ পুনৰ্মুদ্ৰণৰ লগত নিজকে জড়িত কৰিব পৰাটো সৌভাগ্যৰ কথা বুলি ভাবিছোঁ। সকতেই পিতৃ-মাতৃক হেৰুৱাই নিজৰ গুণ, প্ৰতিভা আৰু বুদ্ধিৰ বলত প্ৰফুল্লচন্দ্ৰ বৰুৱাই অসমৰ সাংস্কৃতিক, সামাজিক আৰু ৰাজনৈতিক জীৱনৰ এগৰাকী আগশাৰীৰ ব্যক্তি স্বৰূপে আত্মপ্ৰতিষ্ঠিত হৈছিল। তেওঁৰ ভাতৃ পৰশুৰাম বৰুৱা আছিল তেওঁৰ সৌহাৰ্দস্বৰূপ। প্ৰফুল্লচন্দ্ৰ বৰুৱাই ডেকাকালতে পত্নীক আৰু বৃদ্ধ অৱস্থাত নিজৰ কনিষ্ঠ পুত্ৰ আৰু সহোদৰ ভাতৃক হেৰুৱালেও মনোবল হেৰুওৱা নাছিল। ৮৫ বছৰ বয়সতো অকণো মানসিক আৰু শাৰীৰিক জড়তা নথকা, ঘড়ীৰ কাটাই কাটাই দিনটোৰ কাম কৰা প্ৰফুল্ল-চন্দ্ৰ বৰুৱাই—পিতৃ সংগীতাচাৰ্যৰ নামত সংগীত অধ্যয়ন আৰু চৰ্চাৰ এটি সদনৰ পৰিকল্পনা কৰাৰ উপৰিও কল্পনা কৰিছিল সেই সদনত সংগীতাচাৰ্যৰ এটি আৱক্ষ মূৰ্তি স্থাপন কৰাৰ আৰু সংগীতাচাৰ্যৰ দুয়োখন গ্ৰন্থ ছপাই উলিওৱাৰ। সদন আৰু আৱক্ষ মূৰ্তি স্থাপনৰ দায়িত্ব সভাত অৰ্পিত হ'লেও তেখেতৰ হাতত থকা সংগীত-কোষ আৰু সংগীত-সাধনাৰ একমাত্ৰ কপি দুটা হস্তান্তৰিত হৈ থকাৰ বাবে আৰু সভায়ো গ্ৰন্থ দুখন বিচাৰ-খোচাৰ কৰিও নোপোৱাত গ্ৰন্থ দুখনি প্ৰকাশৰ দায়িত্ব সভাক দিব পৰা নাছিল। কিন্তু, তেখেতৰ মৃত্যুৰ কেইদিনমানৰ আগত হস্তান্তৰিত হৈ থকা গ্ৰন্থ দুখনি আমি সংগ্ৰহ কৰি দি তেখেতৰ হাতত দিয়াত পিতৃৰ একমাত্ৰ স্মৃতি চিন বুলি গভীৰ স্নেহ আৰু শ্ৰদ্ধাৰে চুই চাইছিল আৰু গ্ৰন্থ দুখনি অসম সাহিত্য সভাক প্ৰকাশ কৰিবলৈ দায়িত্ব দি তাৰবাবে আৱশ্যকীয় পুঁজিও সাহায্য স্বৰূপে দিব বুলি কৈছিল।

অসম সাহিত্য সভাই তেখেতৰ এই অন্তিম ইচ্ছা পূৰ্ণ কৰি তেখেতৰ প্ৰতি আৰু সংগীতাচাৰ্যৰ প্ৰতিয়েই শ্ৰদ্ধা-অৰ্পণ কৰা নাই, আনাৰ

জাতীয় সাংস্কৃতিক জীৱনকো সমৃদ্ধ কৰিলে। স্বৰ্গীয় বৰুৱা ডাঙৰীয়াৰ সান্নিধ্য আৰু স্নেহাশীস লাভ কৰি তেখেতৰ উদাৰ, সংস্কৃত, দেশপ্ৰেমিক মনটিৰ উমান পাইছিলোঁ। তেখেতে আমাক সৰ্বভাৰতীয় ভিত্তিত 'জ্ঞানপীঠ'ৰ সম মৰ্যাদাৰ এটি 'সংগীতাচাৰ্য-বঁটা' সংগীতৰ বাবে দিব পৰাকৈ আঁচনি যুগুত কৰি দিবলৈ কৈছিল। সেই কল্পনা আৰু প্ৰস্তাৱিত পৰিকল্পনা দুয়োটি অপূৰ্ণ হৈ ৰ'ল। হয়তো এনে সময় আহিব, যেতিয়া অসম সাহিত্য সভাই এনে এটি মৰ্যাদাসূচক বঁটা প্ৰদান কৰিবলৈ সমৰ্থ হ'ব।

সংগীতৰ লগত মোৰ সম্পৰ্ক নিতান্ত সাধাৰণ শ্ৰোতাৰ। তথাপি অসম সাহিত্য সভাই সংগীত-কোষ আৰু সংগীত-সাধনা প্ৰকাশ কৰিবলৈ লৈ গ্ৰন্থদুখনিৰ লগত দিব পৰাকৈ সংগীতাচাৰ্যৰ জীৱন আৰু কৃতিৰ চমু পৰিচয় এটি যুগুতাই দিবৰ বাবে দায়িত্ব অৰ্পণ কৰিলে। নিজৰ অযোগ্যতা আৰু সীমাবদ্ধতাৰ কথা জানিও সংগীতাচাৰ্য আৰু তেখেতৰ পুত্ৰদ্বয়ৰ প্ৰতি সন্মান জনোৱাৰ সুযোগ পাম বুলিয়েই এই দায়িত্ব ল'লোঁ। যিখিনি ত্ৰুটি-বিচ্যুতি এই লেখাকণত ৰ'ল, তাৰ দায় একান্তভাৱে আমাৰ; আৰু যদি কিবা গুণ আছে সেইখিনিৰ বাবে প্ৰশংসাৰ পাত্ৰ হ'ব 'সুৰ-দেউলৰে পূজাৰী'ৰ ৰচয়িতা, সংগীতাচাৰ্যৰ জী-নাতি, ঔপন্যাসিক কাঞ্চন বৰুৱা আৰু সংগীতাচাৰ্যৰ জ্যেষ্ঠ পুত্ৰ স্বৰ্গীয় প্ৰফুল্লচন্দ্ৰ বৰুৱা। শেহত অসম সাহিত্য সভাৰ মাননীয় সভাপতি প্ৰমুখ্যে কাৰ্য-নিৰ্বাহক সমিতিৰ সদস্যসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইতি,

১৫ জানুৱাৰী ১৯৮৭
জীৱন ফুকন নগৰ : ডিব্ৰুগড় নগেন শইকীয়া



সঙ্গীতাচাৰ্য্য লক্ষ্মীৰাম বৰুৱা

ইং ১৮৬৫—১৯১৪

## রাগ-রাগিণী গাবার প্রচলিত সময়

### পূর্ব্ব বেলা।

কালেংরা, খট্, বিভাস, ভৈরব, ভৈরবী, যোগিয়াঁ, রামকেলী ইত্যাদি।

### দুপর বেলা।

আশোয়ারী, আলেয়া, সারঙ্গ, বেলাবলী ইত্যাদি।

### ভাটাবেলা।

ভীমপলশ্রী, মুলতান, বাঁরোয়া, পিলু, জয়জয়ন্তী ইত্যাদি।

### আগনিশা।

ইমনকল্যাণ, কেদারা, কাণাড়া, কামোদ, নট, ভূপালী, শ্যাম, সিন্ধুরা, হাম্বীর ইত্যাদি।

### মাঝনিশা।

খাম্বাজ, ঝিঁঝিট, পরজ, পাহাড়ী, বাগেশ্রী বারোয়াঁ বেহাগ, সুহা, সাহানা, সিন্ধু ইত্যাদি।

শেষনিশা।

গুণকেলী, বিহঙ্গরা, হিন্দোল ইত্যাদি।

পূর্বরাত্রীনিশা।

ললিত, সোহিনী, মালকোষ, বাহার ইত্যাদি।

সকলো সময়ত।

মেঘ, মল্লাৰ, বসন্ত, দেশ, সুৰট আৰু বাউলৰ সুৰ ইত্যাদি।

আজি একত্ৰ আনন্দমগ্ন ... ... ১৬

আজিও কিয়নো হাঁহ বগলো পাহৰি ... ১৪২

আজিও কি আশে আছে ... ... ৯৬

আজি, কি কাৰণে কান্দিছে পৰাণ ... ২৭৩

আজি কি কুক্ষণে কাৰ বচনে মোহিছে হিয়া ১৬৬

আজি কিনো শুভ দিন দুখীয়া জীৱনে ... ১৮০

আজি কিনো শোভা দেখোঁ নয়নে ... ১৯৩

আজি কি শুভদিন বিজোপম ... ২২৯

আজি কিয় এনেকুৱা কৰে মোৰ মন ... ১০৩

আজি কেনে শোভা দেখোঁ পৃথিৱীৰ মাজে ... ২৫৬

আজি গাওঁ আহাঁ সকলোৱে জয় বিভু জয় ... ৫৯

আজি ধীৰে যাই বহি মলয় পৱন ... ১৯৪

আজিনো কিয় দুপৰনিশা মম পাগলিনী ... ১৪৯

আজি পৰিলা ধৰা পৰিলা হেৰা সুহাগিনি ... ১৫৮

আজি প্ৰকৃতিৰ শোভা সুন্দৰ ... ২৯৪

আজি বকুল ফুলেৰে মালা গাথি দিলা ... ২৬৪

আজি বসন্ত শেষে ভাৰবীয়া বেশে ... ২৩৯

আজি বজোৱাঁ। আজি বজোৱাঁ। ... ৩০৯

আজি বজোয়াঁ বজোয়াঁ বজোয়াঁ হেরা ... ২০৬
আজি ব্রজপুরে শ্যামে খেলিছে হলী ... ২৮০
আজি নাচে পেটুরা পেট ভরি খা ... ১৫৭
আজি মধুর মিলন আজি মধুর মিলন ... ২৯৫
আজি মিলন সঙ্গীত গোরাহি ... ... ২৪
আজি বাতি কেনে জোনে হাঁকে চিকোন ... ১৭৭
আজি শুভদিন কিনো বিজ্ঞাপন ... ২৩৭
আজি শুভদিনে মিলি প্রাণে প্রাণে ... ১৮৩
আজি সবে গোয়া বিভুগান ... ... ২৫৮
আজি সেই কথা সখি গলানে পাহরি ... ৯৯
আজি হাততলে ফাকু কিচকারী ... ২৮১
আজি হৃদয়ত শুনি যোৱাহে ... ৩১০
আজু আনন্দ নন্দ ঘরে ... ... ৩২১
আজো মেরে প্যারা মাই ... ... ২৬
আনন্দ উৎসবে আজি উলাহত দিয়া মন ... ২৯৩
আপোন বুলি পাগলিনী হৈ ... ১৪৯
আমার কি গতি কাকলা ... ... ২১৯
আমি ভাস্বরীয়া ঘবর সন্তান ... ... ১৭৩
কিব জনো এসেছে সদায় ... ৭০

উঠাঁ একে চিপে অসমীয়া ভাই ... ১৩
উঠাঁ বীৰসব উঠাঁ কাচিপাৰি ... ... ২০১
উঠাহে অসম মাতৃ ... ... ২৭
উঠাহে উলাহে গাওঁ গান ... ... ১৯২
উঠি কাম কৰাঁ কামী কলিযুগ ... ... ১৫
উদিছে সুদিন কিনো শুভদিন ... ... ২৩
উকৰা উকৰা আনন্দ নিচান ... ... ৩১১
এইনো সাজে পাৰে সুশুৱাই বোপাদেও ... ৩২৪
একেবাৰে প্ৰাণনাথ মোক পাহৰিলা ... ১০৭
এ ঠাকুৰাণি আই তোমাৰ নীলাচলে বস্তি ... ৩৮৬
এসুৱা বিলাই দেখিছা বোপাই ... ৫
এনে সময়ত মন বেহুঁশ অচেতন ... ২ ৭
এৰা এৰা ভাই এৰা সোৰোপালি ... ৩১
এবাৰ হাইঁা প্ৰাণ ভুবন মোহিনী .. ১১৩
এবেলি প্ৰাণৰ সখি দেখিছিলোঁ ভেওঁক হৰলা ১৩৮
ওৰণি কাখৰি কৰি নেচাৰা নেচাৰা ... ১৫৬
ওৰে সখি পেখোৰে কৃষ্ণলোচন ... ৩০৪
ওলায় আঁহা আইদেৱে ... ... ৩২০

কত আরু সহিম বিলাই ... .. ৭১
কত দিনে ভাবি পাইছো তোমাক . ২৮৮
কতনো ক্রিয়াতু আরু সহিম দুখুণী প্রাণে . ৭৪
কতনো দাউতি করি চাবলই চকুত'র .. ১২৪
কত সুধিলে কথা লাজে নেমাতিলোঁ .. ১১৭
কথা এটি শুনিযোৱাঁ এমোৰ ভোটাতৰা . ১৬৮
কথাত নমক মন্তা ভেন্তেনো তই কি বচকা... ১৭১
কমকি মনৰ কথা যেনে লাগে তোমালৈ ... ৮৫
করা কৃপা দয়াময় করিছোঁ মিনতি ...... ২১০
করাহে করুণা হরি দিয়া তযু পদতরী ... ৬২
কবনে কথাটি চাবনে উভতি ... .. ১৩৬
কবিছো কাকুতি সখি নেযাবা উভতি .. ২৭৩
করুণা বিতাৰ প্রভু দিয়া শান্তি পদ ছায়া .. ৫৪
কলৈ গলা প্রাণনাথ ৰোৱাঁছি এবাৰ ... ৮৯
কলৈ গলা প্রাণপ্রিয়া চেকা দি ছিচলা প্রাণে ২১৯
কান্দি এতেদিনে জপিলো তোমাকে ... ৩১২
কালৰ সোতত পৰি মোহমায়া আদিকবি .. ২১২
কালি এতেবেলি আছিলা আইদেউ ১২৯

কিয় বাজে মধুৰবাঁহী ... ... ১৯৭
কিয় লাগে উদাস পৰাণ ... ... ১৩৯
কিয় লোভে পৰি সকলো পাহৰি .. ২৭৮
কিয় সৰি পৰা গোলাপ কলিকতা ফুলনীত ৭৯
কুঞ্জ কাননে বাজিছে মোহন বাঁহী ... ২৭৯
কুঞ্জে কুঞ্জে ঘূৰোঁ বনে ... ... ১৮৬
কুলিয়ে মাতিছে কুহু বিৰহিণী নহিএ ... ৮৪
কুলি কিয়নো [illegible] গালি ... ... ৮১
কেনে মোহন মুৰতি অ সখি ... ... ৯১
কেতিয়া আহিবা নাথ কেতিয়া আহিবা ? ... ১০৯
কোৱাচিত্ৰ·লেখা সখি কি হব বিলাই হে ... ৩০৭
কোৱাচোন সখি প্ৰাণৰ সখিটি ... ৩৬৮
কোনে গায় গীত কিবা সুললিত ... ২৮৭
কোনেনো জানে কিবা প্ৰয়োজনে ... ৬৫
কোনেনো বজাব বীণা কোনেনো [illegible] তান ৩৭
কোনে এনে আঘাত ব্যথা দিলে মোৰ ... ১১৪
[illegible] নেজানো বচিৰ ... ২৫১
[illegible] বায বায বায [illegible]

গোপাত মালতী চাকি কিয়নো পিছিয়া ... ১৬০
গইছে গই উবি উঝি প্রাণপণি কেনিবা হায় ১৪১
গকুলে আজু গোপাল বিনে ভয়ো আন্ধিয়ারী ৩৪৩
গভীর রাগিণী মোহনস্বর ধরি ... ... ২৪
গোরা কুলি গোরা .. .. ২৪০
গোরাকে গোরাছে সবে কয় আনন্দের কয় .. ২৫৭
ঘনাই ঘনাই কিয় তোর ঢরি মনত পরে . ২৮৫
চারি বত্নাসনে চারি সতি বসে ... .. ২৪৫
চাপিছেছি ঘাটে আজি প্রেমের তরণী .. ৩০৪
চেনেছর ফুলনি বাবা তোর .. ... ১০২
চেচা পোরা হলো মই চিয়া বিজাই ... ১৬৭
চোরা আকাশলে বেলি কটকটিয়া ... ১৯
চোরা কোন প্রকৃতির শোভা বিতোপন ... ৫১
চোরা চোরা জুটবাড় গিলিছে অসম জোন... ১১৮
চোরা চোরা হেরা সভ্য কুবিশভিকার চেকা , ২৪১
চোরা সখি আজি নতুন নবণে সাজি ... ১৮৮
চোরাকে কাতি যুতি মাধুরী ... ১৩১
ঠন্ঠ কেবলে মোর ভূপির সাজন .. ১১৬

জয় গুরু শঙ্কর সর্ব্ব গুণাকর ... ৩৫০
জয় জগবন্দন কৃতান্তবারণ .. ৩৯
জয় জয় কৃষ্ণ গোলোক বিহারী ... ৪২
জয় জয় জয় দেব শঙ্কর পুরুষ হে ... ১৯৯
জয় জয় যাদব জলনিধিজা-ধর .. ৩৩০
জয় জয় রাম রাঘব রঘুকুল পঙ্কজ ... ৩৪৫
জয় দীন শরণ প্রভু নারায়ণ .. ৫৫
জয় দুর্গা দুর্গতি নাশিনী ... ৪১
জয় দেবেশ পদ্মাসন .. ২৭৩
জয় বিষ্ণু বনমালী ... ৩১৪
জার থাকে মানে নাথ তুমি মোর অধিপতি ... ১০৪
জোনালী পরগা জিনিকে ধরণী ... ২৩৫
ডেকা ভাই কিসব হবির ডোর ... ৩৪৮
তরিলো পেটায়ে প্রভু তয় দয়া পাই ... ৪৭
তুমি কারনো জীয়ারা ... ... ১৬৩
তুমি বলিয়া কিয় বলিয়া হেৱা নশিয়ানী .. ৮৩
তুমি হৃদয় রতন ... ৩০৫
তুমিহে প্রেয়সী মোর জীৱনর জীৱ ১০৮

তুলি ফুল গাথোঁ মালা ... ৯৩
তুহুঁ দীন তাৰণ দুষ্ট দমন ... ৪০
তেওঁ যদি অনুৰাগী আনে আৰু কোনে জানে ১১১
তেওঁনো কিহৰ কুটুম ঐ ... ১৭১
তেনে আৰু কিয় কান্দো যদি ফুলাসিত ... ৩০
তোমাকেহে কৰোঁ প্ৰভু জীৱনৰ লক্ষ্য মোৰ ৬৪
তোমাৰেহে ছবিটিকে দেখোঁ মাথো যেনি চাওঁ ৮৫
ত্যজৰে কমলাপতি পৰভাত নিন্দ ... ৩৪৭
থাহি দেৱ দামোদৰ যাদৱানন্দ ... ৩৭৬
থিত হোৱাঁ আই আহি মোৰ হৃদয়ত ... ৪৮
দয়াল হৰি বাধা আজি চৰণতলে ... ৬২
দিবা দৰশন প্ৰভু দিবা দৰশন ... ৪৫
দিলোঁ সপি আপোন হাতে ... ২৫৫
দিয়া দেৰি পোহৰ সুন্দৰ .. ৫৮
দীন দুখীয়া আমি অসমীয়া ... ২২৪
দেখা দিয়া আহিছে জীৱনৰ জীৱন ... ৪৯
দেখা দিলে মাথো বিজুলী দৰে ... ৩১৫
দেখা পাই লাজে ধৰিলে আসচি ... ১০১

দেখি আকাশের ছবি ভাবোঁ বহি বহি ... ৮৩
দেহে প্রাণ থাকে মানে ... ১১৫
দৈয়ন দিয়া দৈয়ন দিয়া আপোনাবে আই ... ৩২৪
দ্রুপদনন্দিনী মনে গুণি ... ৩৮৮
ধন্যা তুমি দেৱবালা অশ্বপতি নন্দিনী ... ৩০০
ধীৰ মলয়া বহিছে পুৱা ... ৫৭
ধীৰে বলিছে মলয়া মৃদুল ... ২৭১
ধীৰ মেঘদলে ধীৰে ধীৰে ধীৰে ... ১৮৫
ধীৰ সমীৰে যমুনাতীৰে ... ৩৯৮
ধূলা খেলা সাঙ্গৰিলোঁ ... ৬৩
নকৰা আৰু নেলাগে ... ২২৩
নবীন নবীনা শোভে দুজনে ... ৯৫
নমৰি জীয়াই আছোঁ আৰু কিবা আশা ধৰি ৯৭
নমো দেৱ মাধৱ ভক্ত বান্ধৱ ... ১৯৬
নমো বীণাপাণি বসন্তৰ ৰাণী ... ১৭৯
নাই হে নাই উদাস বি প্ৰাণ ... ১৮৩
নাৰায়ণ চৰণে কৰোঁহো গোহাৰি ... ৩৩৩
নাৰায়ণ কে গুণ জানবো তুই ৩৩৫

নাৰায়ণ মাগোঁ চৰণে ৰতি তেৰা ... ৩৩৭

নাৰীৰ মন বুজিব কোনে ... ১৭৫

না হেৰি সখি কাহা হামাৰি ৰাধাজান .. ১৩০

নাহিবা নাহিবা আক মোৰ ওচৰলৈ ... ১১১

নাহেতো মলয় সমীৰ ফুলে ফুলে চুমি যায়... ২৯১

নিচিনি তোমাক প্ৰভু অকাজ কৰিলোঁ মই... ৪৮

নিচিনিলোঁ অসম আই ... ২২০

নিৰাশ মনেৰে বনফুল তুলি ... ২৮৯

নিশা পৰভাত আজি উঠা আখি মেলিএ ... ২১৪

নীল সুকমল নিচিনা বিমল ... ৬৭

নীল স্বৰগত মোহন সাজেৰে ... ১০০

নুচুবা নুচুবা সখি ভাগি যাব বেগতেই ... ২৪৩

নুঠিবানে হেৰা তুমি অসমীয়া .. ২৮

নেজানো কি ভাবি আকুল হৈছোঁ ... ২৯৫

নেযাব নেযাব প্ৰাণ ধৰো চৰণ অধিনীয়ে ... ১৪৮

নেজানো কপালে মোৰ বিধিয়ে কি লিখিলে ৩১৬

নেবাজে উলাহ বীণা আজি বেজাৰত ... ২২৭

নেলাগে আনিব চিজি আছে ফুলি ফুলপাহি ... ২০৬

পতিত পাবন দুৰিত হৰণ .. ৬৬
পৰিণাম পাহৰি মায়াজালে পৰি ৬৫
পাৰোঁতেনো দিওঁ আহি আপুনি বিদায় . ৮২
পিন্ধি ডাৰ ওলা সখি ১৫৫
পিৰালি দাঁতিতে বহি কান্দিছোঁ দুখুনী বাঁৰী· ৭৭
পুৰুষক আশয় দিয়েই হলো মই কলাকলা ... ১৬৭
পুৱালে দুখৰ নিশা আজি শুভদিনে .. ২৪৭
পূবৰ গগনে উষা ... ১৭
পূৰ্ব্বে যদি জানো মই তোৰ এনেকুৱা মতি··· ১০৫
পূৱ গগনে অৰুণে কেনে ... ২৪৫
প্ৰভু কৰিছো কাকুতি দিয়া শুভমতি ... ৪৩
প্ৰভুমীশমনীশমশেষগুণং ... ৩৯২
প্ৰণয় বিৰহ দুখে প্ৰাণ ফাটি যায় ... ১৩৪
প্ৰণয়ে দুৰ্গতি মিলে ... ১১০
প্ৰণমো তাৰিণী শুভ বিধায়িনী ... ২৭৩
প্ৰভু এয়েনেকি শেষ ... ২৯০
প্ৰাতঃ সময়ে যশোৱা জননী ... ৩৫৬
প্ৰাণনাথ আৰু নো কি আছে সাক্ষী ... ১১০

| | | |
|---|---|---|
| প্রাণ যে সদায় কান্দে | ... | ১০৩ |
| প্রেম ছবি মোহন সাজে | ... | ৯২ |
| প্রেম মিলনে নবীনা নবীনে | ... | ৯৩ |
| প্রেমিক প্রেমিকা ছবি কিনো মনোময় | ... | ৯০ |
| প্রমোদ কাননে প্রফুল্লিত মনে | ... | ২৫২ |
| ফাকু ঝুলি লই মন সুখে গৈ | .. | ২৮২ |
| ফুলনি আজি বসন্তে সাজি | ... | ২১৬ |
| ফুলিছে যূতি মোরে ফুলনিতে | ... | ২০৪ |
| ফুলে ফুলে ফুলে উরিছে মউ | ... | ২৪৪ |
| বসন্ত মিলনে আজি গাইছে পাপীয়া | ... | ২৭৯ |
| বহু আশা পালি চকুরে দেখিলো | ... | ৩০৮ |
| বন্দো দেব মাধব জীর বান্ধর | ... | ১৯৫ |
| বর হেঁপাহেরে আহিচোঁ বোৱাঁ | ... | ৮৮ |
| বলিছে মলয়া ধীরে | ... | ২৫৩ |
| বহল জগত মাজে মই অনাথিনী নারী | ... | ১৮ |
| বাঁহি মাতিছে বীণা বাজিছে | ... | ২২২ |
| বাজে আপুনি পুবণি বীণা | ... | ১ |
| বাজে কত আজি বীণা ঝিণিকি ঝিণিকি সুরে | ... | ৭২ |

# বন্দনা

ইমনকল্যাণ—আৰাঠেকা।

নমো বীণাপাণি
জগত বন্দিনী,
কবিতা ৰূপিণী দেবী বেদ প্ৰসবিনী।
বীণাযন্ত্ৰ ধৰি কৰে,
মধুৰ পঞ্চম সুৰে,
ৰচিছা ছয় ৰাগ ছ'ত্ৰিশ ৰাগিণী
সপ্তস্বৰ তিনি গ্ৰাম,
ত্ৰিসপ্ত মূৰ্চ্ছনা নাম,
সকলো তোমাৰ সৃষ্টি সঙ্গীত-জননী,
তোমাৰে প্ৰসাদে নৰ
লভে সুমধুৰ স্বৰ,
সা ৰে গা মা পা ধা নি সা জ্ঞান প্ৰদায়িনী॥

লক্ষ্মীৰাম বৰুৱা

---

শ্যাম মনোহর হরয়ে নাগর .. ৩৮২
সকলো মিলি আনন্দ পূজা .. ৩৫০
সকলোয়ে আজি প্রেমরসে মজি .. ২০০
সখি আদর ফুলর এনে কিয় প্রেমিক প্রেমিকা ২৩৮
সখি আলসুয়া প্রাণে জুলুকি জুলুকি ... ১২২
সখি আশাতে বাখিছোঁ জীৱন অমিয়া ... ১৩২
সখি আছিলা এতিয়া কিয় ... ১৭২
সখি বিরহ বাণে হানে কোমল প্রাণে .. ১৪৭
সখি বাখা মোর প্রাণ ... ৩১৮
সখিয়া কহ কাহা মিলেগা মেরি শ্যাম ... ২৪২
সখিহে আমার কোনেনো আজি .. ৭৫
সখিহে তুলিতে তলিচা ৩২৮
সত্তো করি কোৱা তোমার কোননো আপোন ১৬৪
সত্তো করি কোৱা প্রাণ কাক তুমি ভাল পোৱা ১০৮
সপিলো এদিন নিজে ভালপোৱা যাক .. ২৮৩
সঁপিলো চরণে পৰাণ আজি . ২৩৪
সপিলো তোমাকে আজি চেনেহর পুতলিকেরি ২৩৬
সৰলা অবলা বিরহর জ্বালা .. ১৪৬

সবি পবা বনফুলব হাব ... ১৪৪
সংসাবব মাজে অমৃত ত্বুৱাব ... ৬১
সুখব বসন্ত কালে হৰষিত সবে ... ২৮০
সুধি চাবা সখি পবেনে মনত ... ১২১
সুন্দব অসমবাজ্য প্ৰকৃতিব পূণ্যভূমি ... ২২৫
সেউতা মালতী আজি আহাঁ কেনে কলিয়াই ২২৬
সোঁৱঁবা সকলে আজি মহত্তাৱন ... ২০৯
স্বৰগত ফুলিছে প্ৰেম পাবিজাত ... ২২৬
স্মৰা আক এটিবাব ... ২১৩
হবি কৰ্ম্মনদাব মাজব পবা .. ৫৫
হবিব নাম কি মধুৱ কি মধুৱ কি মধুৱ .. ৬০
হবিপদ চিন্তা কবা হই একমন .. ৪৬
হবি ভাবো তোমাব চবণ দুটি ৪১
হাঁ প্ৰভু দয়াময় সংসাবব সাব .. ৩৬৩
হাঁ প্ৰভু ৰঘুনাথ সংসাবব সাব . ৩ ৬
হায় নিদাৰুণ বিধি কিনো শত্ৰুক শালিলা .. ৬৯
হায় বি, এ, জগন্নাথ চোৱাহি এবাব হে ... ৭০
হায় মোব কপালখান . . ১৫৯

হাঁহিভৰা মুখ বিষাদ মেঘে ... ১৪৯

হিয়া আজি ৰূপে কিয় চাটিফুটি মন ... ৩০২

হিয়া জুৰি হেৰা মোৰ নাচিছিল আশানই ... ৭৮

হে ভাই সুৱঁৰি গৌৰৱ কাহিনী ... ২৫৯

হেৰা এবাৰ চাওঁ হে বোৱাঁ ... ১৩১

হৈছে আসামবাসীৰ সুখৰ আশা ... ২৬৬

হৃদি মন্দিৰত পাই এনে সাধনৰ ধন ... ৪৯

ক্ষণে কান্দে প্ৰাণ নাহি পৰিত্ৰাণ ... ৭

# সঙ্গীত-কোষ

## প্ৰথম অধ্যায়

### জাতীয় সঙ্গীত

১

ভূপালী —ঢিমাতেতালা।

বাজে আপুনি পুৰণি বীণা,
শুনি কি আবেগে আতুৰ প্ৰাণ।
ঝিণিকি ঝিণিকি হিয়াত বাজিছে
পাহৰা সুৰৰ মধুৰ তান॥
ঊষাৰ কিৰণে পূবে পোহৰোঁতে,
আহি উটি সুৰে মলয়া লগতে,
ওপচায় হিয়া নতুন উলাহে।
গোৱাঁ সকলোৱে জাতীয় গান॥

ৰাধানাথ ফুকন এম্, এ, বি. এল।

২

ইমন ভূপালী  একতালা।

আহাঁ আজি আহাঁ সৱে
সোৱৰোঁ সুদিন হে।
ধৰ্ম্মৰ তেজেৰে, জাতীয় প্ৰেমেৰে,
হোৱা অগ্ৰসৰ হে॥
পশ্চিম পূৰবে উত্তৰ দক্ষিণে
উঠিছে সকলো হে।
তোমাৰো টোপনি এৰিবৰ হল
উঠাঁ একে চিপে হে॥
পূৰ্ব্বৰ গৌৰৱ মনত পেলোৱাঁ
গোৱাঁ জয় গীত হে।
পুৰুষ প্ৰধান কবি শঙ্কৰৰ
জননী অসম হে॥
মহা পুৰুষৰ সোঁৱৰণি লোৱা
ভাই বন্ধু সৱে হে।
কৰা জয়ধ্বনি অসম কিৰীটি
উঠক জিলিকি হে।

অজ্ঞান এন্ধাৰ ঠেলি আসামৰ
পুৰুষ ঈশ্বৰ হে ॥
বিচাৰি শাস্ত্ৰৰ বিলালা পোহৰ
আই আসামৰ হে ॥
শ্ৰীগুৰু শঙ্কৰৰ উদাৰ নীতিত
লভিবা উন্নতি হে।
শঙ্কা নকৰিবা বল শক্তি পাবা,
ৰাখিবা কিৰাটি হে ॥

দেবেশ্বৰ চলিহা।

---

৩

লেচাৰী—একতালা।

অসম মাতৃৰ দুৰগতি
দেখি প্ৰাণ মোৰ কান্দে অতি,
এন্দুৰা বিলাই গোসাঁইয়ে কিয়নো দিলে।
মহাপৰাক্ৰান্ত ব্ৰহ্মপুত্ৰ,

যাৰ বৰ্ত্তমান জ্যেষ্ঠ পুত্ৰ,
তাৰ এনে দশা বিধিয়ে কিয় কৰিলে ॥
ওখ পৰ্ব্বতৰ সাৰি সাৰি,
যাৰ বন্ধুবৰ্গে আছে বেৰি,
তাহান অৱস্থা সুঁৱৰি দহে পৰাণ।
ঋষি মুনি যাৰ আছে গুৰু,
শুদ্ধ সত্ব দেৱ কল্পতৰু,
তাৰ আজি চোৱাঁ হীন দশা অপমান ॥
অসমৰ পুত্ৰ ভগদত্ত,
বান ৰজা মহা দৰ্পমত্ত
ভীষ্মক হিড়াম্ব আৰু কত কত বীৰ।
সিকালত তুমি অগ্ৰগণ্যা
ছিলা পৃথিবীত বহু ধন্যা
আজি শোকাতুৰা বহে নয়নৰ নীৰ ॥
চোৱাঁ চোৱাঁ কিনো বিপৰ্য্যয়,
ভুঞ্জিছা হে মাতৃ দুখচয়
পাসিলা ইটো সে প্ৰভু ঈশ্বৰৰ মায়া।
হেৰা দীনবন্ধু জয় পাৰে,

কৰিছোঁ কাকুতি ভক্তি ভাৱে,
কৰা অনাথিনী অসম মাতৃক দয়া ॥

বেণুধৰ ৰাজখোৱা, বি, এ।

৪

তুক সুৰ—একতালা।

(অসম মাতৃ) এজুৰা বিলাই দেখিছা বোপাই
কিয়নো নকৰা কাণ।
(অসম পুত্ৰ) চেনেহৰ আই, নাই এটি পাই
নাই ভৰালত ধান ॥
(অঃ মাঃ) নেথাকিবা বহি, যোৱাঁ। দিহা দিহি,
পাবা বহু ধন সোন!
কথা কৰি কাতি, ধৰা যদি খেতি,
পাবা ধান দোনে দোন ॥
(অঃ পুঃ) বিভা বুদ্ধি নাই, (মাঃ) নেভাবাঁ সোনাই
গুলাব বুদ্ধি আপুনি।
একতা আশ্রয় কৰিলে কি ভয়,
একতা বুদ্ধিৰ খনি ॥

(অঃ পুঃ) ছাল বাকলীয়া আমি অসমীয়া
শক্তি হীন নাই বল।
(অঃ মাঃ) শত জন মিলি কৰা পুৰুষালি,
লাগেৰে ওপজে বল॥
(অঃ পুঃ) মানুহে বেহাত দিলে হেনো হাত
আছে বহু ধন লই।
মূল ধন নাই কোৱাচোন আই
বেহা পাতোঁ কেনেকই॥
(অঃ মাঃ) মিলি জুলি বহা পাতি চোৱা বেহা,
তুমিও হবা চহকি।
(অঃ পুঃ) তেন্তে হেৰা আই, কিয় আছোঁ চাই,
আৰু ভয় আছেনো কি॥
(অঃ মাঃ) শিকি লোৱা দেই, গুৰু মন্ত্র এই,
একতা মুক্তি দুৱাৰ।
(অঃ পুঃ) জানিলোঁ জানিলোঁ, একতা ধৰিলোঁ,
তোমাৰ বুজিছে সাৰ॥

বেণুধৰ ৰাজখোৱা, বি, এ।

৫

আপেগ্গা—ঝাঁপতাল।

উঠা উঠা উঠা সবে অসাম সন্তান।
পরাধীনা জননীৰ ভাৱী আশাধন॥
চোৱাঁ হেৰা চকুমেলি, উদয় সৌভাগ্য ৰেলি
মোহ টোপনিত পৰি, থাকিবা কিমান।
এনাহ নিহালি থোৱা, বীৰ বেশ পাত লোৱা,
কৰ্ত্তব্য যুদ্ধত এটি ক্ষুদ্র ই জীৱন॥

ৰঘুনাথ চৌধাৰী।

---

৬

ভুক সুৰ—একতালা।

কণে কান্দে প্ৰাণ নাহি পৰিত্ৰাণ,
কিয় হেৰা দয়ামণি।
তুমি দয়াধাৰ, করুণা সাগৰ,
ভাবিবা দুখুনী জানি॥
ক্ষীণ কণ্ঠ বাণী শুনা পদ্মপাণি,
কাতৰে কৰোঁ প্ৰণতি।

তুমি বিনে মোৰ এন্ধৰা দুৰ্ঘোৰ,
ঘুচাব কোনে বিপত্তি ॥
চোৱা লৰা বোৰ, আছে যত মোৰ
কান্দে ক্ষুধাতুৰ হই।
মাৰি নিয়া মোক, তেহে যাব শোক,
মোৰাৰোঁ স'ব বিলাই ॥

বেণুধৰ ৰাজখোৱা, বি, এ।

---

৭

বেহাগ—আড়াঠেকা।

অসম-আকাশ আজি ডাৱৰে ছাটিপেলায়।
দিনতে এন্ধাৰ হ'ল একোকে দেখা নেযায় ॥
মাৰিছে মেঘে গাজনি, উঠিছে বুকু কঁপনি।
কি কৰোঁ ক'লৈ যাওঁ, নেদেখোঁ একো উপায় ॥

বেণুধৰ ৰাজখোৱা, বি, এ।

৮

ঝিঁঝিট— একতালা।

আহা আজি আমি বন্ধু সবে মিলি,
উলাহেবে গাওঁ একতাৰ গীত।
নহলে জানিবা অসমীয়া জাতি,
নেথাকিব আৰু এই পৃথিবীত॥
পূবফালে পশ্চিমে উত্তৰে দক্ষিণে,
সজাগ হইছে জগতৰ জাতি
আমি অসমীয়া বুজিছোঁ মাথোন,
তেম, কানি আৰু এলেহুৱা বাতি
এতেকে হে ভাই একতা ডোলত
আহাঁ বন্দী হওঁ সবে হাঁকি মাতি।
একজনে মোৱাবে সাধিব যি কাম,
বহুতে কৰিব পাৰোঁ জুম পাতি॥
সময় তাকৰ আহাঁ কাম কৰোঁ,
বকলা মেলাৰ আজৰি মোলাত।

যাৰ যিবা সাধ্য নকৰিলে কাম,
কৰিব লাগিব পিছে হাঁয়-হাঁয়।

বেণুধৰ ৰাজখোৱা, বি, এ।

---

৯

খাম্বাজ—ঠুংৰী।

চোৱাঁ আকাশলৈ কেনে ধুনীয়া।
চাৰি পাটি নেৰাঁ কিয় অসমীয়া॥
চোৱাঁ কেচু চৰাই, ডালে ডালে ৰগাই,
পখী বুলি জানো তোমাৰ নাইকিয়া॥
পাখলা উলাহে, নাচি নাচি গাহে
পৰি আছা তুমি যেনে গেৰ মেটাঁয়া॥
হৰিণা হৰিনা, চৰে এনে তেনি
তোমাৰ এনে গতি কিয় ভাগৰীয়া॥
প্ৰকৃতি অচেতন, তোমাৰ কলমটিয়ন
বাগৰা-বাগৰি কৰিছা এতিয়া॥
মিৰি গাৰো আঁকা, খামা লঠা নগা
সকলো উঠিছে নেপালী খাচিয়া।

নোগোটালে উঠি, ইবেলি এ মুঠি,
কিনো খাবা ককাই হলে দুপৰীয়া ॥
কত একাদশী, কৰিবা আউঁসা,
টানিব কিমান দিন দেহা লঘোনীয়া ॥
অথিৰ অধিৰ হবা, উটিবা বুৰিবা,
বাগিছা কুলিবো হবা মগ্নীয়া ॥
হেকৱাবা মৰ্য্যাত, নেপাহি জীৱনৰ ভাত
অজাতি বিদেশীৰ হবা বহতীয়া ॥
চোৱা বেৰে দিনি, বদৰ জিলিকনি
কাবৌতি কৰিছোঁ উঠা অসমীয়া ॥
বন্ধুৱা গীতেৰে, যুজিবা তেজেৰে,
জিকিব পাৰিলে হবা বিনন্দীয়া ॥
হাৰা যদি তুমি, হবা স্বৰ্গ গামী,
কিয় হোৱা আধা মৰা আধা জীয়া ॥
মৰিলে মৰিবা, জীয়া যদি জীবা,
কেলেপ-জেলেপ গুচি হোৱা এজনীয়া ॥

বেণুধৰ ৰাজখোৱা, বি, এ।

১০

ঝিঁঝিট—একতালা।

আহাঁ আজি (সরে) আনন্দ মনে
দুখুনী আসাম মাতৃ চৰণে,
প্ৰণিপাত্ত কৰি একান্ত মনে,
ধন্ত্ত কৰোঁ এই জীৱন।
সকলোৱে আমি একেলগে মিলি,
খিয়লা-খিয়লি পাহুৰোঁ সমুলি,
হৃদয়ৰপৰা পেলাওঁ উভালি,
কাঁইটীয়া হিংসাৰ বন।
সাহৰ জৰিৰে যেবোৱা হৃদয়,
ব'লা আগুৱাওঁ নাই একো ভয়
বিংশতি শতিকা কাৰ্য্যৰ সময়,
নেথাকিবা হৈ অচেতন।
নকৰিবা ভয় দেখি ৰণ ঠাই,
গুচুৱাঁ দুৰ্নাম গুচুৱাঁ বিলাই

পৰম ঈশ্বৰ আমাৰ সহায়
কিয় তুমি চিন্তা মগন।

বেণুধৰ ৰাজখোৱা, বি, এ।

---

১১

অহং—একতালা।

উঠা একে চিপে অসমীয়া ভাই,
বান্ধা কঁকালত টঙালি আটি।
লোৱা নীৰ সাজ, দিয়া দলিয়াই
কেঁচুৱা লৰাৰ আগৰ গাতি॥
ৰণ ধ্বজা ধৰি বলা আগুৱাই,
ভেজাল খোজত কঁপোক মাটি।
জানি লোৱা ভাই এবিবৰ হল,
শুনা খনিয়াৰ লাহৰি ছাটি॥
উঠি কাম কৰা, এৰি দিয়া তুমি,
জুগাল শুবিৰ কলা খুমটি॥
ইমানতে ভাই চোৱা চকুমেলি,
কানি খোৱা-খোৱা পেলোৱা কাটি॥

শুঁৱৰি তোমাৰ এসুৰা বিলাই,
যাৰ খোজে হায় বুকু যে ফাটি।
পেলোৱা এধাৰ আঁখি সোৰোপালি,
নেথাকিবা আৰু হাত সাৱটি
সকলোৰে কান্ধ দিয়া এক মনে,
পুৰাব ভেটিয়া দুখৰ ৰাতি ॥
নহলে নিশ্চয় অভিমান মেলি,
নেপাবা আৰু অসমীয়া জাতি ॥

বেণুধৰ ৰাজখোৱা, বি, এ।

---

১২

ঝিঁঝিট খাম্বাজ—পোস্তা।

আহা বন্ধু বাহু মেলি ৰ'ও কৰ্ত্তব্যৰ পিনে।
মাজে সজাতিৰ মাঁজে একে বাহে বাজি দিনে ॥
সংসাৰ বলিয়া শুনি, আজি এই বাঁহী ধ্বনি,
কিয় আজি সুখ বাঁহী, শুনিও নুশুনো কাণে।

বেণুধৰ ৰাজখোৱা, বি, এ।

১৩

অহং—একতালা।

উঠি কাম কৰা কামী কলি যুগ,
কামেই অমৃত কাম সুখ ভোগ।
কামৰ উদ্দেশে মানুহ জীৱন,
কাম অৱহেলা কৰিছা কিয় ?
সংসাৰী ধৰম জানিবা কাম,
কামেই তোমাৰ পুৰুষালি নাম।
পৰমাৰ্থ নাই কাম বিনে ভাই,
কামেহে তোমাৰ বান্ধৱ প্ৰিয়॥
যেতিয়া তোমাৰ কামেই জিৰণি,
যি দিনা হে কাম তোমাৰ চৌপনি।
সি দিনা লভিবা স্বৰ্গ, মোক্ষধাম,
আগতে দেখিবা জগত-জীৱ॥
ঘুৰোৱা উলাহে কামৰ চকৰি,
ঘৰ্ঘৰা, লগতে ঘোৰা খোজ কাঢ়ি।

ঘূৰিছে পৃথিবী কিবা দিন-ৰাতি,
তুমিনো জিবাব লাগিছে কিয় ?

বেণুধৰ ৰাজখোৱা, বি, এ।

---

১৪

কৃপালী—ঢিমা তেতালা।

আজি একতা, আনন্দ লতা,
লগাই কি বেধা, বগাই যায়।
জীৱন-বিৰিখ, হল ফল থিয়,
প্ৰেমৰ হেঁপাহে, সিপোনে চাই॥
বতাহৰ ছাটি, লাগি হলে গাটি,
ভয় পাই অতি থৰথৰি প্ৰাণ।
একো শঙ্কা নাই, উৎসাহৰ শিপা
মাটি খানি বহু দূৰলৈ যায়॥

বেণুধৰ ৰাজখোৱা, বি, এ।

১৫

ঝিঁঝিট—দাদরা।

আশার কুলিয়ে গায় সুললিত কু-উ গান।
ঝিঁঝি ঝিঁঝি আছে যত, লাগে কিনো চৈঁচা কাণ॥
সুখের বসন্ত-বায়, সুধীর মলয়া বায়,
দূর বাক্য এবি তাই আহি দিয়ে সুখ-জান।
নিরাশার শীত-কাল, নেথাকিব চিরকাল,
এই যে আমর ডাল, তাতে কুলি লব থান॥

বেণুধর রাজখোয়া, বি, এ।

১৬

ললিত—আড়াঠেকা।

পূরুব গগনে উষা, চোরাঁ চোরাঁ লগবায়া।
ওলাব সুখ-সূরুয কবি দিশ জেউতীয়া।
চোরাঁ আশা মিটিকায়, আক ভয়-ভ্রান্তি নাই,
জানিবা হে অন্ত হল দুখর রাতি কলীয়া॥

সুখের পূর্ব্ব কটকী, মাতিছে চরাই ডাকি,
ঈশ্বরের গুণ গাও, আহাঁ ভাই অসমীয়া।

বেণুধর রাজখোৱা, বি, এ।

---

১৭

সাহানা—ঝাঁপতাল।

আহাঁ সবে বন্ধুগণ দুখ পৰিহৰি,
কৰিবোঁ উৎসৱ সুৱে মহাৰঙ্গ কৰি।
শুভদিনে শুভক্ষণে, যত ভাই বন্ধুগণে,
কৰা আলিঙ্গন সুৱে সহোদৰ ভাৱে।
সুখে সিঁচা প্ৰীতি-ফুল মন প্ৰাণ ভৰি॥
সকলে প্ৰফুল্ল চিতে, দিয়া মন দেশ-হিতে,
দেহে প্ৰাণ থাকে যানে কৰা এই পণ।
সাধিবা দেশৰ হিত আন কাম এৰি॥

সত্যনাথ বৰা, বি, এল্।

---

১৮

সুৰ ঝিঁঝিট—পোস্তা।

বহল জগত মাজে মই অনাথিনী নাৰী।
অমাই যমাই কুৰো নাই মোৰ ঘৰ বাৰী॥

কান্দিবৰো শক্তি নাই,
মৰিলোঁ মৰিলোঁ হাঁয়,
নাইনে এজনো পুত্র নাতি মোৰ পুত্রো-কাৰী।
কণ্ঠাগত প্রাণ আজি,
বিধতাৰ কিনো বাজী,
আছিলোঁ ৰজাৰ ৰাণী, এতিয়া পথৰ মাগনী॥
মোৰ পুত্রে কত জন,
বুজি স্বৰ্গ নাৰায়ণ,
ৰুদ্রসিংহ স্বৰ্গগামী হৃদয় মোৰ বিদাৰি।
অমৰ জীৱন কিয়,
দিলা মোক জগজ্জীৱ,
মৰোঁ যেন এতিক্ষণে যদিহে মৰিব পাৰি॥

বেণুধৰ ৰাজখোৱা, বি, এ।

---

১৯

সাহানা—ঝাঁপতাল।

আহাঁৰে আহাঁৰে আহাঁ উলাহেৰে,
সকলোৰে মিলোঁ আজি মনৰ প্রীতিৰে।

একেলগে একে মনে, সকলোৰে প্ৰাণে প্ৰাণে,
বন্ধা-বন্ধি হওঁ আহাঁ মিলন জৰিবে।
পুৰণি বছৰ গ'ল, নতুন বছৰ হ'ল,
নতুন উছাহ বান্ধাঁ হিয়াত ৰঙেৰে।
বিভুপদ শিৰে ধৰি, সাহত নিৰ্ভৰ কৰি,
উন্নতি বাটত লৰাঁ মনৰ বেগেৰে।
কিনো আজি শুভদিন, বাজিছে সুখৰ বীণ,
একতা নিচান আজি উৰিছে সুখেৰে।
আহাঁহে ভকতি ভাৱে, খাটোঁ ঈশ্বৰক সৱে
হয় যেন এনে দিন বছৰে বছৰে।

চন্দ্ৰধৰ বৰুৱা।

---

২০

বিভাস—একতালা।

শুভ বছৰৰ শুভ দিন আজি,
শুভ উদ্দেশেৰে সকলো চাপিছে;
শুভ উত্তমৰ শুভফল দেখি,
উলাহেৰে হিয়া উপচি পৰিছে।

হৃদয় বীণত উলাহ মাতেৰে,
উলাহৰ সুৰ বাজে উলাহেৰে,
উলাহৰ চিন কিনো জেউতিৰে,
মুখে মুখে আজি বিৰিঙি পৰিছে।
উলাহেৰে আজি কুলিয়ে গাইছে,
প্ৰতিধ্বনি তাৰ সুৰত বাজিছে,
তালে তালে তাল বতাহে ধৰিছে,
হালি জালি জালি পদুমে নাচিছে।
উলাহেৰে আজি ফুলনি ফুলিছে,
উলাহেৰে আজি মলয়া বলিছে,
প্ৰকৃতি দেৱীয়ে উলাহতে আজি,
উলাহৰ সাজ লাহেৰে পিন্ধিছে।
আহাঁ আমি আজি ভকতি ভাৱেৰে,
ঈশ্বৰক সেৱা কৰোঁ সলাগেৰে,
যাৰ কৃপাগুণে দিনে দিনে দিনে
কুমলীয়া এই কলিটি বাঢ়িছে।

চন্দ্ৰধৰ বৰুৱা।

২১

খাম্বাজ—আড়খেমটা।

মিলেৰে আজি ৰঙতে মজি
মিলেৰে হিয়া যুৰোৱাঁ হে।
মিল মনেৰে মিল ভাবেৰে
মিল ৰসেৰে মজোৱাঁ হে॥
বলোক মিল মলয়া ধীৰ,
নাচোক আজি মিল নিজনে,
বাজোক মিল বীণ মধুৰ,
গোৱাঁহে আজি মিলৰ গান;
প্ৰাণে প্ৰাণে মনে মনে মিলেৰে আজি
মিলোৱাঁ হে।
এৰাঁহে আজি হিংসা দ্বেষ,
এৰাঁ অপ্ৰীতি এৰাঁ অমিল,
এৰাঁহে এৰাঁ কপট ৰোগ,
শিকাঁহে প্ৰেম হোৱাঁহে মিল;
হিয়াই হিয়াই আজি ( প্ৰেমৰ বাজ )
বঢ়োৱাঁ হে॥

চন্দ্ৰধৰ বৰুৱা।

২২

খাম্বাজ—চৌতাল।

উদিছে সুদিন কিবা শুভদিন
হেরো হেরো আজি জুড়াক নয়ন।
নতুন সুরেতে নতুন তানেতে
উথলেছে বাজে হৃদয়ের বীণ॥
স্বরগের পরা ঢালিছে সুতান
শান্তি সুধাময় সুমধুর গান
নতুন গৌরবে জাগে বিভাকর
নব সাজ ধরি শোভিছে গগন।
ফুলনিয়ে আজি কিবা উথলেছে
নব সাজ পিকে নতুন কুহরে
নব মলয়াই বহেছে বিলায়
নতুন কুসুম ঘ্রাণ বিতোপন।
নতুন বরেতে নতুন নাচেতে
শোভিছে জগৎ নতুন সাজেতে
সুমঙ্গলময় দিন সুখময়
হেরো হেরো আজি জুড়াক নয়ন॥

চন্দ্রধর বসাক।

২৩

ইমনকল্যাণ—তেওরা।

গম্ভীর রাগিণী মোহন সুর ধরি
বাজাঁ বাজাঁ আজি হিয়া বীণ।
গোৱাঁ গোৱাঁ সম্মিলন সুখ গান
বাজাঁ সাজি হিয়া বীণ।
আজি মঙ্গল মোহন মধুর অতি সুন্দর
বিতোপন দিন;
নাই হিংসা দ্বেষ, বাজিছে বঙ্গেবে
সুহৃদ-মিলর প্রীতির চিন।
প্রাণে প্রাণে মিলি আমি হওঁ আজি লীন;
জীৱন জুৰি পৰাণ ভৰি
থাকে যেন এনে চিন॥

চন্দ্রধর বরুয়া।

---

২৪

টোড়ি ভৈরবী—কাওয়ালী।

আজি মিলন সঙ্গীত গোৱাঁহি।
মিল মন মিল ভাবে সবে মিলাঁহি॥

হিংসা দ্বেষ পাহবি ;
আহঁা মিলেবে সবে মিলাঁহি
আহি মিলেবে
নব ভাবেবে, একতা ডোলে, বান্ধাহি সবে
মিল মনে, মিল প্রাণে, মিলাঁহি সবে ॥

দেবেন্দ্রনাথ বৰুৱা।

---

২৫

অহং—একতালা।

উঠা উঠা উঠা সবে
নিদ্রিত আসাম জগাওঁ আজি।
বীৰৰ তেজে, বীৰৰ সাজে, ওলোৱাঁ সকলো
ওলোৱাঁ সাজি ॥

কোমলাঙ্গবা আসাম জননী
যুগে যুগে হোক বীৰ-প্ৰসবিনী,
আনন্দে মাতোক বিহঙ্গ কুল,
জননী আসাম নিচেই দুখীয়া,
দুখীয়া সন্তান আমি অসমীয়া,

কোন দিনা হাঁয়! গুছিব যাতনা,
কেতিয়া পুৱাব দুখৰ ৰাতি ॥
দলে দলে মিলি উলাহ মনে,
উঠোঁগৈ আহাঁ উন্নতি সোপানে,
জীৱন যুজত প্ৰফুল্ল মনে,
দিওঁ আহাঁ সবে জীৱন বলি ॥

বিনন্দি ৰাম।

২৬

খাম্বাজ—ঢিমাতেতালা।

আজো মেৰে প্যাৰা মাই
ভুখামে মৰ্‌গেইওঁ ৰে।
ভুখামে মৰগেইওঁৰে মেৰে
গৰাব আসাম মাইৰে ॥
নাহি নিকলে মুঁমে ৰাত্
জান যায়েগা থোৰি বাদ্
কোনি কাম কৰো বত্‌লাও
কাঁহা দানা মিলেৰে ॥

বেণুধৰ ৰাজখোৱা, বি, এ।

২৭

মিশ্ৰ ঝিঝিট—কাওৱালী।

উঠাহে অসম মাতৃ, শুনা শুনা
একেৰি আশা কথা।
তোমাৰ বিলাই যাব, জানো বাঢ়িব
সৌভাগ্য লতা॥
দুৰ্গতি দেখি এনেকুৱা, অসমীয়া,
আজি উঠিছে, এৰিছে কাল নিদ্ৰা,
তেও যেন যায় বুকু ফাটি,
বাগৰি যায় শোক বায়ু ছাটি,
কান্দোতে পৰে চকুলো ধাৰি,
দেখোঁ হেৰা কিবা আশা-কণা।
চোৱাঁ চোৱাঁ মাতৃ দুখুনী উঠি তোমাৰ সন্তান
গাইছে উদ্দপনি-গীত, সকলোৱে আজি
এটি প্ৰাণ;
একভাবে বন্দী হবলই লাহেকই
সাজি ধৰিছে হৰিষে শুভ জৰী,
জানো অসমীয়া তাকে বৰি

পেলাব পাৰে আগলই ভৰি,
উঠাহে মাত্‌ কৰোঁ কাকুতি
দেখোঁ হেৰা কিবা আশা-কণা।
আজিকে জাতীয় প্ৰেম-ৰস হিয়া
বিয়লি বিয়লি জোৰে,
সুঁৰৰি অতীত পাপ সহে যাতনা
গুকুভলি পোৰে,
এই যে অসমীয়া বোৰে, চকুলোৰে,
দেহা তিতাই ফুৰে বিৰ্জিয়া ভাৰে।
ধৰা মোৰ কথা এই ফেৰা,
কাকৌটি কৰোঁ শোক-পাটি এৰা,
উঠাহে উঠা চেনেহী আই,
দেখোঁ হেৰা কিবা আশা-কণা॥
বেণুধৰ ৰাজখোৱা, বি, এ।

---

২৮

খাম্বাজ—ঠুংৰী।

মুঠিবানে হেৰা তুমি অসমীয়া ?
পৰি আছাঁ কিয় টোপনি-ৰছীয়া ?

সমস্তে পৃথিৱী আজি মতলীয়া,
স্বজাতি প্ৰেমৰ ভাৱে ভৰা হিয়া।
নিজাসুখ এৰি জাতীয় উন্নতি,
সাধিছে সাহেৰে স্বাৰ্থ কৰি কাতি,
একতা ডোলেৰে সমাজ বান্ধিছে,
গাইগোটা কথা সমূলি এৰিছে,
দৰ্প অহঙ্কাৰ আজি পাহৰিলে,
চোৱা সকলোৰে কেনে মন্ত্ৰ দিলে,
তুমি চেৰ পৰি থাকা অসমীয়া
এই মন্ত্ৰ যদি এতিয়া নোলোৱা,
একোৰে ডুবীয়া নাছিলা যে তুমি,
জ্ঞানে ধনে তেজে শোভিছিল ই ভূমি,
ভাৰতে যেতিয়া আন্ধাৰত আছিলে,
প্ৰাগ্‌জ্যোতিষপুৰে জ্ঞান বিলাইছিলে ;
যি দিনা ভাৰতৰ স্বাধীনতা কাঢ়ে,
তুৰুষ্কয় কৰি মহতালি ভৰে,
তেতিয়াও তুমি প্ৰতাপী আছিলা,
ৰণত আঁতৰাই শত্ৰুক ৰাখিছিলা।

এতিয়া নো তেনে কিহৰ তোমাক পালে,
কিহেনো ভুৰুকা কামীয়া কৰিলে ?
বাস্তৱতে হেৰা, এবাৰ ভাবি চোৱাঁ,
জাতি সুবিধা সকলোটি পোৱা,
উচ্চ হিন্দুধৰ্ম্ম সামাজিক নীতি,
হিন্দু মুছলমানে ভাবে-ভৰা প্ৰীতি।
এতেকতে হেৰা উঠাঁ অসমীয়া,
মানুহৰ চিনাকি এতিয়াও দিয়া,
এটি দুটি কৰি যেতিয়া উঠিব,
পৰি থকা জাতি জিলিকি পৰিব।
অসমীয়া নাম, বাখা অসমীয়া,
সোৱঁৰা সুদিন খিয়াতি বঢ়োৱাঁ
জাতীয় তেজেৰে দেশ বিয়পোৱাঁ,
শত শত বীৰ তেজস্বী বঢ়োৱাঁ।
জনমোৱাঁ আকৌ লাছিত বৰফুকন,
জ্ঞানী যশোমানা বজা নৰনাৰায়ণ ;
বীৰদৰ্পে দেখা দিয়ক গদাধৰে,
ধৰ্ম্মনীতি শিক্ষা দিয়ক শ্ৰীশঙ্কৰে,

লুকোৱা নাৰব আকৌ জ্বলোৱা,
অসমীয়া নামে জগত পোহৰোৱা।
উঠা উঠা তেনে মাতো কাবৌ কৰি,
অপূর্ব্ব গৌৰবে অপেক্ষিছে বেৰি,
এবেলি চিনাকি দিয়া সকলোৰে,
কেনে তেজী জাতি আছিলা প্রত্যেকে।
অসমীয়া নাম বাখা ইতিহাসত,
মনুষ্যত্ব তেজ ৰাখা ই জগতত।

দোৱেশ্বৰ চলিহা।

---

২৯

অহং—একতালা।

আ, আ এৰা ভাই ! এৰা সোৰোপালি,
খোৱা পোৱা খোৱা আলাহ-নিহালি ;
উঠা গিৰসাই কৰা নিজ কাম,
আতবোৱা হেবা দুখৰ কুৱঁলি।
নেথাকিব জাব নেথাকে ভাগৰ,
দূৰত্তেই হ'ব শতুক আঁতৰ,

ভগা পজা শুচি হ'ব পকাঘৰ,
কৰ্ত্তব্য আগত সবে যাব চলি।
সুবুদ্ধি মুখেৰে একো নাইকিয়া,
কৰা উলাহেৰে হাতেৰে কাম,
দুদিনৰ পাচে দেখিবা সাক্ষাতে,
নেথাকে তোমাৰ অভাব সমুলি।
কিয় লাগে ধন? মেলি দিয়া মন,
তেনে মনে কৰা কাম অবিৰাম,
একতা ডোলেৰে মিলা ভায়ে ভায়ে,
লোৱাঁ মাথোঁ, ধনে আছে আশা পালি।
এডাল ডোলেৰে এজনা ঈশ্বৰে,
বান্ধিছে জগত জানা অবিৰত,
তেনে হ'লে ভাই! থাকি একেলগে,
ঈশ্বৰৰ কাম কৰা মিলিজুলি।
দিয়াঁ এৰি হেৰা জুহালৰ গুৰি,
জাৰ, ঘাম, ভয় খোৱাঁ কাতি কৰি,
দিনে দিনে দিন যাবই লাগিছে,

নোপোৱাঁ নোপোৱাঁ কৰি আজি কালি।
ঘৰতে সকলো ধনবস্তু আছে,
বিচাৰি মাথো লোৱাঁ উলাহেৰে,
আলাহ-জাৰত চেঁচাপানী ঢালি,
দিয়া, গুচি যক ভাৰ মহভালি।

গোলোকচন্দ্ৰ বৰুৱা।

---

৩০

কেদাৰা—চৌতাল।

কিয় নো পাহৰাঁ, অসমীয়া হেৰা,
চিৰকাল তুমি আছিলা স্বাধীন।
ভাৰতৰ মাজে তোমাৰ জননী
বাৰ-পসৰিণী আছিলে এদিন।
প্ৰকৃতিয়ে নিজে আসাম গঢ়িলে
কামা ভূমি পাতি আদৰি ৰাখিলে।
প্ৰকৃতিৰ নন্দ মুনি মনোৰম,
ক'ত আছে এনে আসাম সমান॥

ভগদত্ত বাণে কুমাৰ ভাস্কৰে,
চক্ৰধ্বজ আদি আৰু কত বীৰে,
অখণ্ড প্ৰতাপে মেদিনী কঁপালে
অসমীয়া জাতি আছিলে প্ৰধান ॥
মাধব শঙ্কৰ, অক্ষয় কীৰিতি,
বেদগান গালে কবি সৰস্বতী ;
. সকলোকে আজি পাহৰিলা তুমি,
এলাহে ভাগৰে হ'লা অচেতন ॥

ৰাধানাথ ফুকন, এম্, এ, বি, এল।

---

৩১

ইমন ভূপালী—একতালা।

কিয় কিয় কিয় কাঁন্দা দুখুনী জননী হে
তোমাৰ সোণামুৱা, ল'ৰা এনেকুৱা,
এৰিছে চৌপনি হে ॥
ভগা ভগা মাত, গালে-মুৰে হাত
আউলী-বাউলী হে।

হ'ব তোমাৰ ভাল,　　　পুত্ৰ পৰিয়াল,
　　কৰিছে যতন হে।
আশা-কানি আনি,　　　মোহাঁ চকু-পানী,
　　আজলী নিচলী হে।
চোৱাঁ চকু মেলি,　　　শত ল'ৰা মিলি,
　　কৰে আয়োজন হে।
জানি লবা আই,　　　তোমাৰ বিলাই,
　　আৰু নেথাকিব হে।
অধম সন্তান,　　　ছিলোঁ এতে দিনে,
　　টোপনি-মগন হে।
মোহ নিদ্ৰা গ'ল,　　　কাল মায়াজাল,
　　ছিগিছে ভাগিছে হে।
আথে বেথে ধৰাঁ,　　　তোমাৰ যত ল'ৰা,
　　লোৱাঁ আঁকোৱালি হে।
মূৰত চুমা খাই,　　　দিয়াঁ পঠিয়াই
　　শুভ লগ্ন চাই হে।
যাব কৰ্ম্ম-থলী,　　　আনিব বুটলি
　　সৌভাগ্য-টুপলি হে।

বেণুধৰ ৰাজখোৱা, বি, এ।

৩২

ভৈৰবী—ঢিমাতেতালা।

আজি অকলে অকলে কান্দিছোঁ নিৰলে
ভাৰতৰ এচুকে বলিয়া বতিয়া।
আজি নাইনে হে মোৰ, ই বিষাদ ঘোৰ
গুচাবলৈ কোনো লৰা অসমীয়া॥
আজি যায় চাৰিপিনে যত আছে মানে
উন্নতিৰ বাটে মোৰ লগৰীয়া।
আজি পিছ হলোঁ মই অকলই হাঁয়
লগত যাবলৈ কোনো নাইকিয়া॥
আজি এই ঘোৰ বনে বাখে মোক কোনে,
মৰিলোঁ মৰিলোঁ নাই আশা-জীয়া।
আজি চিত্ৰৰ বাঘৰ কৰে ভয়ঙ্কৰ
হাবিৰ মাজত জন্তু বনৰীয়া॥
আজি চোৱাঁহি এবাৰ মোৰ হাহাকাৰ
আহাঁ অসমীয়া সোনাই ধুনীয়া।
আজি খাবৰ জীৱৰ বহু আশা মোৰ
চক্ৰ পচাবাত হব নাইকিয়া॥

আজি মোৰ লৰা-নাতি অসমীয়া জাতি
য'তে য'তে আছা, আহি দেখা দিয়াঁ।
আজি চিত্ত-ভেদী মাত, শুনিছাগৈ তাত
নকৰি গহৰি, আহি ধৰি নিয়াঁ॥
আজি তোমাৰ এই আই, কান্দিছে বিনাই,
চোৱা দীন দশা, অৱস্থা দুখীয়া।
আজি সঙ্কটৰ মাজে অনাথিনী সাজে
চেনেহি-জননী অকলসৰীয়া॥

বেণুধৰ ৰাজখোৱা, বি, এ।

৩১

বাগেশ্ৰী কানেড়া—আড়াঠেকা।

কোনেনো বজাব বীণা, কোনেনো ধৰিব তান,
জাতীয় উলাহে আজি কোনেনো ধৰিব গান।
ভীষ্ম ভীমাৰ্জ্জুন বীৰ, দ্ৰোণ কৰ্ণ যুধিষ্ঠিৰ
অতীত গৌৰব আজি, কোনেনো ৰাখিব মান।
জননী জনমভূমি, পৰভোগ্যা পৰাধিনী,
প্ৰতাপ শিৱাজী হবে কোনেনো অৰ্পিব প্ৰাণ!

সিংহদত্ত দেৱ অধিকাৰী।

৩৪

অহং—একতালা।

কিয় আছা অসমীয়া এলেহুৱা হই,
মিছাতেই কৰিবা,কি এই দেহ ক্ষয়?
ধৰাহে জাতীয় গান, এৰাহে বিৰহ তান,
একতাৰে বাঁধা প্ৰাণ, এয়েহে সময়।
সোনৰ অসম দেশ, স্মৃতি মাত্ৰ অবশেষ,
উঠাহে নতুবা আজি ইও হব লয়।

সিংহদত্ত দেৱ অধিকাৰী

# দ্বিতীয় অধ্যায়।

## ধর্ম্ম-সঙ্গীত।

### ১

ইমন-কল্যাণ—একতালা।

জয় জগ বন্দন, কৃতান্ত-বারণ
ভবভয়হারী, দেব দিগম্বর।
মুনীন্দ্র-রঞ্জন, দুরন্ত মর্দ্দন
মোহান্ধ-বারণ, হর মহেশ্বর।
অচল অটল অজর অমর
যোগ জ্ঞানময় সুধীর গভীর;
কল-কল্ ঢল ঢল্ গঙ্গাভার-ধর
করহে করহে দয়া তাপিত কিঙ্কর।

চন্দ্রধর শর্ম্মা।

২

ভূপ-খাম্বাজ—একতালা।

দুখী দীন তারণ, দুষ্ট দমন
ভকত-চিত রঞ্জন।
তাপ হারী বন-বিহারী
বিপদ ভয় ভঞ্জন॥
নবজলধর শ্যাম মূরতি
বাল-অরুণ-কিরণ-ভাতি,
অগতির গতি, ত্রিজগত পতি
তুঁহি পতিতপাবন।
সঙ্কট-হর করুণা-কর
জীব জনম কারণ,
অনাথের নাথ, পরম ঈশ্বর
প্রণমো তব চরণ॥

রাধানাথ রুক্ষন, এম্,এ, বি, এল।

৩

টোৰি টিমাতেতালা।

জয় দুৰ্গা দুৰ্গতি নাশিনী,
হে বিপদ তাৰিণী।
আপদ-নিস্তাৰিণী, তাপক্ষয়-কাৰিণী,
সন্তাপহাৰিণী, পতিতপাৱনী
মিলিলে অপায় নবে শান্তি-ছায়া-দায়িনী॥

লক্ষীৰাম বৰুৱা।

---

৪

ভৈৰৱী— একতালা।

হৰি, ভাবোঁ তোমাৰ চৰণ দুটি
বাধা তযু পায়।
কুবোঁ বাট হেৰুৱাই দিয়া দেখুৱাই॥
পাপতে নিৰত মন, পাপে নিমগন প্ৰাণ
দয়া কৰা দযাময মোহ গুছুৱাই॥

ভৈৰৱচন্দ্ৰ বৰুৱা।

৫

ভৈৰবী—ঢিমাতেতালা।

জয় জয় কৃষ্ণ গোলোক বিহাৰী,
দয়াময় দেহিমাং দেহিমাং
চৰণ যুগল পঙ্কজ হৰি।
দৈত্য বিনাশন কালীয় দমন
জয় জনাৰ্দ্দন হৰে মুৰাৰী
কৰা কৃপা প্ৰভু পতিত পাবন
ভকত জন ভয় কাৰণ হাৰী
জগদীশ নাৰায়ণ জয় জয় হৰি।

কনকলাল বৰুৱা, বি, এল্,

---

৬

পূৰবী—আড়াঠেকা।

ভৱ সাগৰত পৰি কিয় ভোলা হলা মন।
ধৰ্ম্ম পুণ্য বাট এৰি, পাপক সাথুটি কৰি
কিয় ফুৰা সদায় লৰি পাপতে হই মগন।

সৌরবা নিজৰ দেশ, ভজো মন পৰমেশ

সত্য জ্ঞান পূর্ণব্রহ্ম জগত আদি কাৰং

অজ্ঞাত

---

৭

ইমনকল্যান—তেওরা।

(প্রভু) কৰিছোঁ কাকুতি দিয়া শুভ মতি

দয়াৰ সাগৰ হৰি,

সকলো অসাৰ, একমাত্র সার

দিয়াছে চৰণ-তৰী।

মনে বল দিয়া কুপথ এৰিয়া

সজ পথে যাতে চলোঁ

তোমাৰ বচন পালোঁ

(আজি) তযু পদে সেবোঁ হৰি॥

গিরীশচন্দ্র নবকীং

৮

ঝিঁঝিট খাম্বাজ—একতালা।

ভজো হে মন নারায়ণ
অনাদি পতিত কারণ।
শঙ্খ চক্র গদা পদ্ম
কমল করত ধারণ ॥
অপার করুণা বিতরি আগে
ব্রহ্মাণ্ড পালন একহি ভাগে
সৃজন পালন নিধন কারণ জগত তারণ ॥
অনন্ত শয্যাত জগত স্বামী,
লক্ষ্মীপতি অন্তর্যামী
কটাক্ষে গোচর অপায় খণ্ডন
প্রমাদ ভঞ্জন ॥
ব্রহ্মা হরে বন্দি নপারে মন
নিত্যানন্দ জগত কারণ
নমো নিরঞ্জন দানব গঞ্জন
ভকতরঞ্জন ॥

পদ্মনাথ বরুয়া।

৯

বেহাগ খাম্বাজ—একতালা।

মনের বিকারে, চিন্তার সাগরে
আকুল হৈলোঁহে হরি।
দিয়াহে সুমতি ঘুচোক দুর্গতি
জীবন্তে আছোঁ মরি॥
হরা যত দুঃখ, দিয়া শান্তি সুখ
সুখে দুখে যেন প্রফুল্লিত মুখ।
তয়ু কৃপাগুণে, সংসার অরণ্যে
সুপথ দিয়া বিচারি॥

লক্ষ্মীনাথ বরা।

---

১০

বাগেশ্রী—আড়াঠেকা।

দিবা দরশন প্রভু দিবা দরশন,
চাওঁ যদি মেলি মই হৃদয় দাপোন।
পারাহীন কাচ প্রায়, অকামিলা হিয়া-তাপ,
তাতে তরি পাপ-ছাই আছে অগণন

নকৰিলে নিজগুণে, নিকা তাক কৰে কোনে?
তাৰোঁতা তোমাৰ বিনে নাই নাৰায়ণ।
পাপৰ মূৰুখ মতি নেজানো ভকতি স্তুতি,
ভৰসা-কেৱল দুটি অভয় চৰণ॥

দুৰ্গাপ্ৰসাদ দত্ত।

---

১১

সাহানা—ঝাঁপতাল।

হৰি পদ চিন্তা কৰা হই এক মন।
হৰি পদ চিন্তা বিনে বিফল জীৱন॥
দুৰ্ল্লভ মনুষ্য তনু, লভিছ কথম্পি পুনু
হেৰালে নেপায় আৰু যাব অকাৰণ।
হৰিৰ পদকে নিতে, চিন্তাকৰা শুদ্ধচিতে
হৰিহে সৰাবো গতি জীৱন মৰণ॥

দুৰ্গাপ্ৰসাদ দত্ত

১২

আলেয়া--ঝাঁপতাল।

তরিলো বেটায়ে প্রভু, তবু দয়া পাই।
তোমার দয়ার হরি আদি অন্ত নাই।
তোমার পদেতে মতি, থাকে যেন দিনে রাতি
তোমারে চরণ ভাবি দিন যেন যাই;
তোমারে প্রেমেতে পড়ি, তোমারে চরণে ধরি
থাকো যেন মহারঙ্গে ভক্তি মধু খাই॥

দুর্গাপ্রসাদ দত্ত।

---

১৩

সাহানা--ঝাঁপতাল।

কিহেবে পুজিম প্রভু। সকলো তোমার,
তোমার গুণকে করে জগতে প্রচার।
অনাদি অনন্ত তুমি, মহিমা অপার
নিচেষ্ট নিচলা আমি কি আছে আমার?
নিজর শরীর তাতো নাই অধিকার,
তোমাকে তোমার বস্তু দিউঁ উপহার।

দুর্গাপ্রসাদ দত্ত।

১৪

সাহানা—ঝাঁপতাল।

নিচিনি তোমাক প্রভু! অকাণ্ড কৰিলোঁ মই ;
মৰষি দাসীৰ দোষ, গুচোৱা মনৰ ভয়।
তুমি নেতাৰিলে মোক, তাৰে কোনে দয়াময় ?
আজলী তিৰীৰ মতি, সদায় পাপত ৰতি,
কেৱল তুমিহে গতি, জানিছোঁ কৰুণাময়।
তযু পাদ পদ্মে যেন সদা মোৰ মন ৰয়॥

দুৰ্গাপ্ৰসাদ দত্ত

---

১৫

ভৈৰবী –মধ্যমান।

থিত হোৱা আহি আই, মোৰ হৃদয়ত,
দুখ পাহৰিম পালে তোমাক বুকত।
হৃদয়ত নজৰাই হৰষিত হই আই
তযু ভক্তি সুধা খাই, মজিম প্ৰেমত॥

দুৰ্গাপ্ৰসাদ দত্ত

প্ৰাণৰ ঈশ্বৰ আহি, হৃদয়ত বহিবহি
একেটি সৌভাগ্য কিয় নকৰা যতন।
ভকতি ফুলৰ মালা, ভৰি লোৱা হৃদি থালা,
ওলালেহি প্ৰাণেশ্বৰ কৰিবা অৰ্পণ॥

দুৰ্গাপ্ৰসাদ দত্ত।

---

২০

বাউল সুৰ—একতালা।

কি বুলি তাৰ দিওঁ পৰিচয়;
তেওঁ দয়া নিধি, প্ৰেমৰ বাৰিধি,
দেখিলে নয়ন শীতল হয়।
কোটী সূৰ্য্য গোটালেও তুলনা নহয়;
আকাশ বিয়াপি আছে হই জ্যোতিৰ্ম্ময়॥

দুৰ্গাপ্ৰসাদ দত্ত।

---

২১

জয়জয়ন্তী—ঝাঁপতাল।

চোৱাঁ কেনে প্ৰকৃতিৰ শোভা বিভোপন
গাওঁ আঠা বিশ্ববাসী, বিভু-যশ-গান।

উদলাই হিয়াতলি দিওঁ ভক্তি পুষ্পাঞ্জলি,
পূজোঁ প্রেম উপহাবে বিভুৰ চৰণ ॥
নমোঁ হে অখিল স্বামী, অগিয়ানী নৰ আমি,
নেজানো করুণাময় ভজন পূজন।
পালোঁ যেন মহাব্রত, দিয়া বল হৃদয়ত,
কৰিছোঁ গোহাৰি বিভু! কমল লোচন।

ৰঘুনাথ চৌধাৰী।

---

২২

বেহাগ—একতালা।

মাতিছোঁ শ্রীহৰি কৰি কৰজোৰ।
আহাঁ হৰি কৃপা কৰি হৃদয় মন্দিৰে মোৰ ॥
বিবুধি সাগৰে পৰি, মাতিছোঁ কাতৰ কৰি,
নেৰিবা তোমাৰ দাসে দেখি পাপী মহাঘোৰ ॥
নিজগুণে দয়া কৰি, তাৰাঁ মোক দয়াল হৰি,
অভয় চৰণে সঁপি দিলোঁ কায়-মন মোৰ ॥

সত্যনাথ বৰা, বি, এল।

২৩

বেহাগ—আড়াঠেকা।

কি আছে সংশয়।
হরি যার জন্মদাতা তার কিবা ভয়॥
শমন শিয়রে যার নাম শুনি,
তেওঁ বিদ্যমান অখিল অবনী,
পরিলে প্রমাদে মাতিবা কাতরে,
তারিব আহি নিশ্চয়।
যদি যমে দরে, সুককণ স্বরে,
কান্দি নিবেদিবা যত মনে ধরে,
দয়ালু জনক তেতিক্ষণে আহি দিবেক অভয় প্রাণে;
কত মহাপাপী সংসার তরিছে
বিভু কৃপাগুণে মুকুতি লভিছে
মাতা সবে মিলি করিয়া কাকুতি বুলি হরি দয়াময়॥

সত্যনাথ বরা, বি, এল।

২৪

আড়ানা-বাহার—একতালা।

কিমতে জনাবোঁ মর যাতনা যত অন্তরে।
দহিছে হৃদয় তনু মহা পাতক-নিকরে॥

অমৃত ভাবিয়া, গরল ভক্ষিলোঁ।
নিচিনিলোঁ। নব চক্ষুৰে।
এতিয়া প্ৰভু, সহিব নোৱাৰোঁ
পুৰিব ধৰিছে হৃদয়ে।
তুমি কৃপাকৰি, আপোনাৰ গুণে,
দিয়া পাৰ ভব সাগৰে॥

সত্যনাথ বৰা, বি, এল।

---

২৫

বাগেশ্ৰী—আড়াঠেকা।

করুণা বিতৰি প্ৰভু দিয়া শান্তি পদ ছায়া।
মঙ্গল মলয় আনি কৰা শুদ্ধ পাপ হিয়া॥
দিয়া জ্ঞান শুভমতি, কাকুতি কৰিছোঁ অতি,
সংসাৰ অৰণ্যে আজি সুপথ দেখুৱাই দিয়া।
আমাৰ উদ্দেশ্য ভক, কুশলে ৰাখিবা হৰি
তোমাৰ কৃপাত যেন দিবে ভাব বাঢ়ে কায়া॥

সত্যনাথ বৰা, বি, এল।

২৬

ভৈরব—ঠুংরী।

জয় দীন তারণ, প্রভু নারায়ণ,
স্তুতি নতি করো কিরূপে হে।
আমি সরে অতি, ক্ষীণ মূর্খ জাতি,
কৃপা বিতরণ করিবা হে॥
কর্ম্ম-চক্র ঘূরি, হেরো চক্রধারী,
মারিছে আমার পরাণ হে।
দীনহীন জানি, সিঁচি দয়াপানী
রক্ষা করো ভগবান হে॥

বেণূধর রাজখোয়া, বি, এ।

২৭

বাউল সুর—একতালা।

হরি, কর্ম্ম-নদীর মাঝের পরা তাঁরবা হবেলি।
তুমি নতাবিলে তারে কোনে হেরো বনমালী॥

নাই বুদ্ধি বল মোৰ, মুঠে নেজানোঁ সাঁতোৰ,
মোকে উদ্ধাৰিবা প্ৰভু আজি, কৰোঁ কৃতাঞ্জলি।

বেণুধৰ ৰাজখোৱা, বি, এ।

---

২৮

সিন্ধু খাম্বাজ—মধ্যমান।

ভক্তি আঞ্জলিৰে পূজোঁ প্ৰভু নাৰায়ণ।
আজি এতেদিনে আশা দিয়ে, দৰিশন॥
মনৰ কুঁৱলি গল, আশাৰ পোহৰ হল,
আশা-ভৰা প্ৰাণে হৰি কৰোঁ আৰাধন॥
আশা কন্যা লয়-লাসে, নাচে হেৰা কাষে কাষে,
কি আনন্দে পূজো আমি হৰিৰ চৰণ॥

বেণুধৰ ৰাজখোৱা, বি, এ।

---

২৯

মিশ্ৰ মুলতান—ঢিমাতেতালা।

লোৱাহি আনিছোঁ আজি, অতি যতনেৰে সাজি,
আনিছোঁ সাদৰে দেৱী ভক্তি উপহাৰ।

হৃদয় আসন যুৰি, উপচি পৰিছে চোৱা,
লোৱা দেবী ভক্তি পুষ্পহাৰ।
আকাশে নাচিছে তাত পোহৰ সুন্দৰ
শীতল কৰিছে মলয়াই,
প্ৰীতিৰ অঞ্জলি লোৱাঁ, শ্ৰীচৰণ দুটি থোৱা,
ঢালিব খুজিছে প্ৰেম-ধাৰ,
লোৱাহি লোৱাহি চোৱাঁহি নিয়াহি
সকলোৰে ভকতি হিয়াৰ;
তুমি শকতিৰ ফল, তুমি মিনতিৰ থল
তুমি ভকতিৰ বল জুৰণি হিয়াৰ॥

দুৰ্গেশ্বৰ শৰ্ম্মা, বি, এল।

---

৬০

ভূপালী—টিমাতেতালা।

ধীৰ মলয়া বহিছে পুৱা,
গাওঁ সবে আহাঁ প্ৰভুৰে গান।
ফুলে ফুলে দেখা, যাৰ নাম লেখা,
যি জনৰ স্ৰষ্টা ই বিশ্বধাম।

কোটী চন্দ্র জৰা, হোৱে যাৰ পৰা,
যাৰ নামে বয় প্ৰেমৰ নিজৰা ;
যি জনৰ নামে, নাশে মৃত্যু জৰা,
ই হেন প্ৰভুৰ অমৃত নাম।

লক্ষেশ্বৰ শৰ্ম্মা, বি, এ।

---

৩১

ইমন বিভাস—আড়খেমটা।

জিয়া দেখি পোহৰ সুন্দৰ।
আহাঁ কমলিনী আহাঁ বীণাপাণি,
বোৱাঁ মধুৰ বীণা মনোহৰ।
লোৱাঁ ভক্তি মোটক ধাৰ,
হৃদয় আসন চৰণ সেৱন
প্ৰীতি ফুল উপহাৰ
কৰা কৃপা বিতৰণ কৃপাময়ী
জিয়া দিয়া হিয়া পোহৰাই
আহাঁ বাধাজিনী তমোহাৰিণী
হৰাঁ হৰাঁ তম তনয়ৰ॥

চন্দ্ৰধৰ বৰুৱা।

৩২

সিন্ধু-খাম্বাজ—একতালা।

( আজি ) গাওঁ আহাঁ সকলোৱে জয় বিভু জয়।
লাগ চকু লো ব'ক, প্ৰেমে হিয়া উথলক,
বোলা সবে জয় জয় জয় বিভুজয়॥

গুচোক গুচোক পাপ
দূৰ হোক শোক তাপ
বিমল হওক মন
বোলা বিভু জয়।
আমি অতি হীন মতি
তুমি অখিলৰ পতি
কি মতে কৰিবোঁ পূজা
তুমি ব্ৰহ্মময়।
কৰাঁহে কৰাঁহে দয়া
কৰোঁ কোটি কোটি সেৱা
কৰা কৃপা নিজগুণে
প্ৰভু কৃপাময়॥

চন্দ্ৰধৰ বৰুৱা।

৩৩

মিশ্র খাম্বাজ—কাওয়ালী।

হরির নাম কি মধুর কি মধুর কি মধুর।
মধুময় হরির নামে মন প্রাণ করে জুর।
হরিপদ শিরে ধরি, বোলাহে মন হরি হরি,
পাবা তুমি পরম গতি ভব দুখ হ'ব দূর।
হরির প্রেমত গ'লি নাচি নাচি বাহু তুলি
বোলা আজি হরি হরি হরির নামটি সুমধুর।

চন্দ্রধর বরুয়া।

---

৩৪

সিন্ধু খাম্বাজ—দাদরা।

আহাঁ প্রাণসখা আহাঁ প্রাণে,—
(তুমি) হিয়া জুরি আছা প্রেমর-মুরতি
মোহিছা মোহিনী তানে।
জগত তোমারে ভরা তুমি-ময় জোন তরা
কপহি হাঁহিটি তোমারে হে দেখোঁ
যেনি চাওঁ ত্রিভুবনে।

বতাহে কটকি হই
(সখা) তোমার বাতবি দিলেছি জাননী
তোমোরা লগতে লই—
(সখা) মলয়া ছাতিয়ে জুবালে হৃদয়
তোমারে প্রেমর গানে।

নবীনচন্দ্র বরদলৈ, বি, এল।

---

৩৫

কীর্ত্তন—একতালা।

সংসারর মাজে অমৃত তুমার
আমি অতি ক্ষুদ্র নর।
ধূলি খেমালীর ই পাপ শরীর
তুমি পিতা জগতর॥
সংসারর বালি সংসারর ধূলি
সংসারর পাপ তাপ।
সকলোরে হায়! খায়, প্রাণ যায়
দিয়া শান্তি দিয়া নাথ॥

৺কৃষ্ণপ্রসাদ আগরৱালা

৩৬

মিশ্র মুলতান—টিমাতেতালা।

করাহে করুণা হরি, দিয়া তবু পদতরী,
অপার সাগরে পরি দেখা নাই পার।
তোমার চরণ বিনে নিরুপায় ই জীবনে
পদ-তরী দিয়াছে এবার।
মানস কুসুমে মই, তোমার চরণ
পূজো হেরা সর্পি মন-প্রাণ—
কি আছে কি দিব হায়, অধমর একো নাই
করো মাথো ভক্তি-পুষ্প হার।
উদ্ধারা হরিহে, মাগোঁহে, অভয় চরণ করোঁ সার;
তুমি জগতর প্রভু, তুমি বিপদর বন্ধু
দেশ দেশান্তরে দেখোঁ মহিমা তোমার।

মাণিকচন্দ্র হাজরিকা।

---

৩৭

সাহানা—ঝাঁপতাল।

দয়াল হরি রাখা আজি চরণ তলে।
নসয় প্রাণে প্রভু আরু সকলো গঁলে।

৪০

সুরট মল্লার—একতালা।

কোনেনো জানে কিবা প্রয়োজনে
ই ঘোর অরণ্যে আছিলোঁ মই।
রাধিকা রঞ্জন বিপদ ভঞ্জন
জানা সকলোকে প্রভু দয়াময়।
সুমধুর রাম নামামৃত পানে
মত্ত মোর প্রাণ নেযায় অন্য পিনে
হরিপদ ভাবি ফুরোঁ রাবি হাবি
গতি গতি মোর হরি পদাশ্রয়॥

বিনন্দিরাম।

---

৪১

ভৈরবী—একতালা।

পরিণাম পাহরি, মায়াজালে পরি
অনুতাপানলে দহিছে প্রাণ
অতি দূরে দূরে পর্ব্বত কন্দরে
বিষাদর সুরে গাইছোঁ গান।

নিস্তব্ধ নিতাল বিশাল ধরণী
ঘোর অন্ধকারে ঢাকিছে মেদিনী,
পাপানলে প্রাণ জ্বলা-কলা হ'ল
কি উপায়ে হরি পাম পরিত্রাণ ॥

বিনন্দিরাম।

---

৪২

খাম্বাজ—একতালা।

পতিত পাবন, দুখিত হরণ,
বিপদবারণ হরি।
করুণা কিরণ, করো বিতরণ
চোরো অধমক কিরি ॥
সংসার সাগরে ডুবি পরি রলোঁ,
কত পাকে পরি জলা-কলা হলোঁ,
উদ্ধারাহে হরি শরণ পশিলোঁ,
তুমিহে উপায় তরী ॥

সিংহদত্ত দেব অধিকারী

৪৩

খাম্বাজ — একতালা

নীলকমলতুল্যমমল রোচির তুল মঞ্জুলম্
চন্দ্রবদন দণ্ড বসন বেণুনন্দন মঙ্গলম্ ।
রুচিরমুচ্ছ শিখি সুপুচ্ছ কুসুম গুচ্ছচূড়কম্
বিবিধভূষমণ্ডিতসুবেশমিহ ভজাঘনাশকম্ ॥

অনুবাদ ।

ভৈরবী—একতালা ।

নীল সুকমল নিচিনা বিমল
তোমার শোভার তুলনা নাই,
পূর্ণচন্দ্র মুখ মনে অতি সুখ
মধুর মুরলী ফুরাহে বাই ।
মুরক্ত সুন্দর ম'রা পাখী ধরা,
ফুলমালা গড়া ঝল-মল চূড়া
নানা অলঙ্কার মোহন আকার
পাপহর, নমো মুর গোঁসাই ।

লক্ষ্মীকান্ত মিশ্র ভাগবত

৪৪

দেশ মিশ্র—একতালা।

মাধব দেহি চরণতরী
বিশ্ব ব্রহ্মাণ্ড ত্রাতা।
ধর্ম্ম অর্থ কাম মোক্ষ চতুর্ব্বর্গ ফলদাতা।
নমো দেব, দেবাদেব, তবে যাক করে সেব॥
কৃপা সাগর, ভকত বান্ধব,
কলির কলুষ নাশন;
তাপী তাপ হারী, মুকুন্দ মুরারী,
সৃজন পালন কারণ;
হয়াসুর নাশ কারণ,
ধরণী ভার হরণ;
মণিকূট গিরি অধিষ্ঠাতা,
নমো দেব বিশ্ব বিধাতা;
নমো দেব, দেবাদেব, তবে যাক করে সেব॥

বিষয়চন্দ্র শিখারী

# তৃতীয় অধ্যায়।

## শোক-সঙ্গীত।

১

বাগেশ্ৰী—আড়াঠেকা।

হায় নিদাৰুণ বিধি কিনো শতুক সাধিলা।
আজলি অসম বুকে শোকৰ চিতা জ্বালিলা ॥
আনন্দ গুণাভিৰাম, উজ্বলি দুখুনী মাম,
আছিলে বুকু জুৰাই, অকালতে মোহাৰিলা ॥
সাহিত্যৰ আকাশৰ এচুক কৰি পোহৰ,
জ্বলিছিল হেমচন্দ্ৰ, তাকো আজি গৰাসিলা ॥
নিৰ্ব্বাসিত মাতৃভাষা, তাৰ কি কৰিলা দশা,
চালুকীয়া কালতেই ঘাট-মাউৰা কৰিলা ॥

হেমচন্দ্ৰ গোস্বামী

২

ভীমপলশ্ৰী—একতালা ।

কিয় শুনো এনেয়ে সদায়,
একেটা ৰাগিণী কোনে গায় ?
শুনিছিলোঁ একে খিৰে
তাহানি তোমাৰ সুৰে,
কতনো অমিয়া ধাৰা
ঢালিছিলে হায় !
একে সুৰে আছে গঁথা;
সকলো তোমাৰে কথা,
তুমি বিনে শূন্য হিয়া,
আজি উঠিছে আবাৰ !
নাই গোৱা কোনেও তুনাই ॥

লক্ষ্মীৰাম বৰুৱা ।

---

৩

বাগেশ্ৰী—আড়াঠেকা ।

আমাৰ গৌৰৱ মণি শিৱ বৰা ক'লৈ গ'লা ।
ক্ষণজন্মা ক্ষণে থাকি অন্তেকলৈ পোহৰালা ।

সুসভ্য সুদূর ভূমি,
যতনে আনি বিচারি,
প্রথমে বিদ্যার জ্ঞান আসামেতে বিতরিলা ॥
উদার ভাবেতে তবে
সকলোকে "প্রিয়-বর"
দুখীয়া জনম ভূমি নাম তুমি জিনিলালা ॥

লক্ষ্মীরাম বরুয়া

---

৪

ভীমপলশ্রী—একতালা।

কত আর সহিম বিলাই,
জনম দুখিনী আতি মই।
সুপুত্র যি এটি উঠে,
অভাগী অদৃষ্ট দোষে,
মাতৃদুখে অভিমানে,
এরি গুচি যায় ; ,

এবিলে আনন্দৰামে,
সিদিনা বৰুৱা হেমে,
বিদাবিলে হিয়া মোৰ,
ফাঁকি দি পলাই ;
আজি আকৌ এৰিলে "বৰাই" ॥

ৰাধানাথ ফুকন, এম, এ, বি, এল

৫

পূৰবী—আড়াঠেকা।

বাজে ক'ত আজি বীণা,
ঝিণিকি ঝিণিকি সুৰে।
সংসাৰ সিপাৰে কোনে,
জিলিকি জিলিকি উৰে ॥
পৰিছে ইপাৰে ছাঁয়
শোকত সন্তোষ লয়
মৃত্যু মুখে যশ-ভৰা
ধিমিকি ধিমিকি ঘূৰে ॥

অসম আকাশ আজি
বিচ্ছেদ-ডাৱৰে ঢাকি,
“বি-এ জগন্নাথ” বিনে,
  বিনাইছে চকু লোৰে ॥
লক্ষ্মী স্বৰস্বতী আই
একেলগে এৰি যায়
অকালে এৰিলে দেখি
  “জগ-ৰায় বাহাদুৰে” ॥

পদ্মনাথ বৰুৱা ।

---

৬

পাহাড়ী মিশ্র—আড়াঠেকা ।

হায় ! বি এ জগন্নাথ চোৱাঁহি এবাৰ হে ।
তোমাৰ বিহনে আজি আসাম এন্ধাৰ হে ॥
  তুমি আসামৰ প্ৰাণ,
  আসাম তোমাৰ ধ্যান,
সৰ্ব্ব জনে তুমি বিনে, কৰে হাঁহাকাৰ হে ॥

নাই তুমি, কোনো মতে
অতুলা প্রভাব হেতু,
এসে অসময়ে আজি কথা একেবার হে ॥
ভারত-ঈশ্বরে যার
কার সাথি দিব আর
তোমারে হে যোগ্য সেই আসন তোমার হে।
তোমাতে উদয় হ'ল
তোমারে লগতে গ'ল
এতে দিনে ভাগ্য-রবি অস্ত আসামর হে ॥

রাধানাথ মুকুল, এম, এ, বি, এল।

---

৭

বাগেশ্রী—আড়াঠেকা।

কতনো জীয়াতু আর
সহিব জ্বলুনী প্রাণে।
এটি এটি করি বেধো
এবে সব মনস্তানে ॥

মাধব চন্দ্রকো হাঁয়
হরি নিলে বিধতাই
লভিলে যি জনে উচ্চ সম্মান আপোন গুণে॥
রামায়ণ প্রকাশিলে,
মাতৃস্নেহ দেখুৱালে,
এক্কাব আসাম আজি
ই হেন মাধব বিনে॥
দেৱেশ্বৰ চলিহা।

৮

মিশ্র খাম্বাজ—একতালা।

সখি হে! আমাৰ কোনেনো আজি
পছুম পাহি হৰি নিলে,
কবোঁতে খেমালি লগৰি লগে
পছুম আমাৰ হৰি নিলে।
শৰত কালৰ পূৰ্ণ্ণী বেলিতে
প্ৰকৃতিৰ শোভা চাওঁতে চাওঁতে,
হাহোঁতে মাতোঁতে উঠোঁতে বহোঁতে
বজমনে সখি! উমলি ফুৰোঁতে,

লুকাল পদুম কেনিবা সখি !
নেপালোঁ ক'তো বিচাৰি বিচাৰি,
আঁতৰৰ পৰা কোনোবা নিঠুৰে
পদুম আমাৰ নিলে হৰি।
স্নেহৰ পদুম চোৱাঁহি ভাই !
বন্ধুগণে তযু কান্দে বিনাই,
থাকি থাকি সবে কৰে হাঁয় হাঁয়
পদুম আৰু নাহে ঘুনাই,
কৰিবা অনন্ত-সুখশান্তি ভোগ
যোৱাঁ বন্ধুবৰ ! সৰগলই,
সামৰি কৰ্ত্তব্য আমিও এদিন
তোমাৰ লগত মিলিম গই,
হাঁহি মাতি হাঁয়। আছিল সদায়
আমাৰ লগতে ঘৰ খনি কৰি,
অকস্মাত আজি কোনেনো সখি !
পদুম আমাৰ নিলে হৰি।

তীৰ্থনাথ ফুকন

৯

লুম ঝিঝিট — পোস্তা।

পিৰালি-দাঁতিতে বহি, কান্দিছোঁ দুখুনী বাঁৰী।
কাঠৰ কঠুৰা কোনে, কুটুমক নিলে কাঢ়ি।
চুলি মোৰ ফপৰীয়া,
হিয়া মোৰ কৰ্কৰীয়া,
মনৰ দাহত দিলোঁ, কেৰু মণি দলি মাৰি।
বিহাৰ আঁচল লই
মোহাৰি পেলালোঁ, অই,
সেন্দুৰ-গুৰিৰ মোৰ, বাজলী ফোঁটৰ সাৰি।
চকুও নুফুটে মোৰ,
বিধি নিদাৰুণ ঘোৰ!—
সেই আচলকে লই, চাই থাকোঁ লাৰি চাৰি।
সংসাৰত মই আছি,
সোতঁতেই গ'লোঁ ভাহি,
ৰাখে মোক কোনে আক পেলালে কালে এৰাৰি।

ধেমালি ভাৱনা বিয়া,
একো মোৰ নাইকিয়া,
নিৰলে কান্দিছোঁ আজি, একনী দুখুনী নাৰী।

বেণুধৰ ৰাজখোৱা, বি, এ।

---

১০

বাগেশ্ৰী—আড়াঠেকা।

হিয়া জুৰি হেৰা মোৰ, নাচিছিলে আশা-নই।
কেনে কোতোকাৰে কত শত শত ধাৰা বই।
কিনো বিধতাৰ বাজী,
শুকাল সমূলি আজি,
তেনে শত ধাৰা পানী, চোৱাঁ চোৱাঁ কেনেকই।
হিয়াত ওলাল মোৰ,
কত মৰুভূমি ঘোৰ,
পুৰিছে এতিয়া মোক, সমূলি মৰিলোঁ অই!

বেণুধৰ ৰাজখোৱা, বি, এ।

১১

সাহানা—ঝাঁপতাল।

কিয় সৰি গলা গোলাপ। কলিকতা-কুলনীত।
কান্দিছে আসামে আজি তব শোকে জৰ্জ্জৰিত।
জনমিলা আসামত, ফুলিছিলা বিদেশত,
বঢ়ালা গৌৰব জন্মভূমিৰেহে নিতে নিত।
উৎসাহ-মলয়ে নিয়া, গুণগণে বিয়পোৱা,
(তোমাৰ) চিকিৎসা-সুৰভি-গন্ধে আমেৰিকা
আমোদিত।
কোন সত্তেৰে নো মাক এৰিলা হেৰা গোলাপ।
চকু মুবাই চাওঁা মাথোঁ এবাৰ মনে হৰষিত।
কোনে নো তোমাৰ ঠাই, পূৰাব এতিয়া ঠাঁয়!
উপাধি-ভূষণে কাক কৰিবনো বিভূষিত?
তোমাকে আশ্ৰয় পাই, আছিলে সুখে বগাই,
অণুবালা লতা জঁয়, পৰে আজি অৱনীত।
হেৰা তিনি তিচেম্বৰ! তুমি আমাৰ ভয়ঙ্কৰ,
কিয় সকৰাই নিলা গোলাপ আমাৰ প্ৰস্ফুটিত।

শিব-জগ-মাধবৰ অলপাতে সৰিবৰ,—
তুমিও সৰিলা অ'-হ'! ইকি! আমাৰ অথন্তৰ!
ওপজালে দুখকৰি নেদেখিলে চকুভৰি,
সিহেতু আসাম মন ঘনে আজি বিদলিত ॥

গোলোকচন্দ্ৰ বৰুৱা

# চতুৰ্থ অধ্যায়।

## প্ৰণয় সঙ্গীত।

১

সিন্ধু খাম্বাজ—ঝাঁপতাল।

কুলি কিয়নো কু-উ-কু পালি।
( কিয় ) পাহৰণি থিবি সোৱৰালি আজি
তাহানিৰ কথা ক'লি।
যদিহে মৰম বেথা,
কলিজাত নাই লেখা,
মউ সনা মাত শুনালি আকউ
কিয় আহি দেখা দিলি।
এনেনো কিয় কৰিলি,
( কুলি ) যি লাগে তাকে, ফিৰি নিব পাৰ
পাহৰণি কেৰা এৰি ;
ভালপোৱা কিনো তোতে শিকিলো,
এৰিবিলি নিৰাশা কৰি।

লক্ষেশ্বৰ শৰ্ম্মা, বি এ।

২

ভৈৰবী—কাওৱালী।

পাৰোঁ জানো দিওঁ আহি আপুনি বিদায়,
পুলিতে প্ৰেমৰ পুলি ঢাকনি গুচাই।
লেজাবিবাঁ প্ৰিয়ধন,
[illegible] নাই মোৰ মন,
নিৰ্বিবাদে দিয়া এই হিয়া ফেৰুৱাই।
প্ৰাণ মোৰ তুমি-ময়,
তোমাতেই পাব লয়,
তোমাৰ [illegible] দিলোঁ জীৱন উটাই,
[illegible] পাওঁ বুলি ভয়,
[illegible] [illegible] দিয়া [illegible],
যোৱা তুমি, ৰ'ব মোৰ ছবিটি সহায়॥

পদ্মনাথ বৰুৱা।

৩

কানাড়া মিশ্র—একতালা।

দেখি আকাশর ছবি, আঁখো বহি বহি,
প্রাণ সখি মোর সঁল এসি।
আমন [illegible] তোমারি বয়ন,
দেখি মোর মন যায় উরি।
কান্দো মেঘে মেঘে, নাচো ঘনে ঘনে,
বুঝি মন [illegible] কেনে করি ;—
নেদেখি এডিয়া, বাজে মোর হিয়া,
থাকো কিনো মতে প্রাণ ধরি ॥

পদ্মনাথ বরুয়া।

---

৪

মাঝ—একতালা।

তুমি বলিয়া কিয় বলিয়া,
হেবা বলিয়ানী :
শোকে দুখে ভরা হিয়া,
হেবা বলিয়ানী।

শোকেৰে তাপিত বুকু,
সকলে যেতিয়া দেখো,
সোঁৱৰোঁ অতীত কথা;
হেৰা বলিয়ানী।
এনে সুখৰ আছিলে দিন,
তোমাৰে আমাৰে একেটি প্ৰাণ,
চাপিব নোৱাৰে আন ;
( আমাৰ ) কাপুৰুষালিতে গ'লা,
( আনৰ ) সেৱাতে বলিয়া হ'লা,
( সিদিন ) ভাবি কি কান্দা এতিয়া,
হেৰা বলিয়ানী।
লক্ষেশ্বৰ শৰ্ম্মা, বি, এ।

---

৫

ঝিঁঝিট—খেমটা।

কুলিয়ে মাতিছে কুহু বিৰহিণী দহি এ।
সুখৰ বসন্ত কালে পতি দূৰদেশে এ॥

শীতল মলয়া বায়ে কিমতে প্ৰাণ জুৰাৱে।
নাথবিনে ক'তো আজি নাহি সুখ লেশ এ ॥

লক্ষ্মীনাথ বেজবৰুৱা

---

৬

সাহানা—ঝাপতাল।

তোমাৰেহে ছবিটিকে দেখোঁ মাথো'যেনি চাওঁ;
তোমাৰেহে কথা ভাবি ভাবতে ওপজি যাওঁ।
দেখিলে বিভোল হওঁ,
নিজকে পাহৰি যাওঁ,
তথা লাগি চাই চাই কিবা বুলি কিবা কওঁ;
এফেৰি আঁতৰি গলে,
একো যুগ একো পলে,
নেজানো কিহেৰে টানা, যতে থাকো উৰি যাওঁ।

চন্দ্ৰধৰ বৰুৱা।

---

৭

অহং খাম্বাজ—ঢিমাতেতালা।

মোহন মোহিনী মুরতি,
কেনে চোরাঁ হে মধুর মিলন।
জোনে জোনে কিনো যেন, মিলিছে বিতোপন,
চোরাঁহে মধুর মিলন
প্রেমিক প্রেমিকা সঙ্গ,
উথলে প্রেম তরঙ্গ,
চোরাঁহে প্রেমর রঙ্গ,
জুকরা নয়ন।
চন্দ্রধর বরুয়া।

---

৮

ঝিঁঝিট খাম্বাজ—কাহিরবী খেমটা।

কয় কি মনর কথা, যেনে লাগে তোমালৈ।
দেখিলে তোমার মুখ, চাই থাকোঁ খন হৈ॥

মোৰ মন যেনে, তোমাৰ মন তেনে,
হয় কি নহয়, সোধোঁ মই।
আজি সচাঁ কৰি কোৱা প্ৰাণেশ্বৰী,
নেভাঁবিবা মিচাকৈ।
মনেৰে নেপাতি, কোৱাচোঁ' কথাটি,
নেথাকিবা আৰু বেলিকৈ।
মোক যেনে পোৱা আৰু মাত্ৰ কোৱা,
সুধিছোঁ মই থিবাংকৈ॥

ভকতৰাম দত্ত চৌধুৰী।

---

৯

ৰাগিণী পাম্বাজ—একতালা।

আছিলোঁ সকতে বহুত সুখতে
একো দুখ নেজানিলোঁ।
গাভৰু কালত পৰিলোঁ ঠেকত,
ভাতেসে মই মৰিলোঁ॥

মাতি হাহিঁ হাহিঁ, প্ৰাণপতি আহি
বুলিলে দেহ সপিলোঁ।
সেই দিন ধৰি, আই বোপাই এৰি,
বহুত সুখ ভুঞ্জিলোঁ।
সেই সুখ মোৰ, বিধতাই চুৰ
কৰে বুলি নেজানিলোঁ।
ধিক্ দেহা লই, কেনৈ আছোঁ মই,
নমৰিও মৰা হলোঁ।
ভকতৰাম দত্ত চৌধুৰী।

---

১০

মিশ্ৰ ঝিঁঝিট—একতালা।

ৰব হৈঁপাহেৰে আহিছোঁ, বোৱা,
এবাৰ চকুৰে চাওঁ হে।
সাঁচি থোৱা কথা পাহৰি গলোঁ,
চাওঁ তাৰি যদি পাওঁ হে।

উঠিছে আটুটে মুখ দাপোনতে
মনৰ কথাটি গৈ,
ভাবৰ কল্লোলে কথা উটুৱালে
নোৱাৰোঁ মাতিব হায় ;
ভাহেৰে নধৰে বুকু
চোৱা কঁপা ওঠ, বজা পৰা মুখ,
কথাৰে ওপচা চকু ;
মোহন ৰতন মোহিলা হিয়া
মনপ্ৰাণ নিয়া দিওঁ হে।

চন্দ্ৰধৰ বৰুৱা।

---

১১

ভৈৰবী—আড়াঠেকা।

কৰৈ গলা প্ৰাণনাথ লোৱাঁহি এবাৰ ;
তুমি-ময় জীৱনৰ প্ৰেম উপহাৰ।
বোৱালা প্ৰেমৰ স্ফুঁতি,
ফুবিলোঁ ৰঙ্গেৰে উটি,
তুমি ৰাখিছিলা বান্ধি প্ৰাণ অভাগীৰ।

ফুৰি ফুৰি পাচে পাচে,
মৰিলেও সুখ আছে ;
প্ৰাণ দিলে মৰে যদি প্ৰণয়ৰ ধাৰ।
লোকে বোলে প্ৰেম যাক,
নোৱাৰোঁ দিব তোমাক,
লোৱা যোগ্যপূজা দিয়ে প্ৰাণে অবলাৰ।

চন্দ্ৰধৰ বৰুৱা।

---

১২

ঝিঁঝিট খাম্বাজ—টিমাতেতালা।

প্ৰেমিক প্ৰেমিকা ছবি কিনো মনোময় ;
বৈ থোৱাঁ চাই থোৱাঁ নয়ন জুৰাই।
জীৱন মধুৰ কৰে,
প্ৰেমে মৰণতো নেৰে ;
যতনে আঁকি নিয়া হিয়াই হিয়াই।

চন্দ্ৰধৰ বৰুৱা।

---

১৩

বেহাগ খাম্বাজ—ঢিমাতেতালা।

যদি আছিলে বিধিনি মিলেছি তোমাৰ,
নাহোঁ তেনে আৰু কাষলৈ ;
ভাবি ভাবি যদি ভাল পোৱা তুমি,
ভাবি থাকা বহি অকলৈ।
সোহাগে চেনেহ নকৰোঁ কামনা
নাই মোৰ প্ৰাণত এনেটি আশা ;
তোমাৰ সুখতে থাকিম মই আঁতৰি,
নিতে তোমাক আৰাধি মনে ;
যাতে ভাল পোৱা তুমি তাৰে ভাবনাতে,
ভাবি ভাবি মই থাকোঁতৈ।

অজ্ঞাত

---

১৪

টোড়ি ভৈৰৱী—কাওৱালী।

কেনে মোহন মূৰতি অ' সখি,
প্ৰাণে প্ৰাণে টানে আহা দূৰতে থাকি।

নাথ সঙ্গে ৰঙ্গিনী,
ৰঙ্গে ফুৰ্ত্তিতে ঘূৰি ফুৰনি,
( তেওঁ ) প্ৰেমভৰে, প্ৰেম ৰসেৰে,
হিয়া নধৰে সখি উপচি পৰে।
( দুয়ো মিলি প্ৰাণ ঢালি ওমলোঁ সখি ) ॥

ভৈৰবচন্দ্ৰ বৰুৱা।

---

১৫

মিশ্ৰ কানাড়া—একতালা।

প্ৰেম ছবি মোহন সাজে,
জ্বলে কিবা অপৰূপ হৃদয় মাজে।
ফুল্ল শান্ত শীতল ৰূপ মাধুৰি সনা,
মোহন মৃণাল দেহা অমিয়া বাজে।
স্নিগ্ধ কান্তি কত ঢালে সুধা অবিৰত
প্ৰেমে মোৰ প্ৰাণ প্ৰেমময়,
বজে বৈছে সখি মধুৰ মলয়,
মানস মুৰলী আজি সপোন বাজে।

দুৰ্গানাথ চাংকাকতি।

১৬

ভৈরবী—কাওয়ালী।

প্রেম মিলনে, নবীনা নবীনে,
মিলে আজি আনন্দেরে।
সুখে মিলিছে বিরহের পাছে,
চাইছে, একেথরে।
সাধি খোয়া কথা, ছিয়াও গাঁথা,
কইছে তেঙ্গ কেনে আদরেরে।
সুখে ভরা বুক, হাসি ভরা মুখ,
চোরা সাধ্বী সতী, ভুলাছে অতি,
সেরে প্রাণপতি যতনেরে।

নবীনচন্দ্র বরদলৈ, বি, এল।

১৭

অহং কানেড়া—খেমটা।

তুলি ফুল গাথোঁ মালা,
লোৱা হেৰা প্ৰাণৰ সখি।

ফুলৰ কথা ফুলৰ হাঁহি,
প্ৰাণে প্ৰাণে লোৱা সখি।
ফুলিছে নিৰল কোনে,
আছে হাঁহি আপোন মনে;
আজলী ফুলৰ কলি,
যাচে চেনেহ প্ৰেমিক দেখি।

দুৰ্গানাথ চাংকাকতি।

---

১৮

ঝিঁঝিট খাম্বাজ—একতালা।

অবলা মই দয়াল হবি,
সদাই প্ৰাণে যাতনা।
ভাঙিলে সুখ সপোন,
[illegible] নাই আৰু বাসনা।
নাই মোৰ ভাগ্যত লেখা,
স্বামীৰ চৰণ মঙ্গল দেখা,
পৰি ৰ'ল মোৰ সোণা জুটি,
ভাবোঁ তাকে ভাৱনা :

বাখিবা সুখেবে প্রভু
এই কবোঁ কামনা ॥

দুর্গানাথ চাংকাকতি ।

১৯

মিশ্র খাম্বাজ—কাওবালী ।

অভিলাষে হাঁয় প্রেম প্রেমিক জনে ;
দানে কিয় প্রতিদান বিচাবোঁ নো ঘনে ঘনে ।
ভালপালে হৃদয়েবে
ভালপোৱা নির্বিচাবে,
বিচ্ছেদ অগ্নিক ভয় নকবে প্রেমিক জনে ।
বিবহে মিলনে প্রেমে প্রে[illegible]ক ভাবে মনে ॥

দুর্গানাথ চাংকাকতি ।

২০

কানেবা—[illegible]ালী ।

নবীন নবীনা শোভে দুজনে,
মিলালে বিধি [illegible] অমূল্য ধনে ।

মিলিছে নাগৰী নাগৰ কাষে,
মেঘে বিজুলী যেন শোভে আকাশে,
ৰাখিবা আদৰে ধন অতি যতনে।

ৰজনীকান্ত বৰদলৈ, বি, এ।

---

২১

ভৈৰৱী—কাওৱালী।

আজিও কি আশে আছে দুখুনীৰ দেহে প্ৰাণ।
আজ কিবা হব মোৰ দুখ নিশা অবসান।
জীৱন সৰ্ব্বস্ব ধন,
দুখুনী হৃদি ৰতন,
অপাৰ সাগৰ মাজে দিলোঁ সব বিসৰ্জ্জন।
হে প্ৰভু দয়াল হৰি,
মাতিছোঁ কাকুতি কৰি
ভৱলীলা সাজ কৰি দিয়া শ্ৰীচৰণে স্থান।

অজ্ঞাত।

---

২২

মিশ্র বেহাগ—খেমটা।

কিয়নো বিষাদিত মন।
চকুলো টুকিছা কিয় বিবস বদন।
আহা! কিয় অনাথিনী বেশ
মুখেবে ন সবে কথা আলুথালু কেশ,
বাখিবাঁ সাদবে মাতা কবিবা যতন
সুচুবা লাজুকী লতা মুদিব নয়ন,
অনাদব নকবিবা ভাবি পবধন।

অজ্ঞাত।

২৩

ভৈববী—কাওবালী।

নমবি জীযাই আছোঁ
আক কিবা আশা ধবি।
আজিও ধবিছোঁ দেহা,
প্ৰাণ মোৰ গল এবি॥

যি গছৰ হই ছাঁয়া
ধৰিলোঁ। সংসাৰ মায়া
নাই আজি সেই তৰু
ধৰোঁ। কায়া কেনে কৰি।
বেলাটো বিৰহ যাৰ
অনাহনী লাগে তাৰ
নাই ভেঁওঁ দিন চাৰি
আছোঁ মই ষেহা ধৰি॥
বহুভোগী প্ৰাণ-ধন
স্থবুজে অপৰে মন,
কি ভোগ মিলিছে আজি
ভিখাৰী বেশেৰে ঘূৰি॥
বাধা প্ৰভু বিশ্বেশ্বৰ,
বাধা মোৰ প্ৰাণেশ্বৰ
অন্নপূৰ্ণা দিবা ভোগ
খঁতে ভঁতে অনুভৱি;
নগাৰ নগৰা বান্ধ
দিলো আঁটি আঁটি টান

সহিছে কতনা জানো
কুরূপ সাজেরে ফুবি

পদ্মনাথ বরুয়া।

---

২৪

সিন্ধু মল্লার—ঢিমাতেতালা।

আজি সেই কথা সখি পলানে পাহবি।
কত খেলা খেলি,
উমলি জামলি
লবালি কটালোঁ। ছুয়ো গলাগলি কবি॥
প্ৰথম যৌবনে
সোণালী সপোনে
নিমজি যে দেখিছিলো। সুখব লহবি
জোনালী গধুলি
পঙ্কমত তুলি
তুয়া বহি কত গীত গালোঁ।' হে লগবী

গিবীশচন্দ্ৰ বৰুবংশ, বি, এ।

---

২৫

টৌড়ি—একতালা।

নীল-নবঘন মোহন সাজেরে
জলদোনে কিবা সাজে।
মধুর মলয় বৈ বৈ বয়
বৈ বৈ বাঁশী বাজে॥
সিন্দুর তরলী ত্রিভঙ্গ কলীয়া
জরত বিভোরা রাধা আলম্বরা,
সুরলী যমুনা, গোপিনী ধুনীয়া,
কিবা শোভা ব্রজ মাঝে।
নবীনচন্দ্র বন্দ্যোপাধ্যায় বি, এল।

২৬

খাম্বাজ—ঠুংরী।

মালতীরে চাকি পাখিয়েঁ বেঁধাছে,
কুসুমীরে তুমি ধরা হে ধরা হে;
কিবা ধন আছে দিবোঁ তব করে
অধিনীকে দয়া করো হে করো হে।

যিবা মনৰ কথা সকলোকে জনা;
তুমি বিনে গতি কি আৰ আছে হে।

লক্ষ্মীনাথ বৰা।

---

২৭

কীৰ্ত্তন—একতালা।

কেৰা পায় লাজে ধৰিলে আমতি
　　ভবা কথা বল মুখতে।
মৰমৰ কথা মনতে লুকালে
　　হেঁপাহ থাকিল হিয়াতে।
সকলো জানিছে কিবা কম মই
জানি শুনি মোক কিয় কন্দুৱাই
প্ৰাণ কাঢ়ি লই কিয় গুচি যায়
　　আঁতৰি আঁতৰি দূৰতে।

নবীনচন্দ্ৰ বৰদলৈ, বি, এল।

---

২৮

পিলু মিশ্র—খেমটা।

চেনেহৰ কুলনি বাৰী মোৰ
কোনে ভাঙি-চিঙি নিলে।
কুমলীয়া ফুলৰ প্ৰাণে
এণুৱা যাতনা দিলে।
মৰমৰ গুটিমালী
সুগন্ধি বুৰ্তি শেৱালী,
কাক তুলি মালা গাঁথি
দিবোঁ সখিৰ গলে।
তিকোণী ৰজনীগন্ধা,
সাৰি সাৰি আছে বন্ধা
তাৰ বিলাই দেখি আজি
মৰিলোঁ সমূলে।

লক্ষ্মীনাথ বৰা

২৯

ঝিঝিট—কাওয়ালী।

আজি কিয় এনেকুৱা কৰে মোৰ মন।
উক উক ছাটিফুটি কৰে ঘনে ঘন॥
নেজানো কি লাগে তাক
ক'লেও নুশুনে হাক
কান্দিছে নিৰবে বহি মচিছে নয়ন।

সত্যনাথ বৰা, বি, এল।

---

৩০

সাহানা—ঝাঁপতাল।

প্ৰাণ যে সদায় কান্দে তোমাৰ কাৰণ
কি ৰূপে সাদৰি মই শান্ত কৰোঁ মন।
তোমাৰ কথাতে কাণ, তোমাৰ ৰূপকে ধ্যান,
হাজাৰো কথাত আন, নলওঁ যুজন॥

দুৰ্গাপ্ৰসাদ দত্ত।

৩১

খট—কাম্বিরী-খেমটা।

আহাঁ আহাঁ সখি যাও;
আঁখি ভরি ফুলনির রূপলীলা চাও।
মালতী যূতি শেফালি
আছে কত ফুলি ফুলি
তুলি আনি গাঁথি মালা খোপাতে পিন্ধি লও।
লুতীয়া তোমোরা গৈ
মৌ খাই বলিয়া হৈ'
ঢালি ঢালি ঘনে ঘনে পরে ফুলর গায়॥

সত্যনাথ বরা, বি, এল।

৩২

ললিত—আড়াঠেকা।

জীর থাকে মানে নাথ, তুমি মোর অধিপতি;
তোমার চরণ বিনে নাই মোর আনগতি।

শুনিলে তোমাৰ মাত, হয় মোৰ হিয়া শাঁত,
অমৃত বৰষে গাত, তুমি অধিনীৰ পতি।
দাসীৰ যৌবন ধন চৰণত অৰপণ
কৰিলোঁ সাদৰে মই তাৰাঁ মোক প্ৰাণ-পতি।

দুৰ্গাপ্ৰসাদ দত্ত।

---

৩৩

বেহাগ—আড়াঠেকা।

পূৰ্ব্বে যদি জানো মই তোৰ এনেকুৱা মতি,
কদাপিও নহল হেঁতেন মোৰ এনে দুৰগতি।
তেনে হলে আপোন বুলি,
হৃদয়ে নেৰাখোঁ তুলি,
দুখানি চৰণে পৰি নকৰোঁ কাতৌ কাকুতি।
আগে মৰম দেখুৱালি,
পিছে এই যাতনা দিলি,
এতিয়া নকৰ কথা নেচাৱ আক উভতি॥

সত্যনাথ বৰা, বি, এল।

৩৪

বাগেশ্রী—আড়াঠেকা।

বিধাতা কপালে মোৰ লিখিছে অত যাতনা।
নসহে শৰীৰে আৰু এতেক তাপ যন্ত্ৰণা ॥
মই মৰোঁ যাক ভাবি,
সি কিয় মোক কৰে হেলা
নেমাতে মুখেৰে আৰু কৰে কত প্ৰবঞ্চনা।
হাতে ধৰি কাতৰ কৰি
মিনতি কৰিলোঁ কত,
তথাপিতো কিছু তাৰ নোপজে মনে কৰুণা ॥

সত্যনাথ বৰা, বি, এল।

---

৩৫

পৰজ—ঝাঁপতাল।

আহা হে প্ৰেয়সী আহা এটি মই কথা কওঁ
দেখিলে তোমাক প্ৰিয়ে, হেঁপাহ চকুৰে চাওঁ

তুমি হৃদয়ৰ জোন,
তুমি বিনে আছে কোন,
তুমি মোৰ কেচা সোনা, মৰমতে পমি যাওঁ ॥

দুৰ্গাপ্ৰসাদ দত্ত।

---

৩৬

খাম্বাজ—কাওৱালী।

একেবাৰে প্ৰাণনাথ মোক পাহৰিলা।
অনাথিনী কৰি হায় এৰি থৈ গ'লা ॥
এই যে বসন্ত ঋতু,
সকলো দুখৰ হেতু,
তাতে মাতে কুউ কুউ কোকিল কোকিলা ॥
মলয় পৱন আহি
আদৰিছে ফুলবালা
তুমি হে কেৱল নাথ উভতি নাহিলা ॥

সত্যনাথ বৰা, বি, এল।

৯৭

খাম্বাজ—ঠুংৰী।

সত্যে কৰি কোৱা প্ৰাণ কাক তুমি ভাল পোৱা ;
তোমাৰ লগতে মই হইছোঁ যে মতলীয়া।
নেপালে তোমাৰ স্নেহ হব এই প্ৰাণশেষ—
নেদেখিবা এই দেহ, জনমতো আৰু প্ৰিয়া।
তুমি হৃদয়ৰ ধন, তুমি মোৰ প্ৰাণ মন,
নকৰিলে তুমি শাঁত কৰে কোনে জলা হিয়া।

দুৰ্গাপ্ৰসাদ দত্ত।

---

৯৮

খাম্বাজ—কাওৱালী।

তুমি হে প্ৰিয়সী মোৰ জীৱনৰ জীৱ।
তোমাক নেদেখিলে প্ৰাণ কান্দি উঠে কিয়॥
তুমি মোৰ পৰমায়ু,
তুমি মোৰ প্ৰাণবায়ু,
তুমি বিনে প্ৰাণপ্ৰিয়ে নোৱাৰোঁ থাকিব॥

দেখিলে তোমাৰ মুখ
পাহৰোঁ সকলো দুখ
জিনি চন্দ্ৰ সমুজ্জ্বল বদন অমিয় ॥

সত্যনাথ বৰা, বি, এল।

৩৯

কালেংৰা- কাশ্মিৰী খেমটা।

কেতিয়া আহিবা নাথ কেতিয়া আহিবা।
কৈ যোৱাঁ নিশ্চয় কৰি
প্ৰবঞ্চনা নকৰিবা মোক,
দুখিনী বুলি
ৰাখিবা মনে
কেতিয়ানো আহিবা।

সত্যনাথ বৰা, বি, এল।

৪০

বাহার খাম্বাজ—কাওয়ালী।

প্রাণনাথ আর গো কি আছে বাকী।
অবলা অবলা দেখি কত দিলা ফাঁকি ॥
কুলমান, লাজ ভয় এবিলো সকলো
কায়মনো বাক্যে নাথ তোমাতে ভজিলোঁ।
তথাপি তোমার মন
বুবুঝিলোঁ প্রাণধন
কুটিল কপট অতি তব দুটি আঁখি ॥

সত্যনাথ বর্ম্মা, বি, এল

---

৪১

কানেড়া—একতালা।

প্রণয়ে দুর্গতি যিলে আগেয়ে তাক কোনে জানে।
সুধাপান করিলে যে আছে সংশয় জীবনে ॥
প্রথমতে সুমধুর,
বিজ্ঞাপন মনোহর,
সুখর ভাণ্ডার বুলি ভাবিছিলোঁ মনে মনে ॥

এড়িয়া বিচ্ছেদ বিহে,
শরীর অন্তর দহে,
নসহে নসহে আর ইহেন যাতনা প্রাণে ॥

সত্যনাথ বরা, বি, এল।

---

৪২

কালেংরা—একতালা।

তেওঁ যদি অনুরাগী আনে আরু কোনে জানে।
মই হলে ভাবি মরোঁ সদায় মনে রাতি দিনে ॥
মদন মূরুতি খনি,
মোর হৃদয় মণি,
মুহূর্ত্তেক পাহরিব নোৱাৰোঁ কদাপি মনে ॥

সত্যনাথ বরা, বি, এল

---

৪৩

শারা ভৈরবী—কাশ্মিরী খেমটা।

নাহিবা নাহিবা আরু মোর ওচরলৈ।
যাকে তোমার মনে ধরে তারে আলৈ যোৱাগৈ ॥

সুবুদ্ধি প্রাণ সপিছিলোঁ,
মনৰ কথা ভাঙ্গি কলো,
লাজ ভয় এৰি দিলোঁ। তোমাতে বলিয়া হৈ।
পুৰুষ নিলাজ জাত,
সমূলি নাই সঁজাত,
ৰমণীৰ মনমোহে মিছামিছি কথা কৈ॥

সত্যনাথ বৰা, বি, এল।

৪৪

গাবা ভৈৰবী—কাশ্মিৰী খেমটা।

ভাবি ভাবি সখি মোৰ কণ্ঠাগত প্ৰাণ।
আজ কি সেই বিধুবদন চকুৰে দেখিব পাম॥
ইবাৰ যদি দেখা হয়
মনৰ কথা কম মই,
বিনয় কৰি কৰে ধৰি কৰিম প্ৰাণ সমৰ্পণ।

৪৮

পিলু খাম্বাজ—কাশ্মিৰী খেমটা।

যদি নাথ যোৱা তুমি অধিনীকো সঙ্গে নিয়া।
তুমি বিনে প্রাণনাথ থিৰ নোহে মোৰ হিয়া॥
তুমি যাবা দূৰদেশে,
ভ্রমিবা বিদেশী বেশে,
কি প্রকাৰে গৃহে মই অকলে থাকিবো কোৱাঁ।
দেশে দেশে তব সঙ্গে,
ফুৰিবোঁহো মন ৰঙ্গে
দুজনে থাকিবো সুখে দুজনাক নিৰখিয়া॥

সত্যনাথ বৰা, বি, এল।

৪৯

পিলু খাম্বাজ—কাশ্মিৰী খেমটা।

দেহে প্রাণ থাকে মানে তোমাবেসে দাসী হলোঁ
মন প্রাণ সকলোকে আজিৰ পৰা সঁপি দিলোঁ।

মোৰ হৃদয়ত স্থান,
নপাৱয় অন্যজন,
নেৰিবা নেৰিবা নাথ তোমাতে প্ৰাণ সমৰ্পিলোঁ ॥

সত্যনাথ বৰা, বি, এল

---

৫০

বাগেশ্ৰী—আড়াঠেকা।

জনম কেবল মোৰ ভুগিব যাতনা।
শেষ প্ৰায় পৰমায়ু তেও দুখে নাহি সীমা ॥
এনেনো ললাট মোৰ,
জনমতো সখি মোৰ,
নপূৰিলে ই জনমে এটিও কামনা ॥
আনা সখি কালকূট,
মৰিবোঁ ভক্ষিয়া তাক,
বিফল জীৱনে আক এতেক লাঞ্ছনা ॥

সত্যনাথ বৰা, বি, এল

---

৫১

বাগেশ্ৰী—আড়াঠেকা।

কি কাম জীৱনে আৰু মৰণ মঙ্গল।
প্ৰণয় অমৃতে যদি জনমে গৰল॥
যদি বিধি মনে মনে,
ভাবিছিলি হব এনে,
তেন্তে কিয় দেখুৱালি ইহেন অমূল্য নিধি,
কিয়বা নিৰখি তাক মানস মজিল॥

সত্যনাথ বৰা, বি, এল।

---

৫২

পিলু—খেমটা।

কত সুধিলে কথা লাজে নেমাতিলোঁ।
চিকুণীয়া বদন খনিও চাবলৈ নেপালোঁ।
মনৰ বিষাদে,
মেলনি মাগিলে,
তথাপি লাজতে কথা, কব নোৱাৰিলোঁ॥

সত্যনাথ বৰা, বি, এল।

৫৩

খাম্বাজ—ঠুংরী।

কি কাৰণে প্ৰিয়া তুমি, মুখেৰে নেমাতা মোক।
কিয় অধোমুখে বহি, কৰিছা দাৰুণ শোক॥
শুধা ডিঙ্গি শুধা কাণ,
কৰিছা দাৰুণ মান,
এৰা দুখ উঠা প্ৰাণ, দিয়া সমিধান মোক॥
দেখিলে বিষাদ মন,
ফাটিযাব খোজে প্ৰাণ,
শূন্য যেন লাগে মনে শুধা দেখোঁ ইহ লোক॥
সত্যনাথ বৰা, বি, এল।

---

৫৪

পলু মিশ্ৰ—দাদৰা।

কিনা ৰূপ হেৰিলো সখি ফুলনি বাৰীতে।
যি ৰূপ হেৰিলোঁ সখি, থাকিম যেন তাকে দেখি,
ৰাখিম যেন তাকে লেখি মোৰ হিয়াতে।

৫৮

বেহাগ—ঢিমাতেতালা।

যদি আছিছিলা তেনে কিয় খোজা শুচি যাব।
এবেলি প্ৰেমৰ নদী বোৱালে কি ঘুৰি ব'ব॥
হৃদয় নিঝৰা বয় সাগৰৰ কাষলৈ
সাগৰ সম্ভাস কৰি কেনেকৈ উভতি যাব?
নদী সুশীতল সদা, প্ৰাণেও বিচাৰে সুধা,
চিৰ হাবিলাষ কেনে নিমিষতে অস্ত হব।

দেবেশ্বৰ চলিহা।

---

৫৯

খাম্বাজ—একতালা।

সুধি চাবা সখি, পৰেনে মনত
দুখিনীৰ কথা, এতিয়া আৰু।
পৰেনে মনত, অভাগিনী বুলি
ভাবেনে নেভাবে কদাপি আৰু॥

মুৰবে শপত, সুধি চাবা সখি
কিয় ফাকি দিলে আসাম্সুন্দী' দেখি,
কিয় দিলে বেথা কুমলীয়া প্রাণে
কিবা অপৰাধে বিৰহে মৰো ॥
প্ৰাণেশ্বৰী বুলি, পৰম সাদৰে
খোপা জুৰি ফুল কিয়বা পিন্ধালে
ধৰাঁ সখি ধৰাঁ, সুমবণি মালা
দিবা ওভটাই নেলাগে আৰু ॥

সত্যনাথ বৰা, বি, এল

---

৬০

কীৰ্ত্তন—একতালা।

(সখি) আলসুৱা প্ৰাণে, জুলুকি জুলুকি
এজুৱা যাতনা দিলে।
গৰিহনা খালোঁ, বিকর্থনা পালোঁ
ভুৱাদি মাণিক দিলে ॥

সঁপিছিলোঁ জীউ, আপোন জানিয়া
পাৰত বিকিলোঁ শিৰ।
তেহু নপাৰলোঁ, বধুয়াৰ মন
মৰণ কৰিছোঁ থিৰ॥
সুখৰ আশায় পীৰিতি কৰিলোঁ
লভিলোঁ বিষাদ ঘোৰ॥
বধুৱা বিহনে, মৰণত বাজে
নাই আনগতি মোৰ॥
সত্যনাথ বৰা, বি, এল।

---

৬১

ঝিঁঝিট—একতালা।

যুগল ৰূপত যৰ পোহৰে
চোৱাঁ সখি নয়ন ভৰি।
প্ৰাণে প্ৰাণে প্ৰাণ মিলিছে
মন মিলিছে হৃদয় জুৰি।

চোৱা, লোৱা, মুখ লুকোৱা,
মৰম কৰে অহা যোৱা,
ফুলৰ শৰে মন মোহিছে,
প্ৰাণ মোহিছে শীতল কৰি।
চেনেহত হৃদি ভৰি,
চেনেহত নিজ পাহৰি,
মনে মনে মন মিলিছে,
চেনেহত পৰাণ ভৰি ॥

৺ হৰেশ্বৰ বৰুৱা

---

৬২

মিশ্ৰ মুলতানী—ঢিমাতেতালা।

কতনো ধাউতি কৰি,
চাবলৈ চকুভৰি ;
আহিছোঁ লাহৰি হেৰা নকৰা নিৰাশ।
আহিছে বসন্ত সখি লগত মলয়,
চোৱাঁ প্ৰাণ নহবা উদাস।

অলপ আমনি সহি থাকা এখন্তেক,
মনে মোৰ প্ৰবোধ মানক,
নাথাকোঁ সৰহবেলা, খেলি সপোনৰ খেলা,
দেখা পাম এই হাবিলাৰ ;
চোৱাঁহে, চোৱাঁহে, শুনাহে, সখিহে,
পুৰোৱা তৃষিত মন আশ ;—
শুনিম মধুৰ বাণী,
জুৰাব হৃদয় খনি,
তুমি নয়নৰ মণি,
নহবা উদাস।

লক্ষেশ্বৰ শৰ্ম্মা, বি, এ।

---

৬৩

সিন্ধু খাম্বাজ—দাদৰা।

কিয় ভয়নো আছিলি কুলি।
(আজি) নিলি মন হৰি, দূৰে গলি উৰি
নোকোৱা কথাটি কালি॥

কিয়নো বাসন্তিকুলি, ললীত লহৰী তুলি,
পাহৰনি কথা সোঁৱৰাই তই—
হৃদয়ত জুই দিলি।
শুনালি অমিয়া-গান,
( কুলি ) খোপাৰ মালতী স্থলকি পৰিলে
বলিয়া কৰিলি প্ৰাণ,
(কুলি) আপোন পাহৰি পাছতে খেদিলো
নমতা নোবোলা হ'লি ॥

দুর্গানাথ চাংকাকতি।

---

৬৪

মিশ্র-ঝিঁঝিট—একতালা।

কাৰ বাঁহী মাতে পুৰবী নিশা
প্ৰাণ মন পমি বায় হে।
বিয়াকুল প্ৰাণে জুৰণী ৰেখা
আজি যেন লেখা পায় হে ॥

## ৬৭

হাম্বিৰ—ঢিমাতেতালা।

আপোন বুলি পাগলিনী হৈ ( সখি ঐ )।
আশয় দিলো চৰণ দুটি হিয়াৰ মাজত বান্ধিলৈ ॥
সিযে ফাঁকি দিবৰ মনে, দেখা দিছিল ঘনে ঘনে
ক'লে কত সি এনে তেনে—
ফাঁকি কৰি নিলে ধৰি প্ৰাণ পখীটি এনেকৈ ॥

সত্যনাথ বৰা, বি, এল।

---

## ৬৮

মিশ্ৰ মুলতানী—ঢিমা তেতালা।

যোৱা হে নেলাগে চাব, খোপাত ফুল তুলি দিব,
বুজিলো বুজিলো আজি আশয় তোমাৰ।
যদি কেতিয়াবা কবে কালমনে ছাটি-ফুটি
আছে মোৰ শুৱনী মন্দাৰ।
তুলি কলি হিয়াত ধৰি চুমা দিম সাদৰে,
লাহৰি প্ৰাণত যত ধৰে—

মালতী ফুল আছে ফুলি, কোঁচ ভৰি আনি তুলি,
শেৱালী টগৰ যূতি জাঁই,
গুৱনী, পাৰলি, দুপাহি, এপাহি,
মিহলাই গাঁথি মালা থাব ;
জুকয়াম পোৰা চিত্ত মুখেৰে গুলাব গীত
প্রিয় বুলি সম্ভাষি মালতীৰ হাব ॥

সত্যনাথ বৰা, বি, এল।

---

৬৯

ঝিঁঝিট খাম্বাজ—কাওৱালী।

নাহেৰি সখি
কাহে হামাৰ ৰাধা জান।
শৰত কালমে,
পূর্ণ চন্দ্রমে,
(প্যাৰী) বিনে নাহি ৰহে মেৰি প্রাণ।
সূৰুয বিহনে
কমল যৈচন
(সখি) ৰাধাবিনে হোৱে মেৰি জান ॥

লক্ষেশ্বৰ শর্ম্মা, বি. এ

৭০

সিন্ধু খাম্বাজ—দাদৰা।

হেৰা, এবাৰ চাওহে মোৰা।
(কিয়) নাম গাই গাই, প্ৰাণ হাৰ লই,
মিচিকীয়া হাঁহি যোৰা।
অজলা অবলা দেখি কন্দুৱাই যোৰা নেকি
এৰি গলা যাক, কিনো হল তাৰ
এবাৰ উলটি চোৰা।
কিয়নো জ্বালিলা জুই—
(চোৰা) ভোমোৰা কলীয়া লাহৰি খোপাটি
পৰে আলজাল হই—
মোহিনী বাণেৰে মোহি কিয় এৰি
অমৃতত বিহ দিয়া॥

লক্ষেশ্বৰ শৰ্ম্মা বি, এ।

৭১

বেহাগ খাম্বাজ—ঢিমা তেতালা।

সখি আশাতে ৰাখিছো, জীৱন অমিয়া.
এৰি দিব পাৰোঁ জানো খিতাতে।
তেওঁ নেকি আক আহিব হে গুচি
সুখ-ঢালি দিব হিয়াতে।
চকু মচি মচি হাবাসাস্তি হলো
সুখ-আশা সাং হয় হে আক,
ৰাতি বহি বহি তৰা গণি গণি
কান্দি কেনেকৈ থাকোহে বাক।
তেওঁ বিনে কোনে প্ৰেম-ডোলে বান্ধি
চেনেহে লবহি কোলাতে॥

লক্ষেশ্বৰ শৰ্ম্মা, বি, এ

৭২

সিন্ধু ভৈৰৱী—ঢিমা তেতালা।

কাহানি লাগি কলি ফুটি উঠিব।
মৌ-মাখি আহি কাণে কাণে জনাব।
শুৱনী ফুলনি বাৰী,
ৰঙতেই ৰূপ চৰি,
গোন্ধতে আমোল মোল কৰি তুলিব।
ধুনীয়া গোলাপ কলি,
উষাৰ কোলাত বহি,
বলীয়া ভোমোৰা মাতি মৌ পিয়াব।
গাঁথিম ফুলৰ চাকি,
হৃদয়তে ৰাখি ৰাখি,
যতনে ৰাখিম সখি নাথক পিন্ধাব।

গৌৰীশেখৰ বৰুৱা।

৭৩

অহং—একতালা।

প্ৰণয় বিৰহ দুখে প্ৰাণ ফাটি যায়
পুৰুষ নিশ্চয়
মৌপীয়া চৰাই
ফুৰে ঠাইয়ে ঠাই
নতুন ফুলে, বেয়ায় ডালে উৰি উৰি যায়।
বিষাদ অগনি
পুৰিছে পোৰণি,
নেপাও জুৰণি,
দয়া কৰি কোনে আনি দিব প্ৰাণ চৰাই

লক্ষ্মীনাথ বৰা।

---

৭৪

খাম্বাজ—কাওৱালী।

মনে মনে মন চোৰে দেখা কৰৈ পলাই যায়।
কিমতে থাকিবোঁ সহি নেদেখোঁ একো উপায়।

শিলেৰে বন্ধাইছা হিয়া,
নাই তোমাৰ দয়া মায়া,
সকলো লুটিলা তুমি ছলে বলে কথা লই।
গাঁঠিয়ে গাঁঠিয়ে বুধি,
হাতত দিছিলা নিধি,
অবলা আজলী দেখি ফাঁকি দিয়া বাককৈ ॥

লক্ষ্মীনাথ বেজবৰুৱা

---

৭৫

হাম্বীৰ—ঢিমাতেতালা।

কিয় মনত পৰে সখি সেই মুখলৈ
কতনো জিয়াতু দিলে পাহৰিলোঁ কেনেকৈ ॥
জানোচা হেৰায় বুলি
সুগুচে মনত সমূলি,
বাত হৈছে হলোঁ মই পাগলী,
কি গতি হ'বহে মোৰ তেওঁ যদি যায়গৈ ॥

লক্ষ্মীনাথ বেজবৰুৱা।

---

৭৬

সিন্ধু খাম্বাজ—ঢিমাতেতালা।

বোজা যদি যাবা নাথ শুনাহে মিনতি।
কিয় দেখা দিলা
প্রাণ বুলি মাতিলা,
নিলগতে চুমা যাচি হরিলা জীবটি।
কি জানে অধিনী—
অতি অনাথিনী,
কিনো দোষে পায়ে ঠেলি করাহে দুর্গতি ॥

লক্ষ্মীনাথ বরা।

---

৭৭

যোগীয়া—একতালা।

বদনে কথাটি, চাবনে ভকতি,
মাতিলে যাদোকা যাবনে।
তাহানির তাব আজিও কি আছে,
পাহবিলে জেনেই চাগে।

গুটিমালী জুপি জাতিকাৰ ফুলি,
লাহৰি হাতেৰে তাৰে এটি তুলি,
পিন্ধা পিন্ধা বুলি হাঁহি যাচিছিলে,
পাতিছিলে কথা বৈ বৈ।
পছুলিৰ শেৱালি সকৈ ফুলিলে,
আহি কাণে কাণে, বাতৰি দিছিলে,
বুলি চেনেহৰ সাদৰী মৰনা
পাতিছিলে কথা বৈ বৈ॥

সত্যনাথ বৰা, বি, এল।

---

৭৮

সিন্ধু কাফি—যৎ।

ভাবি থাকোঁ সখি মনতে।
আৰু নেথাকো, নকওঁ কথা ;
চকুলো চাই যুঁঠতে।

কিন্তু সখি পালে দেখা,
পাহৰোঁ আলচা কথা,
উথলিব ধৰে হিয়া
(যেন) চন্দ্ৰ পালোঁ হাততে।
কওঁ বোলোঁ মনে মনে.
মুখলৈ চাওঁ ঘনে ঘনে,
নোৱাৰোঁ, নোলায় কথা;
(মোৰ) থাকে কথা মুখতে॥

সত্যনাথ বৰা, বি, এল

৭৯

ইমন পূৰবী—আড়খেমটা।

এবেলি প্ৰাণৰ সখি! দেখিছিলোঁ তেওঁক হ'বলা
তাতে নো মনত এনে, কিয় লাগে দুয়ো বেলা।
তেওঁ বিনে নাই একো, সপোনে সচিতে দেখোঁ
অন্তৰে বাহিৰে দেখোঁ, কেৱলে সেই চন্দ্ৰ কলা।
গুঞ্জৰিলে ভোমোৰাটি, কৰে প্ৰাণে ছাটি ফুটি,
পাহৰোঁ ভোমোৰা বুলি, ভাবোঁ মাতে তেওঁ হ'বলা॥

সত্যনাথ বৰা, বি, এল।

৮০

বাৰোৱা—ঠুংৰী।

কিয় লাগে উদাস পৰাণ।
নেজানো কি পালে শান্তি পাব ই-জীৱন।
কত আশা উঠে নিতে, আকুল অন্তৰ চিতে,
নেপাওঁ উয়াধি মাথোঁ' উৰি ফুৰে মন।
কত কিনো আনি মেলি, অন্তৰত দিছোঁ ঢালি,
সুগুচে হেঁপাঁহ, সদা বিচাৰে নতুন॥

দেবেশ্বৰ চলিহা।

---

৮১

সাহানা—ঝাঁপতাল।

ভাবিলে তোমাৰ কথা হাততে অমিয়া পাওঁ।
নেজানো কি ভাবি ভাবি ভাবতে বিভোৰ হওঁ।
কত ভাবোঁ কওঁ বুলি,
নোৱাৰোঁ ক'ব সমূলি,
দেখিলে তোমাৰ মুখ, সকলো পাহৰি যাওঁ।

তাবেবে তবা হৃদয়,
মুখেবে কথা নোলায়,
দুখাবি চকুলো মছি কেৱলে মীববে বওঁ ॥
বাধানাথ ফুকন এম, এ, বি, এল।

---

৮২

মিশ্র পাহাড়ী—চিমাতেতালা।

যাব হাতে সঁপো অবলা পবাণ
সিনো কিয় দিয়ে পোবণি।
পবাণব কথা হিয়া উদলাই
বাকি দিয়ে একো নেজানি।
কিয়নো পুৰুষে সুবুজি সমূলি
মৰম-লতাটি পেলায় উঘালি
নিজ হাতে কই, নিজ হাতে তুলি,
কোন লতে যাবে সুগুনি ॥
মানিক চন্দ্র বাজবিকা।

---

## ৮৩

মাৰ মিশ্ৰ—পোস্তা।

গইছে গই উৰি উৰি, প্ৰাণ-পখি কেনিবা হায় !
গলনো উৰি কাক বিচাৰি মাগ্ৰিব কি সকবাই।
কাকনো নই শুনা দেহা
দেহ হাতে কৰে বেহা
নেপায় চায় কেনি (ও) উৰা দিহা—
পুৰি কাঁয়া খোৱা কৰি মিহলাও প্ৰাণে কাঁয় ॥

মাণিক চন্দ্ৰ হাজৰিকা

---

## ৮৪

যোগীয়া—একতালা।

মাতিলা যেতিয়া      নৰম কিয়নো
নাচাৰ কিয়নো তোমাৰে,
এতিয়াও মোৰ      কথা শুনা যুহু,
আশেৰে পাইছা যেনেকৈ।

পদুলী মূৰতে এতিয়াও আনি
সাদৰি সোণায়ে দিব তামোল খনি;
কত কথা কব হাঁহি উলাহেৰে,
নাপায় আমনি কৈ কৈ।
গুটি মালি জুপি জঁয় পৰা নাই,
পদুলীৰ শেৱালী মৰি যোৱা নাই,
এতিয়াও পিন্ধাবা ফুলৰ চাকিটী,
যাচিছিলা যিটি লৈ লৈ॥

লক্ষেশ্বৰ শৰ্ম্মা, বি, এ

---

৮৫

পাহাড়ী মিশ্ৰ—আড়াঠেকা।

আজিও কিয়নো হাঁয়! নগলোঁ পাহৰি!
কতনো সহিম আৰু সহিব নোৱাৰি!
পুৰণি কালৰ কথা,
আছে অন্তৰতে গাঁথা,
সঘনে উথলি উঠে হৃদয় নিদাৰি।

কত কি যে ভাবিছিলোঁ,
কত আশা করিছিলোঁ,
দহিব লাগিছে হিয়া তাকেহে স্মরিঁ !!

লক্ষ্মীরাম বরুয়া।

---

৮৬

টোরী—তিয়াস্তেতালা।

মিলে রতনে রতনে
কত যতনে।
সুখে হাঁহি হাঁহি উলাহেরে মধু মিলনে।
উতলা প্রেমমত্ত আজি নাগরী নাগর ;
তুলি প্রাণ প্রেমেরে
মিলিছে আদরে
বিরহ যাতনা সহি নাগর নাগরী॥

দুর্গানাথ চাংকাকতি

---

ভৈরবী—দাদরা।

সখি পৰা বন ফুলৰ হাৰ
কাননো আজি ভূমি চায়।
ওগো হিয়া মোৰা থাকে,
কভৈ আজি মন উধাই।
ক'লা মেঘে এৰি গ'লে,
নীলাকাশে ভৰা কলে,
মাজত বহি জোন থাকে
কিনো হাঁহি বিলাই যায়।
নিমল শোভা দেখি এনে,
কত আশা হয় যে প্ৰাণে,
মুখৰ হাঁহি জেন আহিব ফুকুলা মুখ পায়।

ভুগীনাথ চাংকাকতি।

৮৮

মিশ্র আলেয়া— একতালা।

আহাঁহে এবার হৃদয় আকাশ
শূন্য করি দেখাবা।
তাহাদির কথা পবনে মনত,
কত খেলা, হেঁয়া নবালি কালত,
নব জীবনত, পেলোৱা মনত,
আছিলোঁ কি দবে অতীত কালত;
পাহৰি এতিয়া সি সব এবার
শূন্য করি দেখাবা।
পূৱা সূৰ্য্যৰ কিৰণ সতে
যাওঁ ছুটি প্ৰাণী আপোন মনে,
আপোন মনে আপোন প্ৰাণে
গাথোঁ মালা বহি হাহিঁ দুয়োজনে;
পাহৰি এতিয়া সি সব এবাৰ
শূন্য করি দেখাবা।

সজ্জিয়া বেলিকা নীল আকাশত,
বাশি বাশি তৰা হাহেঁ ওপৰত,
কেনে হৃদয়ত কেমন আবেগত
থালোঁ। হিয়া মধ্য তটিনী কূলত ;
পাহৰি এতিয়া সি সব এবাৰ
শূন্য কৰি নেযাবা।
মলয় সমীৰ ধীৰে ধীৰে বয়
কান্দিছে পৰাণে কৰি হাঁয় হাঁয় ;
মাতিছে তুনাই তোমাক সোণাই
আহাঁ। কাষ চাপি নেযাবা পলাই :
সুঁৱৰি এতিয়া সি সব এবাৰ
শূন্য কৰি নেযাবা।

যতীন্দ্রনাথ দুৱৰা

---

৮৯

টোৰী ভৈৰবী—আড়খেমটা।

সবলা অবলা বিৰহৰ জ্বালা নোৱাৰে সহিব প্ৰাণে ;
সৰল ভাবৰ সবলা ললনা প্ৰেমিক সুজনে জানে।

গাইছে কুলিয়ে অমিয় তানে, বৈছে মলয়া ধীরে ;
কুলু কুলু করি নিজকে পাহরি সেঁচে তটিনী সাগর পিনে।
বিরহিণী গায় বিরহ গান, কাঁদিছে বিরহী প্রাণে,
প্রেম শিকলিরে নেরান্ধিবা প্রাণ, দুভুলাবা মন
মধুর তানে ॥

বিনন্দি রাম।

---

## ১০

মিশ্র ঝাঁবোরা—খেমটা।

সখি বিরহ বাণে, হানে কোমল প্রাণে,
মরম বেদনা আমার কোনে জানে।
সপিলোঁ প্রাণ মন আপোন বুলি,
কাঁদি কাঁদি হলোঁ উলি জুলি ;
কুহুতানে প্রাণ করে কেনে
প্রবোধ বচন আরু একো নেমানে ॥

বিনন্দি রাম।

---

৯১

পিলু মিশ্র—দাদরা।

কি রূপ দেখিলো সখি, নিকুঞ্জ মালতী তলে
অবলার মন প্রাণি ভতালিকে হরি নিলে।
সোণার কিঙ্কিনী বাজে ময়ুর কীরিটি সাজে
ত্রিভঙ্গ ভঙ্গিমে থাকি চক্ষু বুলাই চল পালে।
তুমি মোর প্রাণ সখি, করি দিয়া দেখা দেখি,
(মোর) চাটি ফুটি করে প্রাণে, সেই রূপলৈ মনত হলে॥

জগৎকুমারা দেবী।

---

৯২

সাহানা—ঝাঁপতাল।

নৈরার নেরার প্রাণ ধরো চরণ অধিনীরে,
কোন এসে অভাগিনী হৃদয়ের ধন হরি নিল।
কিবা অপরাধ ধরি, মান খোজে মোর হরি,
কওক প্রাণ দয়া করি, থাটো মই অভাগীরে।

তথু প্ৰেমে ভোল গই, দিলো হিয়া উজাই,
চল কবি যাব খুজি কিয় এনে দুখ দিয়ে ?

সুষমাসুন্দৰা দেবী।

---

৯৩

মাৰ মিশ্ৰ—পোস্তা।

আজি নো কিয় এনেকুৱা ময় পাগলিনী ;
কিবা আশাত প্ৰাণৰ আলাত সাজো ভিখাৰিণী।
দুখৰ বোজা এটাই
ফুৰোঁ অনাথিনী হৈ
চাৰিও কালে তথা নিৰাশায়—
হৃদয় আকাশ এঁধাৰ কৰি কাঢ়ি নিছে দিন মণি ॥

বিনন্দি ৰায়।

---

৯৪

মিশ্ৰ খাম্বাজ—একতালা।

হাঁহি তথা মুখ বিষাদ মেঘে কিয়নো ঢাকিছে সখি,
মন মৰা মুখে ম্লান বদনী কিনো ভাবিছা আজি।

কিয়নো লগৰী ইছেন বেশ
আলুথালু কিয় ধুনীয়া কেশ
মুখত নাই তোৰ হাঁহিৰ লেশ ;
কোয়াছোন সখি ভাঙ্গি কোৱা—
( হাঁয় ! ) হেম প্ৰতিমা, ঢালি কালিমা কোনেনো
কন্দুৱাই গ লি ॥

বিনন্দি ৰাম।

---

৯৫

মিশ্র মুলতান—ঢিমাতেতালা।

আহা কিনো বিভোপন, দেখিলে জুড়ায় মন,
আছিছোঁ তোমাকে প্ৰাণ চাবলৈ এবাৰ।
নেদেখিলে তোমাক ধন, কৰে মন উচাতন,
সেই গুণে চাপিলো ওচৰ।
মনত লাগিছে আজি দুঃখ অসহনি,
যাও দূৰে যাপিলো ৰেলানি,
নকৰি মনত শোক, দিবাহে বিদায় মোক,
দুৰ্ভগীয়া প্ৰেমিকে তোমাৰ :

ভুলহে ভুলহে দেখাই প্রিয়াহে সকলো
হিয়াৰ তুমি সাৰ,
তুমি প্ৰমোদৰ ধন, তুমি প্ৰমোদৰ মন,
তুমি প্ৰমোদৰ প্ৰাণ, প্ৰমোদো তোমাৰ ॥
গৌৰীশেখৰ বৰুৱা।

---

৯৬

ঝিঁঝিট খাম্বাজ—একতালা।

বুজিলোঁ মই আচল কথা
ইমান দিনে কি কৰিলোঁ।
কৰিম বুলি আশা পালি,
( মই ) হৃদয়কে খগিলোঁ।
জোনলৈ হায় উদ্দেশ কৰি,
গলোঁ খেদি আগ বাঢ়ি,
সংসাৰৰ বাট নমনিলোঁ
( এবে ) প্ৰাণে প্ৰাণে ভুৰিলো ;

যি দুদিন মোৰ বাকি আছে
নিজলৈ হে ৰাখিলোঁ। ॥

দেবেশ্বৰ চলিহা।

---

৯৭

সিন্ধু খাম্বাজ—দাদ্ৰা।

সখি আছিলা এতিয়া কিয় ?
দেখা দিয়ে কিয় পুনু আতৰিলা
কৰি উত্ৰাৱল জীৱ ?
মনৰ বাসনা এৰি, দুখেৰে অন্তৰ পুৰি,
আমন্-জিমন্ বহিছিলোঁ। মই
ভিলাহি যেতিয়া থিৰ।
সকলো ভাবনা গলে ;
( সখি ) কথা পাত্তো বুলি
বিচাৰিলোঁ। কিন্তু নেপালোঁ। দুনাই কিয় ?
( সখি ) মনৰ বাসনা মনতে থাকিলে
জনম দুখিত জীৱ ॥

ৰামেশ্বৰ বৰুৱা বি, এ।

৯৮

থাম্বাজ—একতালা।

কি ক'ম বখানি, জানিছো নিজেই
আজিহে অন্তৰ জিলিকিছে।
কত দিন আজি ভাবি মনে মনে
মনে গঢ়া চবি ধৰিছো যতনে,
কি দিমে তুলনা,
সুগুনা নজনা
হৃদি মন আজি কৰিলোঁ অৰ্পনা ;
ক'ৰ পৰা আহি ক'ত্তে থিতি হ'লা
ভাব গতি মন নিজা কৰি ল'লা,
নহও বিচ্ছেদ জানিবা ছুনাই,
অন্তৰ আজিহে জিলিকিছে।
স্মৃতি যদি কোনে নিব খোজে কাঢ়ি,
খেমালি-গানৰ দিয়ে সুৰ হাঁহি
নোৱাৰে তানিব,
হৃদি আকৰ্ষিব,

২

মিশ্র কালেংৰা—খেমটা।

বিধু মুখে কিয়নো নেদেখো হাঁহি।
কিবা দোষে দোষী হলো
কোৱা কেতেকিবে পাহি।
দেখিলে তোমাৰ মুখ
ফাটি যাব খোজে বুক
অকাৰণে কিয় আজি আমন জিমন;
তোমাৰ বিৰহ মোৰ নসহে পৰাণ;
ক্ষমা কৰা প্ৰাণেশ্বৰী
হাঁহা এটি চিকোণ হাঁহি॥

লক্ষ্মীনাথ বৰা।

৩

খাম্বাজ—ঠুংৰী।

ওৰণি কাথৰি কৰি, নেচাবা নেচাবা;
ম'ৰা যেন চালি ধৰি নেৰাবা নেৰাবা।

দেখিলে তোমার চক্ষু
মরমে উথলে বুকু
ওরণি ভুলেরে চাই যাতনা নিদিশা ॥

সত্যনাথ বরা, বি, এল্ ।

---

৪

ঢেশ মিশ্র—চিমাতেতালা ।

আজি মজাচে পেটুরা পেট ভরি খা ।
পেট ভার পেট ভরি পেট ভরি খা ।
ঐ থেকেরা টেঙ্গা,
রহর কি ডাল,
আলু ভজা খার মজা পকা খরিচা ॥

সত্যনাথ বরা, বি, এল্ ।

---

৫

পিলু—যৎ।

শুনচাহ্না আপী গিলা
খাজ্না বাৰেইছি,
দিবা নম্নি নিবোক্ ধৰি
পেদা লগেই দি।
এনাহ্ কথা কিয়া কহ্,
চপ্কে আপি ৰিয়া বহ্,
কাণা কুজা বুবা ঠাবা
আকোই নাবেচ্বি॥

সত্যনাথ বৰা, বি, এল্।

---

৬

মাঝ—একতালা।

আজি পৰিলা ধৰা পৰিলা,
হেৰা সুভাষিণি।
কিয় তল মুখে চাই হাঁহা,
হেৰা সুভাষিণি।

দিনে দিনে ভাবি এনেছে পাওঁ
তোমাৰ হৃদয় জুৰি,
( আছে ) প্ৰেমৰ কলিটি ফুলি,
হেৰা সুভাষিণি।
( মোৰ ) তোমাৰ ভাবেৰে হিয়া,
জানো মনে ভাবোঁ উলটি দিয়া,
তোমাতে হলো বলিয়া ;
বহু আশা ফল ফলিলে হেৰা,
নাহৰি আহিছা চেনেহ ভৰা,
লুকাব নোৱাৰি দিলাহি ধৰা,
হেৰা সুভাষিণি ॥

লক্ষেশ্বৰ শৰ্ম্মা, বি, এ

---

৭

ভৈৰবী—ভেওট।

হায়! মোৰ কপাল খান,
বাল্য ভাভ কেমান খাম,
আজিক লেগি বিয়া মহাল মোৰ।

সাত পৰ্‌গনা ফুলো্যা ঘূৰি,
আপীত লাগেই আড়েই কুৰি,
নেদে ধল্লি কাবৌ কল্লি,
কেন্‌কে মৰাহ মৰ।
নম্রে কিয়া বাপাক গিলা,
বাবেই থৈচি আপী গিলা,
বাহাক্‌কেই টাকা নাপ্লি,
কৰ্ব্বা নেদে ঘৰ॥

সত্যনাথ বৰা বি, এল্‌

---

৮

পিলু—খেম্‌টা।

খোপাত মালতী চাকি
কিয়নো পিন্ধিছা।
তামোল খাই অধৰ খনি
ৰাঙলী কৰিছা॥

গলত সাতসৰী হাৰ,
মূৰত দিছা লেম্ভেগুাৰ,
বিলাতী কাচনে আজি,
কিয়নো কাঁচিছা ॥

সত্যনাথ বৰা বি, এল্।

---

৯

ভৈৰবী—খেম্‌টা।

ৰোজ পাউডাৰ গালত ঘঁহি
গাভৰু হবলৈ খোজা,
জেটুকাৰে বোলাই হাত
ভবিত পিন্ধিছা মোজা।
লেবেলা যৌৱন ঢাকি,
কেলেই কৰিছা ফাঁকি,
মূৰত বান্ধিছা তুলি
খেকেৰু পতীয়া খোপা।

কৰিছা পশৰা ভেম,
জুলাই তুলিছা প্ৰেম,
ৰৰলোক ভুলাবলৈ
দিছা কত সোপা গোজা॥

সত্যনাথ বৰা বি, এল্

---

১০

পিলু—খেম্‌টা।

মবোনেকি মেকুৰিটো
বাটত উজুটি খালোঁ।
আশা ছেদী হঁতৰ তাপত
থাকিব নোৱৰা হলোঁ।
নিজেই বিচাৰে বৰ
তেও কথা বৰ বৰ
চিপিনা মুখেৰে ক'লে
মই হেনো বুঢ়ী হলোঁ।

কতকক ভাঙ্গিলোঁ
কতকক পাতিলোঁ।
বুঢ়ি বুলি কাৰো মুখে
কোনো দিও শুনিলোঁ॥

সত্যনাথ বৰা বি, এল্।

---

১১

টোৰী ভৈৰবী—দাদ্ৰা।

তুমি কাৰনো জীয়ৰী;
কাখত কলহ লই যোৱা
এনে হাঁহি মাৰি।
ক'লৈ যোৱা অকল সৰে,
খোপাৰ মালতী লৰে,
প্ৰেম ভ্ৰুকুটিয়ে পালে
(তোমাক) নিব আজোৰ মাৰি।
মেৰাই ধৰিব চাৰা পাছে প্ৰেমৰ জৰি॥

লক্ষেশ্বৰ শৰ্ম্মা বি, এ।

---

১২

টোৰী ভৈৰৱী—দাদ্ৰা

ঘৃতি ফুলৰ চাকি ঐ ;
হিয়াৰ প্ৰেম ঢালি গাঁথা
কোন ডেকা লৈ।
এটী এটী ফুল তুলি
গাঁথা চাকি হালি জুলি
কাকনো দিবলৈ গাঁথা
( তুমি ) এনে যতন কৈ ॥

সত্যনাথ বৰা বি, এল্ ।

---

১৩

সুৰ ঝিঝিট—খেম্‌টা।

সত্য কৰি কোৱা তোমাৰ
কোন নো আপোন।
তোমাৰ প্ৰেমত পৰি গলো
যেনে পানীত লোণ ॥

মই মৰোঁ তোমাৰ শোকত
তুমি ফুৰা কাৰ লগত
কোন ৰসিকক শোভা কৰা
যেনে পূৰ্ণ জোন ॥
সত্যনাথ বৰা, বি, এল্।

---

১৪

কালেংৰা—কাশ্মিৰী খেম্টা।

কিনো ৰূপে শোভে সতী,
পতি সহ মিলনে।
সমানে সমানে বিধিৰ
এনে জোৰা দেখিবলৈ নাই
দুইকো দুইও মিলিছে এনে,
যেনে ৰতি মদনে ॥
লক্ষ্মীনাথ বৰা।

---

১৫

পিলু—খেম্‌টা।

আজি কি কুক্ষণে কার রতনে
মোহিলে হিয়া।
এনে ত্রিকোন, চঞ্চল নয়ন,
ক’তো নাইকিয়া ;
জোনতো অধিক জ্বলিছে বরণ,
দেখিলে যোগীও হয় বলিয়া।
উরুর ভরে বুকুর ভরে
হংস গতি ধায় ;
স্তাহাঁ রূপহী কাখত বহি
জুরুরা দগধ হিয়া ॥

লক্ষ্মীনাথ বরা।

১৬

বাহাৰ ঢিমা তেতালা।

চেচ্‌ৰা পোৱা হলো মই হিয়া বিলাই।
নকৰো পিৰিতি আৰু থাকোঁতে জীয়াই॥
পাৱত ধৰিলোঁ
যৌৱন সপিলোঁ
এতিয়া বধূৱা কিয় উভতি নেচায়।
সাদৰ বচনে
ভুলায় পৰাণে
অৱশেষত দুখ দিয়ে, বিৰহে বুৰাই॥

সত্যনাথ বৰা, বি, এল।

১৭

পিলু—খেমটা।

পুৰুষক আশয় দিয়েই
হলো ময় জলা-কলা।
আতোলতোল কৰে পোনে,
পাচতে গা দিয়ে এৰা॥

মুখৰে কথাই
ৰমণী ভুলাই
মুনিহ অতি তিৰিকালি
কদাপি নপৰে ধৰা।

সত্যনাথ বৰা, বি, এল্

---

১৮

পিলু—খেমটা।

কথা এটি শুনি যো'ৱা
ঐ মোৰ ভোটা তৰা।
কালি গধূলি পৰত্ত এই দৰে আহি যাবা।
ইলাচি আতৰে
লঙ্গে যাইফলে
মিচিকি মিচিকি হাঁহি
তামোল খনি খাই যাবা॥

সত্যনাথ বৰা, বি, এল্

১৯

মিশ্র ঝিঁঝিট— আড়া খেমটা।

যোৱাঁ যোৱাঁ নোজোকাবা
দেখা পালে বেয়া হব।
আয়ে তো পাবিব গালি
মাহুহে গবিহা দিব ॥
আঁচল ধবি নেটানিবা,
মুখলৈ চাই নেহাঁহিবা,
আগ ভেটি নধবিবা
সদি ইতে দেখা পাব ॥

সত্যনাথ বৰা, বি, এল্।

২০

সুম ঝিঁঝিট—খেমটা।

বা ধতুৱা কেলেহুৱা কাভিহা নকব।
তোৰ নিচিনা কত ডেকা বাখিছোঁ চাকব

কাৰো কৰে কত ভেকা
ভৰিতে ইংৰাজী জোতা
মুৰত মজাৰ সেঁওতা ফলা
উৰ্ম্মালে আতৰ ॥
কত জনে খাটে মোক,
পিন্ধি টুপি ঠেঙ্গা কোট,
কত বাবুই কৰে আহি আদৰ সাদৰ ॥

সত্যনাথ বৰা, বি, এল

---

২১

পিলু--দাদ্ৰা।

কথাত নমজে মতা
জেস্তনো তয় কি বচকী,
মিছাতে লক্ত নাচায়,
বমক্ জমক্ কাচন কাচি।

একেতো উতলা মত্তা,
তাক ভুলোৱা কিমান কথা,
চকুৰ ঠাৰতে পাৰো,
মক্কাই দিব ৰতি-পতি।
যেতিয়া গাভৰু ছিলোঁ,
কত ডেকাক সেকা দিলোঁ,
এতিয়াও নয়ন ঠাৰে,
মৰে ডেকা জ্বলি ভকি॥

সত্যনাথ বৰা, বি, এল্।

২২

টোড়ী ভৈৰবী দাদ্ৰা।

তেওঁনো কিহৰ কুটুম ঐ;
মন ভুলায় মাধোঁন বাৰেপাচি কথা কৈ।
মাতোঁ যদি আহিবলৈ
আঁতৰ হৈ যায়গৈ
তুমি যদি কাৰক যোৱা যায়গৈ দুবৈলৈ॥

লক্ষেশ্বৰ শৰ্ম্মা, বি, এ।

২৩

মিশ্র বাৰোঁৱা দাদ্ৰা।

লাহৰি আজি মালা পিন্ধাওঁ
মনৰ সুখেৰে।
টগৰ পদুম বকুল কদম
মিলাই যূতি ফুলেৰে।
শোভা পায় যতে যিহে বলয়া ভূষণ
তাকে দি সজাম কাচি বিলাতী কাচন
গলতে দিওঁ সাতে-সৰী.
চকুত দিও অঞ্জন,
কানত পিন্ধাওঁ মকৰ কুণ্ডল
বুকুৱাওঁ আতৰেৰে॥

লক্ষেশ্বৰ শৰ্ম্মা বি, এ।

২৪

ইমন্ ভূপালী—আলাপ।

আমি ডাঙ্গৰীয়া ঘৰৰ সন্তান।
আমাৰ একাহী পুৰুষে আৰ্জ্জিলে বহুমান।
সুঁৱৰি সেই অতীত স্মৃতি আছোঁ হৃষ্ট চিত্ত অতি,
বই পিঠীত সদায় পৰে দিয়া অপমান।
ধন নাই—দুখ নাই—
(কিন্তু) আশ্ৰয় কানি,
জ্ঞান নাই তেও কিন্তু সমাজত মানী
বিভোল প্ৰাণ সদায়, দেখি এই অসাৰ সপোন।
যদিও আই সৰস্বতী আমাৰ প্ৰতি ৰুষ্ট
তুষ্টা সৰস্বতী সদায় কিন্তু তুষ্ট,
সেই হেতু তেওঁ আছে সদায়,
কৰি আমাৰ স্কন্ধাৰোহণ।
পিতাৰ পিতৃব্যৰ পিতামহৰ
আছিল এখন ঢাল,
মাহীৰ মোমাইৰ সখিৰ এখন তৰোৱাল।
আছিল আমাৰ ঘৰত লম্বমান।

বীৰত্বৰ পুৰাতন এই চানেকী
দেখি প্ৰাণ হৈছিল সদায় সুখী,
কিন্তু যুজৰ না  শুনি হৃদি হয় কম্পমান।
নগ-স্থাগ্ৰতো গচ্ছেৎ,
সদায় স্মৰত বহি দুগ্ধং পিবেৎ!
স্মৰি এই মহাজন বাক্য—
গ্ৰহণে তৎপৰ আমি ভাঙ্গ আৰু পান।
ভয় নাই অসমীয়া, কিয় পাছ ফালে চোৰা
হওঁ আঁহা সবে আগুৱা
যদি কিবা দেখাহে বেকায়,
চলিযাবা খুব বেগাই
নিজৰ ভাবিৰ বীৰত্ব দেখুৱাই।
লৈ নিজ নিজ মূল্যবান প্ৰাণ।
এইৰূপে যদি আমি কৰোঁহে কাৰ্য্য,
বুলিব সকলে ইহঁত প্ৰকৃতে আৰ্য্য
হব আমাৰ দেশ আমাৰ ৰাজ্য,
কেবল সাৰ খিনি মাত্ৰ পৰে কৰিব গ্ৰহণ।

গোপালকৃষ্ণ দে।

# ষষ্ঠ অধ্যায়।

## বিবিধ সঙ্গীত

১

বিহুৱা—জলদ তেতালা।

আজি ৰাতি কেনে জোনে হাঁহে চিকুন।
ভুবন ভুলাই তাৰ মুখ চাই
ৰসে ঢলি পৰে হলি
ঢালি মন প্ৰাণ প্ৰেমে মগন॥
বলিছে মলয়া শীতল কৰি হিয়া,
হালিছে জালিছে ফুল কলি,
ভোমৰা কলিয়া পৰিমলে মতলীয়া
উৰিব নোৱাৰে পৰে ঢলি,
মিলে প্ৰাণে প্ৰাণে প্ৰাণ
দেখি জুৰয়া নয়ন॥

হেমচন্দ্ৰ গোস্বামী।

২

খাম্বাজ—চৌতাল।

আহা সবে ভাই স্নেহ মালা লই
পিন্ধাওঁ আগ্রহে জাতীয় প্রেমত।
যাব অলপতে বান্ধি অকপটে
আমাসাক এই বন্ধুতা পাশত॥
বিদায় মেলানি অতি অসহনি
লাগিব মাগিব তথাপি দুখেৰে
খাটোঁ। কিন্তু আমি সুখুজিবা তুমি
স্মৰণ শকতি কি আছে অন্তৰে।
মৰমৰ চাব আৰু কত ভাব
হৃদয়ত আকি ৰাখিলা যিখিনি
মন নেমেলিবা তাক সুখুজিবা
কৃতজ্ঞতা পাশে ৰলোঁ সবে ঋণী॥

ৰামেশ্বৰ বৰুৱা, বি, এ।

৩

খাম্বাজ -কাওয়ালী।

বিপদ ভয় ভঞ্জন কাৰা,
কৰাহে কৃপা প্ৰভু
নিজগুণে।
আমাৰ আজি এই উদ্দেশ ধৰি
যাব পাৰোঁ যাতে নিতে আগ বাহি
খিয়লা খিয়লি যাওঁ পাহৰি।

হেমচন্দ্ৰ গোস্বামী।

---

৪

মুলতান একতালা।

নমো বীণাপাণি বসন্তৰ বাণী
পৰমা প্ৰকৃতি দেবী।
সৰ্ব্ব সিদ্ধি দাত্ৰী, জ্ঞান অধিষ্ঠাত্ৰী
প্ৰেম কৰুণাৰ ছবি ॥

জগত পূজিতা অমর বাঞ্ছিতা
উচ্চ কুচ পয়োধরা।
তুমি জ্ঞান সিন্ধু দিয়া শান্তি বিন্দু
স্নেহ মন্দাকিনী ধারা॥
অবোধ সন্তানে বান্ধি আশা প্রাণে
পরিছোঁ চরণে লুটি।
অজ্ঞান আন্ধার গুছোরা মনর
বরষা জ্ঞানর জ্যোতি॥

রঘুনাথ চৌধারী

---

৫

ইমন কল্যাণ—আড়াঠেকা।

আজি কিনো শুভদিন, দুখীয়া জীৱনে,
পূজিছে সকলো মিলি, পুরুষ প্রধানে॥
যিজনে জনম লভি, বিচারি শাস্ত্র সুরভি,
বিলালে বিমল জ্ঞান ভকত জনে॥

যাৰ ঘোষা ৰত্নাৱলী মুক্তিত নিস্পৃহা বুলি
শিকালে ভক্তি নিষ্কাম অজ্ঞানী জনে ॥
যাৰ শুদ্ধ নাম স্মৰি, যায় জীব ভব তৰি
কৰা সবে গুণ গাণ পবিত্ৰ মনে ॥

হেমচন্দ্ৰ গোস্বামী

---

৬

দেশ—কাৰ্‌কা।

মউ পিউ পিউ কৰে প্ৰাণ ভৰি
চোৰাঁ সুধা সবে জৰি জৰি ॥
কিনো চাৰা শোভা,
জ্বলে পুণ্য প্ৰভা,
বয় শান্তি ল'ই ৰূপে ৰস চৰি।
যাওঁ উটি বুৰি,
চাওঁ ঘূৰি ঘূৰি,
গাথোঁ তৰা ফুল, নাচোঁ চালি ধৰি ॥

পদ্মনাথ বৰুৱা।

---

৭

ঝিঁঝিট—কাওরালী।

অযোগ্য সন্ততি আমি
স্বর্গীয় জনম ভূমি,
কর্ত্তব্য পাসরি সবে
কি হলোঁ নোচোরা গমি
আমার জনম ভূমি,
নাছিলে একোতে কমি,
আসিছে বিপথ গামী
হলোঁ পুত্র অকরমী।
অতীত গৌরব স্মরি
হিংসাদ্বেষ পরি হরি,
সেয়োঁ মাতৃ পদে পরি
হয় নতু অধরমী।

হেমচন্দ্র গোস্বামী।

৮

ইমন বেহাগ—আড়াঠেকা।

নাই হে নাই, উদাস যি প্রাণ
কি আছে তাৰ মোহ মায়া॥
ভোগ তৃষ্ণা, উলাহ বিলাহ
সকলো হাঁয় মৰুৰ ছাঁয়া।
সংসাৰত থাকে বুলি
নেধাৰে সি প্রেম ভুলি,
নেভাবে কান্ত পুত্র ভার্য্যা,
মজে লই আপোন কায়া॥

পদ্মনাথ বৰুৱা।

---

৯

ইমন কল্যাণ—একতালা।

আজি শুভ দিনে,　　　মিলি প্রাণে প্রাণে
কৰোঁ আহাঁ সবে ঈশ আৰাধনা,
ভাতিছে চৌদিশে　　　　ৰাঙলী কিৰণ
শোভিছে প্রকৃতি দিব্য্য ভৰণা।

শুন। কান পাতি, আজি সুর লোকে
করুণ সুরত বাজে প্রেম বীণা।
প্রেম অনুরাগী বিহগ বিহগী
ল লত পঙ্কযে গাইছে বন্দনা॥
নীল সিন্ধু গিরি বন উপবন
নিখিল ভুবন যার রচনা,
বেথটির দবে প্রতি পাতে পাতে
আছে নামাঙ্কিত স্নেহ করুণা।
এনে শুভক্ষণে স্বদেশী বিদেশী
আহাঁ মিলি গাওঁ সবল বন্দনা,
গাওঁ ঐক্য তানে হৃদয় তন্ত্রীত
করো জগতত বিজয় ঘোষনা॥

রঘুনাথ চৌধারি

১০

মেঘ মিশ্র ঢিমাতেতালা।

ধীৰ মেঘ দলে ধীৰে ধীৰে ধীৰে
থিৰ গগন ঢাকি যায়;
ধীৰ দিনকৰে ডাৱৰ ওৰণি ঠেলি
ধীৰেৰে ফলনি জমি চায়।
ৰঞ্জি কুঞ্জ বন
পুঞ্জ পুঞ্জ ফুল
ফুলিছে ফুলনি জুৰি তায;
গুঞ্জি গুঞ্জি, ফুল
চুম্বি অলি কুলে
ৰঙেৰে ফুৰিছে মধু খাই;
ফুৰ মলয়া বলে, ধীৰে অমিয়া ঢালে
কুলিযে ললিত গীত গায়।
মন বিভোল বন শোভা চাই

চন্দ্ৰধৰ বৰুৱা

১১

ইমনকল্যাণ—একতালা।

কুঞ্জে কুঞ্জে ফুরোঁ বজে বভেক বঙ্গিনী
আহাঁহে সজ্জিনী।
ফুরোঁ নিজন কানন বন আমি বনবাণী
বনবিহাবিনী, ভুবন মোহিনী,
আহাঁহে সঙ্গিনী ·
(আমি) সমূলি কেনব চৌ, দুবডে হাঁহি বিলাওঁ
চালে চকু জুবাওঁ, ধবিলে কেনিবা যাওঁ ;
নতুন অঙ্গি, নতুন ভঙ্গি, নতুন বঙ্গিনী,
বন বিহাবিণী, ভুবন মোহিনী
আহাঁহে সঙ্গিনী।

চন্দ্রধব বকরা।

---

১২

পূববী—আড়াঠেকা।

আহা জীৱ এবি আজি মানপী জীৱন ;
এতালা ঢুকালা দেখি জীৱন স্বপোন।

কেনি আহি কেনি গ'ল,
কিনো কাৰ্য্য কৰা হ'ল,
কিয় আহি কিয় গ'ল নাই নিৰূপণ।
পৃথিবীৰ মোহ মায়া
পৃথিবীতে এৰি থোৱা,
পাব আজি পুণ্যধাম অতি বিতোপণ॥

চন্দ্ৰকুমাৰ বৰুৱা।

---

১৩

মিশ্ৰ কেদাৰা—ঢিমাতেতালা।

আহাঁ সবে মিলি যাওঁ
দেখিম মিলন তাও
গাওঁ আহা উলাহেৰে
সতী গুণ গান।
সতীত্ব বিমল যশে
দশো দিশ উজলিছে
আনন্দে ভৰিছে ত্ৰিভুবন।

অশ্বপতি নরবর
পালে শত পুত্র বর
অন্ধ রাজে পালে রাজ্যদান,
রাজ পুত্র সত্যবান
এবার হেরাই প্রাণ
পালে পুনঃ নতুন জীবন।
আহা সবে মিলি
দেখো প্রাণ ভরি
সতী পতি প্রেমর মিলন,
বিরহ যাতনা শেষে
প্রেমিক প্রেমিকা হাসে
করিছে প্রেমর আলাপন।
কীর্ত্তিনাথ বরদলৈ।

---

১৪

পিলু মিশ্র—জলদ্ তেতালা।

চোরা সখি আজি
নতুন ধরণে সাজি
কেনেনো শোভিছে ফুলনি,

ভোমোরাই গুন গুন
মাতে কেনে সুচিকুণ
শুনা শুনা কি শুরলা শুনি।
গোলাপ টগর যূতি
রঙ্গেরে হাঁহিছে অতি
সরগর তরা হেন জানি ;
বিধে বিধে তুলি ব'লা
বিনা সুতায় গাঁথি মালা
পূজোগৈ গণেশ জননী ॥

উপেন্দ্রচন্দ্র দাস।

---

১৫

ঝিঁঝিট—আড়াঠেকা।

ইবার দয়াময় দয়াময়
করাহে করুণা অধমে
সদয় হই।

অনাথ কৰিলোঁ মই
প্ৰাণৰ দুটি পুতাই
সাধ্বী সতী জয়মতী
হেৰুৱালোঁ হায়,
ৰাজ কুলে জন্মি আজি
ঘুৰো ভিক্ষা লই।
সুখৰ সংসাৰ মোৰ
পৰিল অকালে ওৰ
আজি পাপ সাগৰত
ডুবি মৰো মই,
দিয়া পতিতক প্ৰভু চৰণ অভয়॥

দুৰ্গানাথ চাংকাকতি।

---

১৬

ঝিঁঝিট—আড়খেমটা।

আহা গাওঁ মিলি সবে জয়,
আহা কি সুখৰ আজি উজান বয়

সুখৰ গীত পুৰা হ'লে গায়,
কৰ্ত্তব্যৰ পাছে লৰি সব প্ৰাণী যায়
তুমি কিয় থাকা পিছু যাই
(হেৰা) মানৱ জনম কৰ্ম্ম ময়।

দুৰ্গানাথ চাংকাকতি।

---

১৭

সাহানা—ঝাঁপতাল।

সুৱনী ফুলনি আজি আহা কিবা শোভা পায়
লাখে লাখে ফুলে ফুল দেখিলে হিয়া জুৰায়।
কিযে কেন কৰে মন,
কিয় এনে উচাতন
মলয়া বতাহে যেন প্ৰাণ মোৰ উৰি যায়।
নীলাকাশে জ্বলে তৰা
কুমু মনে কাহে ধৰা
কুলিয়ে ডালৰ পৰা পঞ্চমত কুহু গায়

বজ্ৰধৰ বৰুৱা, বি, এল্।

---

১৮

সুরট মল্লার—টিমাতেতালা।

উঠাহে উলাহে গাওঁ গান, সখি !
অমানিশা যায়
উষার কিরণ পায়
ঝিলিকি ধরণী আহা সুখে ভরা প্রাণ।
নীলাকাশে হাঁহে
মধুর মলয় বহে
তরুলতা ফুলে নাচিছে উলাহে
গাইছে ডালত কুলি প্রাণ বিমোহে
রসময় আজি প্রাণে
নায় লাজ মান।

দুর্গানাথ চাংকাকতি

১৯

ইমন কল্যাণ—আড়াঠেকা।

আজি কিনো শোভা দেখো নয়নে
শোভিছে মায়াৰ পুৰী
চাৰু ভূষণে।
এই যে মায়াৰ পুৰী ৰাজ নগৰী
ধৰে কিবা শোভা আজি
অতি মনোহৰ।
এই মায়াপুৰে দুখনিশা ওৰে
মিলি সৱে পিতা পুত্ৰ পত্নীগণে,
নিৰঞ্জন কামপুৰী, মিলিব আজি
ভবানাশে সতী ৰতনে॥

লক্ষ্মীৰাম বৰুৱা।

২০

ইমন কল্যাণ—আড়াঠেকা।

(আজি) ধীরে যায় বহি মলয় পবন।
সুমঙ্গল চারি দিশ উজলি ভুবন।
গায় আজি ভক্তি ভারে
পৃথিবীর লোক সবে
বিমল আনন্দ মনে মাধবের নাম।
নিষ্কাম ভকতি জ্ঞান,
করিলে যি জনে দান,
জীবক ভাবিলে হই অধম তারণ;
যি জনর নাম স্মরি,
জীবন পবিত্র করি,
আহাঁ তাই করোঁ সবে মুক্তির বিধান।

নবীনচন্দ্র বরদলৈ, বি, এল্।

২১

মূলতান—একতালা।

বন্দে দেব মাধব জীব বান্ধব
মহান পুরুষ নাম।
বৈষ্ণব গণ শিব ভূষণ
ভকত মহা নিষ্কাম
এক সনাতন ভজন পূজন
একহি নাম মন্ত্র.
অন্য দেবী দেব নোহে নোহে কেব
মিছা পূজা বলি তন্ত্র।
পরম পুরুষ পরম অনন্ত
পরম প্রেমর তত্ত্ব।
প্রচার করিলা জীবক তারিলা
কিমত তান মহত্ত্ব।
হেনয় পবিত্র যাহার চরিত্র
সেই প্রভু মহাজন।

চরণ কমলে ভক্তি পুষ্পদলে
পূজা, হৈ এক মন ॥

নবীনচন্দ্র বরদলৈ, বি, এল।

---

২২

ভূপ খাম্বাজ—একতালা।

( নমো ) দেৱ মাধৱ ভক্ত বান্ধৱ
রাজীব তযু চরণে ;
নিষ্কাম ধরম, প্রচারিলা দেৱ
শাস্ত্রক অখিলা জ্ঞানে।
যোগী সনে দেৱ বিহরা সুখে
স্নিগ্ধ সুনীল গগনে;
সার যুকুতি প্রকাশি যোছিলা
নাজানো কি যোগ ধ্যানে।

যি পথে দি গলা চিন থৈ তুমি
সি পথক ধৰি সকলোৱে মিলি
আহাঁ ভাই আহাঁ, যাওঁ উলাহেৰে
সেই মহাজন স্থানে।

লক্ষেশ্বৰ শৰ্ম্মা, বি, এ।

২৩

সিন্ধু খাম্বাজ—দাদৰা।

কিয় বাজে মধুৰ বাঁহী
আজি খুলি মন প্ৰাণ
সুমঙ্গল গান
কিয়বা জগতে গাই।
কিয়বা ভকতে আজি
ভকতি সাগৰে মজি,
প্ৰেমে মাতোৱাৰা
"নামে" সুখ ভৰা
হিলোল কৰৈবা চাই।

এৰি হোম বলি দান
অতি নিৰমল, ভকতি ৰসাল
অব্যক্ত ঈশ্বৰ ধ্যান ;
শিকালে যি জনে
সেই মহাজনে
মাধৱৰ তিথি আজি।

গিৰীশচন্দ্ৰ বৰদলৈ, বি, এ।

---

২৪
ললিত—একতালা।

বীৰ প্ৰসবিনী অসম জননী
আজি কিয় দেখো এমুৱা দুখুনী ?
তোমাৰ বুকৰ পুৰুষ শঙ্কৰ,
পবিত্ৰ পুৰুষ সুপবিত্ৰ জ্ঞানী।
আজিৰ দিনত পবিত্ৰ পাদত
কৰোঁ আহাঁ পূজা সৱে মিলি আমি,
অবোধ সন্তান আমি হে অজ্ঞান
ক্ষেমিবা সকলো লৰামতি জানি।

জ্ঞাননাথ বৰা।

২৫

ইমন ভূপালী—একতালা।

জয় জয় জয় দেৱ
শঙ্কৰ পুৰুষ হে।
ধৰ্ম্মৰ আকৰ পুৰুষ ঈশ্বৰ
প্ৰণামো চৰণে হে।
তোমাৰ গুণত অসম মোহিত
মোহিত পৃথিৱী হে।
তোমাৰ পদেৰে পবিত্ৰ ভাৱেৰে
শিকালা ধৰম হে।
তোমাৰ চৰণ কৰো আৰাধন
ক্ষেমিবা দোষক হে।
অবোধ সন্তান আমি হে অজ্ঞান
নেজানো পূজন হে।
আজি অসমৰ যত নাৰীনৰ
তযু গুণ গায় হে

আমিও মিলিছোঁ গাও বুলি তয়ু
সুপবিত্র নাম হে।

অম্বিকানাথ বরা।

২৬

সারঙ্গ মিশ্র—টিমাতেতালা।

সকলোরে আজি প্রেমরসে মজি
পূজা দের শঙ্কর চরণ।
অসীম প্রেমে অসীম জ্ঞানে
সাধিলে যি দেশর কল্যাণ।
ভক্তি হীন প্রাণে ভক্তিরস দানে
প্রেমময় করিলে যি প্রাণ।
সরজিলে ভাষা দিলে নব আশা
প্রচারিলে নিষ্কাম ধরম।

কৰ্ত্তব্য পালন  পৰম সাধনা

এনে শিক্ষা যি জনৰ দান।

সেই মহাজনে  সবে এক মনে

পূজি আজি লভা তত্ত্ব-জ্ঞান।

গিৰীশচন্দ্ৰ বৰদলৈ, বি, এ।

২৭

অহং- একতালা।

উঠা বীৰ সব উঠা কাচি পাৰি,
সমুখ ৰণত যোৱাঁ শাৰী শাৰী;
লোৱা অস্ত্ৰতুলি যাৰ ভাগে যেনে,
ৰখাহে মানক আজিৰ ৰণে।
তোমাৰ দেশক নিলে মানে কাঢ়ি,
তোমাৰ ভেঁটিত গজালে ভুৰবি;
তোমাৰ ৰজাক পেলালে খেদি,
লাগেনে আৰু বিলাই বিপত্তি।

তোমাৰ কিনো সকৰিলে মানে ?
তোমাৰ শিশুক বধিলে প্ৰাণে,
তোমাৰ ভায়াক পেলালে কাটি,
তোমাৰ তিৰীৰ মাৰিলে জাতি
বীৰ হোৱা যদি তোমা সকলোৱে,
লোৱা অস্ত্ৰ তুলি যাব ভাগে যেনে,
কৰাহে সঙ্কল্প দেৱতাকৈ চাই,
কাটিম মানক আজিৰ ৰণে ॥
বধিম মানক সমূলঞ্চে আজি,
নথঙ্ নথঙ্ নথঙ্ মান ;
থুকুচি থুকুচি কাটিম মানক,
তেবেসে জুৰায় তাপিত প্ৰাণ।
ৰাক্ষস পিশাচ পাষণ্ড মান,
কাটিম কাটিম কৰি খান খান ;
গুচাম গুচাম দেশৰ বৈৰী,
ৰাখিম কীৰিটী জগত জুৰি।
জয় অসমীয়াৰ জয়,
জয় স্বৰ্গ দেৱতাৰ জয় ;

গোৱাঁ বীৰ সব সৱে্ৰ্ঙ্গ মেলি,
কৰা সত্য পণ ফেৰভালৈ চাই।
"ৰাক্ষস পিশাচ পাৰও যান"
"কাটিম কাটিম কৰি থান থান।"

ৰজনী কান্ত বৰদলৈ বি, এ।

২৮

সিন্ধু মল্লাৰ—ঢিমাতেতালা।

আহাঁ সখি আহাঁ যাওঁ
নিকুঞ্জ বনলৈ।
মোহন মুৰাৰি পীত বংশী ধাৰী,
বাঁহী হাতে ৰখি আছে তোমালৈকে চাই॥
কানু প্ৰেম ৰঙ্গে
হৃদয় উপচে
চাওঁ ব'লা প্ৰেম খেলা খেলে কেনেকই॥

গিৰীশচন্দ্ৰ বৰুৱা বি, এ।

২৯

ছায়ানট—কাওৱালী।

ফুলিছে যূতি, মোৰ ফুলনিতে
ভোমোৰা আহি ধৰিছে লোভতে।
ৰূপহী যূতি, মুখেৰে মেলাতি,
হাঁহি হাঁহি, পৰে ঢলাহতে।
ঘূৰি ঘূৰি ফুৰিছে ভোমোৰা,
উৰি উৰি সুধিছে বতৰা,
দিয়া মধু পিব, যূতি সুবদনি,
হালি হালি নপৰা লাজতে ॥

লক্ষ্মীনাথ বৰা।

৩০

মিশ্র মুলতান—একতালা।

কি সুন্দৰ ৰূপ আজি দেখোঁ নয়নে।
সৃজিলে বিধাতা কিনো ৰমণী ৰতনে

তেজে ফুটো ফুটো কৰে, মুনি জন মন হৰে,
আছে যদি ভাগ্যে হব স্বৰ্গসুখ মিলনে॥

লক্ষ্মীনাথ বেজবৰুৱা।

---

৩১

তুক সুৰ—একতালা।

মালতীৰ এপাহি   বকুলৰ এপাহি,
যূতিৰে এপাহি লৈ।
প্ৰেম গাঁথনিৰে   প্ৰণয় ডোলেৰে
আহাঁ মালা গাথোঁ গৈ॥
সোণালী বৰণে   ভাতে জোনাবায়ে
সুধা ঢালি দিব গৈ।
ৰুক্মিণী সুন্দৰী   শ্যাম গলে ধৰি
বক্ষেৰে পিন্ধাব গৈ॥
কুণ্ডিল নগৰী   শোভিছে লগ,ৰা
শ্যাম ৰুক্মিণীকে লৈ।
যতেক সুন্দৰী   এৰে ঘৰ-বাৰী
শ্যামত বলীয়া হৈ॥

লক্ষেশ্বৰ শৰ্ম্মা বি, এ।

৩২

সাহানা—ঝাপতাল।

নেলাগে আনিব ছিড়ি,
আছে ফুলি ফুল পাহি,
আলসুরা বন ফুল ছিড়িলে পরিব বাহী।
তুলি ললে সাদবেবে,
লাজতেই জঁই পবে,
পাতৃব আবত হলে থাকে মিচিকাই হাঁহি।
আঁতবতে থাকি সখি,
অলক্ষিতে থাকা বখি,
কি জানি আজলী দেখি তোমোবাই বিদ্ধে আহি॥

রাধানাথ ফুকন এম, এ, বি, এল্

---

৩৩

ঝিঝিট খাম্বাজ—একতালা।

(আজি) বজোৱাঁ বজোৱাঁ বজোৱাঁ হেবা,
জগত ভুলা মোহিনী তান,
চৰায়ে নাচক, তবধ লাগক,
আটায়ে মিলি গোৱাহি গান।

আকৌ পৃথিৱী ৰঙ্গত ভুলিব,
ফুলনিত ফুল আকৌ ফুলিব,
কবিতা শুনিম, সুখত উটিম,
বানীয়ে দিব করুণা দান।
আকৌ সুখৰ মলয়া বলিব,
তোমাৰ পোহৰ আকৌ পৰিব,
তোমাৰ গুণত পুৰক জগত,
মদনে ধৰিব ফুলৰ বান॥

দেবেন্দ্রনাথ বৰুৱা।

৭৪

মিশ্র ললিত—একতালা।

ই মিলন গুণে কি শোভা শোভিছে,
কিয়নো আজি অন্তৰে কান্দিছে।
অতীত অতীজ, স্মৃতি সুৰবি যে,
প্রাণ বীণা আজি সঘনে বাজিছে,

নেজানে কি স্থুৰে ই বীণা জোকাবে,
কিবা সুখ-গীত ভাবিছে অন্তৰে ॥
কৰ্ম্মী জীৱনৰ চাপিলা ওচৰ,
জানিলোঁ হে ভাই হবা যে আঁতৰ,
সুখে দুখে থাকি হৃদয়ে হৃদয়ে,
বোৱালা চেনেহ অমিয়া ধাৰাবে,
ভাৰ যে সুভনী কি আছে কি দিম ?
প্ৰীতি সৰলতা কিহেৰে যাচিম ?
কামনা হে বেণু, বিভু চৰণৰ
হয় যেন তব অম্নু জীৱনৰ,
যাও বচনৰ সমিধান নাই,
বাঞ্ছো, লোৱা দিলো হিয়া উবুৰাই।

নীলমণি ফুকন।

৩৫

ইমন্ কল্যাণ—আড়াঠেকা।

সোঁৱৰা সকলে আজি মহত জীৱন,
মাতৃ ভাষা মাতৃ-ভূমি হিতৰ কাৰণ।
উচৰ্গি যি জনে প্ৰাণ এই জগতত
অক্ষয় কীৰিটি থ'লে নিজৰ গুণত
বছৰে বছৰে যেন সকলোৱে মিলি,
এই দৰে সমৰ্পিম ভক্তি পুষ্পাঞ্জলি।
আকিঞ্চন বীৰ পূজা শক্তি অনুসৰি,
লোৱা দেৱ উপহাৰ সৰল গোহাৰি ॥

সদানন্দ দুৱৰা, বি, এ।

---

৩৬

ৰাগেশ্ৰী—আড়াঠেকা।

বিতৰা কৰুণা দেৱ ভকতি পৰাণ জুৰি,
তোমাৰে পূজাৰ যোগ্য হওঁ কাল অনুসৰি।

গঢ়ি যি ধৰ্ম্মৰ সেতু প্ৰজাৰ মঙ্গল হেতু,
সাধিলা সংসাৰ কাৰ্য্য নিজ স্বাৰ্থ পৰিহৰি ।
ভাষা মালা গাঁথিলৈ বোৱাই জ্ঞানৰ নই,
বেদ গীতা ভাগৱত বুজালা সহজ কৰি,
সমাজ শোধিলা নিজে ধৰি দয়া প্ৰীতি কি যে,
পূজিছে সকলে আজি হোৱা তুষ্ট বাঞ্ছা পূৰি ॥

ৰামেশ্বৰ বৰুৱা, বি, এ

---

৩৭

সাহানা—যৎ ।

কৰা কৃপা দয়াময় কৰিছো মিনতি,
বাৰ পূজা আৰাধনা থাকে যেন মতি ।
আমি অতি মূঢ় মতি, নেজানো মিনতি নতি,
তোমাৰ কৰুণা বিনে নাই আৰু গতি ।
তবু দয়া হৃদে ধৰি, তোমাতে ভৰসা কৰি,
যথাসাধ্য আৰাধিছোঁ পূজাৰ আৰতি ।

নিজ গুণে তুষ্ট হৈ, যত দোষ ক্ষমি লই।
আশীর্ব্বাদ করা দেব ত্রিজগত পতি।
সময়ে সময়ে যেন, মিলো এই মন প্রাণে,
গুণী গুণ পূজা সেৱা আশকতি॥

রামেশ্বর বরুৱা, বি, এ।

---

৩৮

বেহাগ খাম্বাজ—একতালা।

ভাব গতি বুজা গুণী গুণ পূজা
কবে অভিলাষ অন্তরে।
সকলোরে আজি উলাহেরে সাজি,
পূজো আহাঁ অতি সাদরে।
গুণীর সগত পরি একালত
বিজুলীর দরে জ্বলিছে যি জন,
ধর্ম্মর মারলি চোৱা বত্মারলী
আছে যার তেঁও জগত রতন॥

একেশ্বর বাদী ভাবাব সাবথি
মাধবৰ নামে পবিত্র বিলাব।
ভক্তিৰ আবতি স্নেহ শ্রদ্ধা প্রীতি,
তেওঁকে আবাধি, কি যে ধন্য যাব॥

বামেশ্বৰ বৰুৱা, বি, এ।

---

৩৯

জয় জয়ন্তী—ঝাপতাল।

কালৰ সোঁতত পৰি, মোহমায়া আদি কৰি,
বহিব লাগিছে নিতে; প্রকৃতি জটিলা গতি।
যায় দিন যায় ৰাতি, অবাধে সকলো কাটি
এনে কাল ধৰে যেয়ে, সেয়ে অতি মহামতি।
স্মৃতি ধৰি অতীতৰ, পুণ্য আত্মা "আনন্দৰ"
স্মৰণ উদ্দেশে আজি, মিলিছোঁ সকলো আমি
ভক্তি শ্রদ্ধা হৃদে ধৰি, বীৰ পূজা লক্ষ্য কৰি,
পূজাৰ আৰতি দিওঁ ভক্তিভাবে মনে নমি।

হোৱাঁ তুষ্ট জ্ঞানাধাৰ ক্ষমা দোষ আমাসাৰ
নেজানো পূজাৰ বিধি, অজ্ঞান অভঁজা বুলি।
অনভিজ্ঞ আমি যত, তুমি জ্ঞানে পূৰ্ণ তত,
পূজা অৰ্থে দিছো কিন্তু, আগ্ৰহেৰে হিয়া খুলি।

ৰামেশ্বৰ বৰুৱা, বি, এ।

---

৪০

হাম্বিৰ—কাওৱালী।

স্মৰা আজি এটিবাৰ,
সংসাৰ যুজত জয় অবশ্যে আমাৰ।
"আনন্দ" আদৰ্শ ধৰা, ক্ষুদ্ৰ স্বাৰ্থ পৰিহৰা,
বিশ্বজ্ঞান তুলনাত সকলো অসাৰ।
জ্ঞানেৰে শোভিত হই, জ্ঞান নদী মথি লই,
জগত উন্নতি সাধা সেয়ে সাৰাৎসাৰ।
পাশ্চাত্য জ্ঞানক লভি, পূৰ্বা জ্ঞানে হিয়া শোভি
মিলালে দুয়োকো তেওঁ জ্ঞানৰ আধাৰ।
সেয়ে পূজা দেব আজি, হৃদি ভক্তি ভাবে সাজি,
দিয়া পূৰ্ণাহুতি ভক্তি যি সাধ্য আমাৰ।

ৰামেশ্বৰ বৰুৱা, বি, এ।

৪১

সৰফৰ্দ্দা—একতালা।

নিশা পৰভাত আজি উঠা আখি মেলি এ।
সুপ্ৰসন্ন চতুৰ্দ্দিশে বহিছে মলয়া এ।
সবে নিদ্ৰা পৰিহৰি,
উঠি বোলা হৰি হৰি,
হৃদয়ে ভকতি ধৰি পূজা তাৰ পদ এ।
যত বিহঙ্গম চয়,
সুখে হাৰ গীত গায়,
তাসবাৰ সঙ্গে সুৰে ধৰাঁ হৰি নাম এ।
পূৰবে সূৰুয উদি,
জ্বলিছে গগন ভেদি,
বিভুৰ বিমল ৰশ্মি ধৰা বহি যায় এ।

সত্যনাথ বৰা, বি, এল্

৪২

খাম্বাজ—একতালা।

মিনতি কৰিছোঁ কৰজোৰ কৰি
কৰা কৃপা হৰি অধম জনে
ৰাখিবা সদা চৰণে।
মনৰ আন্ধাৰে পৰি আমি নৰ
কত অপৰাধ কৰিছোঁ ঈশ্বৰ,
ক্ষেমিবা সি সব দোষ অজ্ঞানৰ
দয়া কৰি প্ৰভু, আপোন গুণে
ৰাখিবা সদা চৰণে।
তযু পাদে প্ৰভু, এই নিবেদন
পৰহিতে যেন থাকে সদা মন
পৰৰ কাৰণে কান্দে যেন প্ৰাণ
নাহি আন বাঞ্ছা আমাৰ মনে
ৰাখিবা সদা চৰণে॥

সত্যনাথ বৰা, বি, এল্।

### ৪৩

ঝিঁঝিট—একতালা।

কি সুখৰ দিন আজি কেনে প্ৰীতি ভাৱ এ।
আনন্দে নধৰে হিয়া সকলো ভাই বন্ধুৰ এ।
ঈশ্বৰৰ কৃপাগুণে, আহি সৱে জনে জনে,
প্ৰাণভৰি মহাৰঙ্গে কৰিছো উৎসৱ এ।
বছৰে বছৰে যেন, হয় এনে সুমিলন
আহি যেন সৱে পুনঃ সুকাৰ্য্য সাধয় এ॥

সত্যনাথ বৰা, বি, এল্

---

### ৪৪

ঝিঁঝিট—একতালা।

ফুলনি আজি বসন্তে সাজি
হাঁহিছে কিনো উলাহেৰে।
হাঁহে যূজিয়ে হাঁহে জাপিয়ে
হাঁহে মোহনৰূপে আনন্দেৰে॥

টগর ফুল রঙ্গেরে চাই,
কদমে তাতে দিছে উজান
মলয়া বলে হিয়া জুবাই
মোহিছে সখি, মানব প্রাণ ;
আহা সখি, তুলি ফুল
গাথোঁ মালা যতনেরে ॥

দেবেন্দ্রনাথ বরুয়া।

---

৪৫

ঝিঁঝিট - একতালা।

আহা কি আনন্দ বায়ু পরাণে বহিছে এ।
সুখর প্রভাত আজি, সবে প্রেম রসে মজি
করিছে উৎসর পুনঃ বছরর পাচে এ।
মধুর শবদ তুলি পরম্পরে ভাই বুলি
আহা ভাই সকলোরে আনন্দতে মজো এ।
যতেক ইন্দ্রিয় আছে, বিমল ভ্রাতৃত্ব ভাবে,
স্বৰ্গীয় প্রেমত আজি নাচিব লাগিছে এ।

আহাঁ ভাই আহাঁ সৱে পূজো এই মহোৎসৱে
স্বভাবে সদাই যাক পূজিব লাগিছে এ।
যাৰ শুভ কৃপাবলে, মিলিছোঁহো এই স্থলে,
শাৰদ আনন্দ বস্ত্র হৃদয়ে উদিছে হে॥

অজ্ঞাত

---

৪৬

পূৰবী—আড়াঠেকা।

চোৱাঁ চোৱাঁ দুষ্টবাহু গিলিছে আসাম জোন।
ওলাব পাৰিব জানো কোৱাঁহে সবৰ-জ্ঞান।
চাওঁতে চাওঁতে হাঁয়,
গিলি নিছে কেনেকই,
পেটত সুমাই থ'লে ওলাবনে কোৱাঁ চোন।
হৰিক ভজিলে ভাই,
উলিয়াব বঁতিয়াই,
নোৱাৰে সহিব পাপী ঈশ্বৰ নাম কীৰ্ত্তন।

বেণুধৰ ৰাজখোৱা, বি, এ।

---

४৭

বেহাগ—আড়াঠেকা।

আমাৰ কি গতি কৰিলাঁ,
সমুদ্রৰ মাজে প্রভু গুৰি এৰিলাঁ।
আৰু একো আশা নাই,
দেখিছোঁ ঢউৰ হাঁয়,
মৃত্যু আবাহনী হেৰা ভীষণ লীলা।
দয়ামণি দয়াধাৰ,
দিয়া দেখা পুনৰ্ব্বাৰ,
কিয় অন্তৰ্দ্ধান হ'লা প্ৰাণ মাৰিলা॥

বেণুধৰ ৰাজখোৱা, বি, এ।

---

৪৮

ভৈৰবী--আড়াঠেকা।

ক'লৈ গলা প্ৰাণ প্ৰিয়া,
চেঙ্গা দি নিচলা প্ৰাণে।
শুদা দেখো চাৰি দিশ
আজি তুমি অবিহনে॥

সুখৰ সপোন মোৰ,
একে তিলে হ'ল ওৰ,
অকালে মেলানি লই,
যাবা আজি কোনে জানে ॥
সংসাৰৰ লীলা খেলা
তভালিকে সামৰিলা
নেভাবিলা এটীবাৰো
কি হ'ব অভাগা প্ৰানে ॥

লক্ষ্মীৰাম বৰুৱা।

---

৪৯

ললিত - আ · াঠেকা।

নিচিনিলোঁ অসম আই
এতে দিনে কথা ই কি!
কি কাৰণে অসমীয়া বুলি দিছোঁ হে চিনাকি।

যাৰ পৰা জন্ম পালোঁ,
তেনে আই নেজানিলোঁ,
হলোঁ অধোগামী কিনো আৰু কিবা আছে বাকী ॥

বেণুধৰ ৰাজখোৱা, বি, এ।

---

৫০

ইমন বেহাগ — একতালা।

গায় হে যায় ই মোৰ পৰাণ,—
পাৰিলে ৰাখি দিয়া।
চিন্তা জুয়ে আগুৰিলে,
গোটাই মোৰ কোমল হিয়া।
দেহাৰ পোৰণি ধৰে,
জানো আজি পৰাণ মৰে,
বন্ধুবৰ্গ আহা চাপি—
আজি সকৰাই নিয়া ॥

বেণুধৰ ৰাজখোৱা, বি, এ।

---

৫১

সোহিনী বাহাৰ—জলদ তেতাল।

যুতি জাতি ফুলে গুন গুন সুৰে
    ভোমোৰা চুমিছে বহে আহি।
তাতে জোনাবায়ে তাতে তৰা বোৰে
    ঢালে কিৰণ সুখে চাহি।
ৰঙা গোলাপ ফুলি তালে তালে নাচি
    ৰঙতে ফুলিছে ভাহি;
তাহা আমি দুয়োজনে নাচোহে ৰঙ মনে
    জগতে নাচোক ফুল পাহি;
    মিলি প্ৰাণে প্ৰাণে উলাহে নাচোহি॥

লক্ষেশ্বৰ শৰ্ম্মা, বি, এ।

---

৫২

মিশ্ৰ খাম্বাজ দাদ্ৰা।

বাঁহি মাতিছে    বীণা বাজিছে
    শ্যাম নাচিছে ঐ।

শৰত জোন নীল গগন
গোপিনীগণ নৈ।
কি বিভোপন কৰা দৰ্শন
ভৰি নয়ন ঐ।
মথুৰাবাসী ৰঙত সাজি
হাহিছে আজি ঐ।
কোনে কিৰিটী জ্বলিছে জোতি
কি শোভে ৰাতি ঐ।
আজি হে সখি! শ্যাম নিৰখি!
জুৰাওঁ আঁখি ঐ॥

লক্ষেশ্বৰ শৰ্ম্মা, বি, এ

---

৫৩

মিশ্ৰ ঝিঁঝিট—ঠুংৰী।

নকৰা আৰু মেলাগে শুনো
তেওঁৰ নাম,
সুতুলিবা কথা পৰাণেৰে গথা
উজাবিলে অতি দুঃখ পাম।

কাঁইটিয়া পুলি কলো কিবা বুলি
এতিয়া ভাবিছো পৰিণাম ॥

বিষ্ণুপ্ৰসাদ ছুৰৱা, বি, এল্।

---

৫৪

খাম্বাজ—কাওৱালী।

দীন ছুখীয়া, আমি অসমীয়া,
কৃপাকৰা প্ৰভু হৰি।
তয় কৃপা বিনে অসমীয়া জাতি
ঠায়ৰে হ'ব আহৰি।
হেৰা কৃপাসিন্ধু, বিনে কৃপাবিন্দু
দানহীন জীৰ্ণ ক্ষীণ যাব অসমীয়া মৰি।
চৰণে চপাই, ধৰিবা গোঁসাই,
গাতে: চৰণত ধৰি ॥

বেণুধৰ ৰাজখোৱা, বি, এ।

---

৫৫

ইমন কল্যাণ—আড়াঠেকা।

সুন্দর অসম রাজ্য, প্রকৃতির পুণ্য ভূমি।
কারত পর্ব্বত শ্রেণী ধরিছা মোহন তুমি।
( তোমার ) করিছে দেহা পবিত্র,
মহানদ ব্রহ্মপুত্র,
নীলাচল শোভে আরু তীরথ বহু ধরণী।
বিরাজিছে উমানন্দ,
পরশুরামর কুণ্ড,
দেখিছোঁ ঈশ্বর লীলা কিয়নো নিরাশ আমি।
যি দেশর এনে কান্তি,
তার কিবা ভয় ভ্রান্তি,
আহাঁ বুকুভরা প্রেমে, পূজোঁ অনাথর স্বামী।

বেণুধর রাজখোৱা, বি, এ।

৫৬

খাম্বাজ—একতালা।

সেউতী মালতী আজি আহা কেনে কলিয়ায়।
হৃদয় ফুলনি জুবি আশা কলি মিটিকায়।
যেতিয়া ফুলিব ফুল,
কৰিব মন আকুল,
অন্তৰ পোহৰ হ'ব গুচিব যত অপায়।
খাটিছোঁ বিভূৰ যেন,
বাঢ়ে কলি দিনে দিন,
দুষ্টপোকে যেন তাক ঠাৰি কুটি নসবায়॥

বেণুধৰ ৰাজখোৱা, বি, এ।

৫৭

ঝিঁঝিট—একতালা।

স্বৰগত ফুলিছে প্রেম পাৰিজাত,
সুগন্ধে মোহিছে ধৰাৰ প্রাণী—
সঞ্জীবনী বায়ু ফুৰিছে জগতে
শিকাইছে ধৰাক ন সাজ আনি।

পশ্চিম দিশত, সুসভ্য ব্রিটনে
জ্ঞান পাবিজাত কবিছে মুকলি
মলয় বতাহে ভাগ ভাগ কবি
বিলাই ফুবিছে ধীবেৰ বলি।
এনে শুভদিনে নিজ নিজ ভাগ
লওঁ আহাঁ সবে ভাই বন্ধু মিলি
এবি ঘোৰ নিদ্রা জ্ঞানলাভ অৰ্থে
জাবনিব পৰা ওলোৱা মুকলি॥

দেৱনাথ বৰদলৈ।

---

৫৮

বাগেশ্রী—আড়াঠেকা।

নেবাজে উলাহ বীণা আজি বেজাবতে,
থাকি থাকি উচুপনি উঠে হৃদয়তে।
এবি যাব প্রিয় জনে,
নসহে নসহে প্রাণে—
নোখোজে বিদায় দিব কান্দিছে দুখতে।

যাবা যদি প্রাণ সখি,
হোৱাঁ ধনী মানী সুখী,
প্রণয়ব স্মৃতি যেন বাখিবা মনতে।
চকুব আঁতব হ'লা,
হিয়াত ছবিটি ল'লা,
বঙ্গেৰে দুখেৰে তাকে চাম অবিবতে।

চন্দ্রধব বকরা।

---

৫৯

সাহানা—ঝাঁপতাল।

আহাঁ আহাঁ জগন্নাথ, আসাম দুখুনী ধন।
পবম অমূল্য নিধি আসাম ভূমি ভূষণ।
উজলি ভাটিত আজি
সবল প্রেমত মজি
আদবে তোমাক সবে প্রেমত বিভোল মন।
সুদূব ইংলণ্ড জুবি
বোৱালা যশস্যা-জুবি
কৃতার্থিলা আসামক কিনো তুমি মহাজন।

নাই যোগ্য উপহার
ধরা প্রীতিফুলহার
জনম ভূমির লোয়া আশীর্ব্বাদ অগণন।
ঝিলিকা ঝিলিকা অতি,
বিলোয়া মোহন জ্যোতি
পোহবোয়া চিরকাল এন্ধার ঘোর গগন।

অজ্ঞাত—

---

৬০

অহং—একতালা।

আজি কি শুভদিন বিভোপন
রঙ্গতে মগন পরাণ মন।
গোয়া গোয়া সবে উলাহ গান
জয় জগন্নাথ বোলা সঘন
রঙ্গেরে কুলিয়ে অমিয়া ঢালে
রঙ্গেরে ফুলনী উপচি ফুলে
রঙ্গেরে মধুর মলয়া বলে
ধরে প্রকৃতি রূপ শোভন।

আনাহে মুকলী আনাহে বীণ
ধৰাঁ উলাহেৰে মধুৰ তান
গোৱাঁ গোৱাঁ সবে উলাহ গান
"জয় জগন্নাথ" বোলা সঘন।

অজ্ঞাত- –

৬১

মেঘমল্লাৰ—একতালা।

কি মধুৰ আজি দিন বিত্তোপন
কিনো উলাহত মগন মন।
হৃদয় বীণে ধৰে নবসুৰ ধীৰ মধুৰ হে
কিনো জুৰিছে নতুন ৰাগিণী হে।
উঠা যত ভাই উলাহ মনেৰে
হোৱা একে মন অভিন প্ৰাণ
ধৰা উন্নতিৰ বাট বজেৰে
যাব যতেক বিঘিনি হে, দীন দয়াল হে;
তুমি বিতৰা করুণা কালিকা হে।

চন্দ্ৰধৰ বৰুৱা।

৬২

বৃন্দাবনী সারঙ্গ—পামশা।

কিবা সুমঙ্গল আজি শুভদিন
বাজে আনন্দেরে মঙ্গল বীণ—;
সুমঙ্গল, সুমঙ্গল, সুমঙ্গল।
মঙ্গল গুঞ্জন গুঞ্জিছে অলি—,
পঞ্চম সুর ধরি গাইছে কুলি,
সুমঙ্গল, সুমঙ্গল, সুমঙ্গল।
বলে জুর সুমধুর,
নির্ম্মল মঙ্গল মলয়া ধীর,
সুমঙ্গল, সুমঙ্গল, সুমঙ্গল
বাজোক মুরলী নাচোক প্রাণ
বাজোক বীণ তুলি মঙ্গল তান;
সুমঙ্গল, সুমঙ্গল, সুমঙ্গল।
হাতে হাতে ধরি ধরি,
গোরাঁ সবে রঙ্গেরে মঙ্গল করি,
সুমঙ্গল, সুমঙ্গল, সুমঙ্গল।

চন্দ্রধর বরুয়া

৬৩

ইমন কল্যাণ —কাওয়ালী।

চোয়াঁ হে জাতি যূতি মালতী
মিলি কেনে ফুলিছে।
কিবা শোভা ফুলনিতে প্রাণ হরিছে।
বতাহে ডাল হালে জালে
নাচে রঙ্গেরে ফুলে
চোয়াঁ সেই ফুলনিতে
তাল তমালে ভরিছে।
তাতে গুঞ্জরে ভোমোরা আছি,
তাতে ঝিলিয়ে চুপহে পাহি,
ময়ো যেন হায়
(তাতে) ধলি পরো গই
ধরি সারটি মউ পিওঁ গই
আহাঁ মালা গাথোঁ যাই—
বকুল ফুলে কদম মিলাই,

আমি তাতে মিলো আঁটা
ফুল যেনে মিলিছে।

লক্ষেশ্বর শর্ম্মা, বি, এ।

---

৬৪

ইমন কল্যাণ ঠেওৰা।

প্ৰণমো তাৰিণী শুভ বিধায়িনী
অশিব নাশিনী কলুষ হৰা।
করুণা বিতৰি অমিয় ধাৰা
ৰৰষা ৰৰষে ডুবিত হৰা।
মিলন ডোলে বান্ধা সকলে
পবিত্ৰ হৃদয় প্ৰদানা তাৰা।
দিয়া জ্ঞান জ্যোতি জননী কমলা
আমি অসমীয়া সমূলি অজলা
অতি অনাথিনী আসাম জননী
হে শুভঙ্করি করুণা কৰা॥

বিনন্দিৰাম।

---

৬৫

সপিলোঁ চরণে পরাণ আজি,
প্রেমে ভরপূর পরাণ বিভোর
তোমার প্রেমমতে মজি।
(তুমি) নিদাঘর যূতি শরতর রাতি
বসন্ত কালর কুলি।
জীবনে অমিয়া নাগর ধুনীয়া
মরণে অময়া পুরা।
আছোঁ হে রতনে তোমার কারণে,
হৃদয় আসন সাজি।
হৃদয় শোণিতে দিমহে দিমহে
রাজীব চরণ রাজি ॥

গিরাশচন্দ্র বরদলৈ, বি, এ।

৬৬

ভৈরবী—একতালা।

সোনালী স্বরগ জিনিকে ধরণী
কিবা বিভোপন রজনী।
মলয়া বহিছে শবার সিয়ঁরে
কিবা মধুময় চাঁদনি।
সুরগী ফুলির কিবা মউ মাত
সুরনী ফুলনি কিবা ফুলপাত,
প্রফুল্লিত সবে বসন্ত আগমে,
উলাহে নধরে ধরণী।

নবীনচন্দ্র বরদলৈ, বি, এল্।

---

৬৭

ভূপালী—ঢিমা তেতালা।

মাতে ফুলিয়ে আমনি জিনি,
মদনে বাউলী, সোনলৈ চাই।
বসন্ত মলয়া বলে বিবি বিবি
উত্রায়ল করে পরশি গায়॥

উঠে ভেদি হিয়া মৰমৰ অমিয়া
মাতে ডিঙ্গি তুলি, সুৰ মৰমীয়া
ইডালে সিডালে আউলী বাউলী
অলিয়া বলিয়া মধুৰি গায়॥

সত্যনাথ বৰা, বি, এল।

---

৬৮

আলেয়া—জলদ তেতালা।

সপিলোঁ তোমাকে আজি
চেনেহৰ পুতলি কেৰি।
বাখিবা সাদৰে সুখে
কৰিবা জীৱন লগৰা।
দিনেকে বাঢ়িব যেন,
দুয়োৰো প্ৰণয় ধন,
বান্ধিব দুখনি হিয়া একে গছি জৰি।
কুমলীয়া লতা দেহি থাকিবা আবৰি।

লক্ষ্মীৰাম বৰুৱা।

---

৬৯

ইমন কল্যাণ—ঢিমা তেতালা।

আজি শুভদিন কিবা বিভোপন
আনন্দ মলয়া বহে ঘনে ঘন।
গোয়াঁ জয় গীত বজে।
হব মিলি এটি আজি ছুটি প্রাণ
চোয়াঁ উলাহেবে ই শুভ মিলন,
আহা! কেনে বিভোপন!
জুবোয়া আজি মনপ্রাণ,
কৰা আশীর্ব্বাদ সভাসদ,
যেন সুখী হ'ব দুয়োজন,
গোৱা জয়গীত বজে॥

লক্ষ্মীরাম বরুৱা।

---

৭০

ঝিঝিট খাম্বাজ—ঠুংরী।

বিষয় কি সুখ
হরিপদ বিনে নাই।

ঐচন জনমে
যোছি খুঁঠা গোঞারে।
কাঁচমে মাণিক বিকাই।
হরি কি নামেসে
সংসার তরয়ো
মানব স্বরগধামে যাই।
ওহি পরম তত্ত্ব
বেদক বাণী
কহত মুকথমতি মোই।

লক্ষ্মীরাম সকরা

---

৭১

ঝিঁঝিট মিশ্র—জলদ তেতালা।

সখি! আদর ফুলর এনে কির
প্রেমিক প্রেমিকা।
নহলে কুঞ্জবনে নেপাই শোভা তার
প্রেমিক প্রেমিকা।

গাঁথি মালা পিন্ধাই যতনে
পমে প্রেমে কোমল হিয়া প্রেমিক জনে
গুঞ্জে অলি বৃন্দে বৃন্দে চুম্বি ফুলা ফুল,
ফুলে কি প্রেম ফুলে ফুলে
হালি জালি বতাহত
সখি! নেচাপে কাষত।

ঘনকান্ত বরুয়া, বি, এ।

৭২

কীর্ত্তন সুর—একতালা।

(আজি) বছরব শেষে ভারবীয়া বেশে,
বিদায় মাগিছেঁ। ভাই!
বহু দুখে সুখে প্রীতিভরা বুকে,
মরম চেনেহ পাই।
ঝিণি ঝিণি দেখি দূর ভবিষ্যব
সোনোয়ালি জেউতি জিলিকে অন্তর,

মনত পরিছে স্নেহের কুটুম

আর জননর ঠাই।

নবীনচন্দ্র বরদলৈ, বি, এল।

---

৭৩

ইমণ কেদারা—আড়খেম্‌টা।

গোৱা কুলি গোৱা

মধুর পঞ্চম ত্রুলি গোৱাঁহে।

প্রিয় সমাগমে প্রাণ মতলীয়া

সুরলা মাতেরে সাদরি কথা কোৱাঁহে।

কত জোনালী সুখময়ী নিশা

বিরহে দগধ তনু চিত্ত,

আজি মিলন মাধুরী মধুর কলতে

সুকলা গীতে উজলোৱা হে।

নবীনচন্দ্র বরদলৈ, বি, এল।

---

৭৪

বাগেশ্ৰী—আড়াঠেকা।

চোৱা চোৱা হেৰা সত্য! কুৰি শতিকাৰ ডেকা;
পালোঁ মই এই বাৰ সত্যতাৰ কেনে লেকা।
হ'ল মোৰ আজি প্ৰাণ,
ছিগি-ভাগি খান-বান;
অথিৰ অধিৰ হ'লোঁ বুজি মোৰ এৰা-বেঁকা।
কৰিলোঁ বিষয় বেহা,
জৰ্জ্জৰিত মন দেহা,
সভ্যতা পোহৰ পৰি হিয়াত লাগিল চেকা।

বেণুধৰ ৰাজখোৱা, বি, এ।

৭৫

ঝিঝিট খাম্বাজ—ঠুংরী।

সখিয়া কহ কাঁহা মিলেগা মেরি শ্যাম।
কাঁহা মিলেগা মেরি শ্যাম।
সখিয়া শুনহো, বাতায় মুঝেকো
ওহি বিনে কেইচে রহে প্রাণ।
যব মন চোরা বাজারে মুরলিয়া
তব হাম ছোরি লাজ মান।
শাশুরী ননদীয়া, বান্ধকে মারত মুঝে
হাম খালি লেতি অহি নাম।
শুন কানায়া হাম তু-দাসীয়া,
(আজি) তু বাচাওঁ মেরি জান॥

বৈকুণ্ঠনাথ বরদলৈ।

৭৬

বেহাগ—ঢিমাতেতালা।

যোৱাঁ হে তোমোৰা হেৰা নাহিবা ইবাৰ।
দিনে দিনে কলাকলা নকৰিবা বাৰম্বাৰ।
নেমাতোঁ আনক মই,
নিদিওঁ মধু নিশ্চয়,
পোৱাঁ যদি তুমি পাবা এই থিৰ অঙ্গীকাৰ।
তোমাৰ ভক্তিত লাগি,
ফুল পাহি গ'ল ভাগি,
সিহেতু মনত আজি লাগিছে আতি বেজাৰ।

গোলোকচন্দ্ৰ বৰুৱা, কাব্যবিনোদ।

---

৭৭

বেহাগ—খেমটা।

মুচুৰা মুচুৰা সখি। ভাগি যাব বেগতেই।
কোমল শিৰাৰ জুপি ফুলি আছে কেনেকই।

মবমেবে চুমা খোয়া,
গোলাপ দুপাহি চোৱা,
মিলা পীবিতিবে মন হবে লগালগি হই।
মালতী খবিকা জাঁই,
দুয়ো দিছে দেখুৱাই,
দিব্য ভাবে বসন্তব লগৰীয়া সমুদায়।

গোলোকচন্দ্র বৰুৱা, কাব্যবিনোদ

---

৭৮

ঝিঝিট—একতালা।

ফুলে ফুলে ফুলে উবিছে মউ—
ফুলে ফুলে ফুলে ভোমবা ধায়,
চোৱাঁ সখি বঞ্জি বন ফুলিছে মালতী খবিকা জাঁই
থাকি থাকি কুলিয়ে মাতিছে—
বইছে শীতল মলয়া বায়,
তপোবন জুবি প্রেমধাবা,
উঠিছে দেখিলে হিয়া জুবাই॥

হবেশ্বব বৰুৱা

৭৯

খাম্বাজ—একতালা।

পূব গগনে অরুণে কেনে,
হাঁসিছে বাঙ্গলি ঢাকনি লই।
সমীরণ সনে কুঁরুরী পহুমে,
উলাহতে নাচে বিভোল হই।
আশা মন মাঝে পহুমব সাজে,
ধীরে ফুলি উঠৌ সরোবর মাঝে;
মধুর সুবাস বিতরি চৌপাশে,
মলয়া ওচবত নাচিম গ'ই।

তীর্থনাথ ফুকন।

---

৮০

বেহাগ খাম্বাজ—একতালা।

চাবি বত্নাসনে, চাবি সতী বহে,
শোভে মহা সভা মাঝে।
আহাঁ কিনো শোভা অতি মন লোভা
জোবা জোবা সতী সাজে।

আগে সাতা দেৱী লগে সখী সাবি,
আৰু দময়ন্তী দেৱীৰূপে বাজে।
এবে জয়মতী, সখি আৰু এটী,
মিলে চাবি দিব্য সাজে।
মধুৰ আনন্দে, মধুৰ মিলনে,
আপোন পাহৰি আপোনাৰ মাজে।
দেৱতা-কিন্নৰ যতেক অমৰ
যত দেববালা সাজে।

পদ্মনাথ বৰুৱা।

---

৮১

পাহাড়ী—আড়াঠেকা।

মাগোঁহো কাতৰে প্ৰভু। অপাৰ মোচন হে
নেজানি লগালে দায় অবোধ সন্তানে হে॥
নিতে দোষ শতবাৰ, নাই স্তুতি নতি তাৰ,
নাই যুক্তি নাই মুক্তি তব কৃপা বিনে হে।

অজ্ঞানে আচরে পাপ, জ্ঞানায়ে ঘুচায় তাপ,
নিজগুণে তুষ্ট তুমি রাখিবা চরণে হে।
ইমানে ভরসা করি মাতিছোঁ। আপদে পরি,
ক্ষমা পুত্রে, দিয়া শান্তি, শান্তিহীন প্রাণে হে।

পদ্মনাথ বরুৱা

---

৮২

ইমন কল্যাণ – আড়াঠেকা।

পুৱালে দুখর নিশা আজি শুভদিনে।
চোৱাঁ কেনে উলাহেরে মিলে বন্ধুগণে।
উন্নতি বীণার মাতে তুলি দিছে সজ বাটে,
এরিলে টোপনি আজি উন্নতি কারণে।
মিলি সব সুসন্তানে সোঁৱরা সেই শুভদিনে,
যিদিনা ভাষার পুলি রুপিছিলা মনে প্রাণে।
হে প্রভু ! করুণাময়, দিয়া আশীর্ব্বাদচয়,
জীৱন উদ্দেশ্য ব্রত সাধোঁ প্রাণপণে॥

দেবেশ্বর চলিহা।

---

৮৩

ভূপালী—চিমাতেতালা।

কিবা ছবিটি হিয়াত নাচি—
কেবেনো জেওতি ধরিছে হায়।
মক পরাণত দিয়ে কোনে সিঁচি
সৌরবণি পাখী ভুমুকি চায়।
হৃদি কুঞ্জবনে যেনে ফুল কলি
ফুলে কিবা দবে পরাণ আকুলি
জিলিকি জিলিকি উঠে একো বেলি
খিমিকি খিমিকি চাকিটি প্রায়।

মাণিকচন্দ্র বাজাথিকা।

---

৮৪

ভূপালী—চিমাতেতালা।

কিবা উলাহে, কুলনী হাঁহে
মলয়া বতাহে জীবণী পায়।
নাচে ফুল কলি পরে হালি জালি
লব কোনে ভুঞ্জি-সৌগোন্ধা নায়।

মোল কুঞ্জে কোনে, পবে অভিমানে,
চাই থাকি ফুলে শূন্য পরাণে
নাহব কুলমী বাখিলে বজনে
হতাশ জীবনে অমিয়া পায়।

দুর্গেশ্বর চাংকাকতি।

---

৮৫

মিশ্র মূলতানী—টিমাতেতালা।

আহা কি শুৱনী ছবি, উষাব কনক ববি
উজলালে দশোদিশ কবি মনোহৰ।
নিশাব তিমিব দূব কবিলে কিবণ আহি
আক দিলে দিনব পোহৰ॥
পখী সবে গালে গান কতনো বিতঙে
সমীব নাচিলে কেনে বঙে।
শুৱনী কবিলে ধৰা কেনে মন প্ৰাণ হৰা
বঢ়ালে জেউতী মৰতব॥

আহাহে, মিলোহে, ঈশগুণ গাওহেঁ,
প্রভু তব মহিমা অপার।
তুমি অগতির গতি, অধম মুরুখ মতি,
নেজানো তোমার স্তুতি করুণা সাগর।

যতীন্দ্রনাথ দুয়রা।

---

৮৬

ঝিঝিট—একতালা।

সকলো মিলি "আনন্দ" পূজা
করোঁ আজি যতনেরে।
হৃদয় পটে ছবিটি আঁকি
চাঁও সবে হরষেরে॥
তোমার গুণে পবিত্র ভূমি
জননীর নাম প্রকাশিলা তুমি
মুরুখ অধম নেজানো আমি
পূজোঁ দেব কিনো মতে॥

নবর দুখতে তুমি বিগলিত
অশেষ গুণেরে তুমি বিভূষিত
মোহন সাজেরে তুমি হে শোভিত
পূজো দেব আদরেরে।
তোমার কিরীটি দেশ দেশান্তে
হিয়ার বাহিরে যুগ যুগান্তে
থাকিব অটল জগত মাঝে
পূজো দেব হরষেরে।

যতীন্দ্রনাথ দুরবা।

৮৭

ভৈরবী—একতালা।

কোমল সুরেরে নেজানো রচির
লেখনী নচলে বেজারতে হে।
লগরীয়া সবে এরি থই মোক
কেলিবা দি হাঁয়! গল শুছি হে
মনর যাতনা মনতে লুকাই,
আধৌ বতি রছি অতীত কাহিনী।

আছো বেজাবতে যাম বেজাবেবে
বচনা (ও) লগতে ধুকাব হে ॥
সুবুজি মান্নুহে মান্নুহব তুখ,
এটি ছুটি কবি সকলোটি যায়,
পুর্ব্বত্তী নিশাব তবাত্তিব দবে
যাম মই আঁতবি এফালে হে ॥

যতীন্দ্রনাথ তুৱৰা।

---

৮৮

মিশ্র পাহাড়ী—টিমাতেত্তালা।

প্রমোদ কাননে, প্রফুল্লিত মনে
ফুল খেলা খেলো আজি মন সাথে।
পাওঁ যদি কামনত মনোমত নাগবক
সপি দিম মন প্রাণ অবাধে।
ফুবোঁ বাত্তি দিনে বিজন বিপিনে,
নেপালোঁ প্রেমিকক কোনো দিনে,
আজলী অকলা ভাবি জুলা-কলা
বান্ধা আছো আজীবন প্রেম বান্ধে।

মনোমোহা স্বরে মাতিছে কুলিয়ে,
বিরহ অনলে পুরি মারে প্রাণ,
প্রেমতে বিভোরা প্রেমে মাতোয়ারা ;
ঘনে ঘনে প্রাণ মন কিয় কান্দে।

বিনন্দি রাম।

---

৮৯

ভৈরবী-মিশ্র—একতালা।

বলিছে মলয়া ধীরে
কুলু কুলু কুলু বইছে তটিনী,
ফুটিছে ফুল তীরে॥
কুউ কুউ ধ্বনি পঞ্চমে তান,
গাইছে কুলিয়ে অমিয়া গান,
নাচিছে ডালত ময়ুর ময়ুরী,
পতুম নাচিছে নীরে॥

শ্রীসিংহ দত্ত দেব অধীকারী॥

---

৯০

ঈষন্মুদ্রিতমম্বুজং কুমুদিনী কিঞ্চিৎ সমুল্লাসিনী
চক্রী চক্র বিয়োগিনী পতিভয়াদ্বালা বধূ স্ত্রাসিনী।
যুনী বেশ বিধায়িনী বিরহিনী নেত্রাম্বু সম্বাহিনী
ভানুর্যাতি নগেন্দ্র কোণ কুহরে দৃষ্টং হি চাত্তাদ্ভুতম্।

অনুবাদ।

রাগিণী ললিত—তাল কাওয়ালী।

অলপে অলপে মুদে সরোবরে কমলিনী,
মিচিকিয়া হাঁহি হাঁহি ঝিলিকিছে কুমুদিনী,
বিনা লগরায়া পতি কান্দে অতি শোক মতি,
ন বোয়ারী স্বামী ভয়ে হয় যেন পাগলিনী,
সাজ পিন্ধে ন যুবতী বিরহিনী অশ্রুমতি
অদভুত দেখি অস্তি অস্ত গল দিন মণি।

লক্ষ্মীকান্ত মিশ্র ভাগবতী।

৯১

বিভাস—ঝাপতাল।

দিলোঁ/সঁপি আপোন হাতে
একেটী প্রাণ যাকে তাকে।
আর বাকী আছিল যানে
বিলাই দিলোঁ একে একে।
প্রেম আধারত ধরা,
ধরা দেখোঁ প্রেমে ভরা,
নেজানো কিয়নো লাগে একাকার জগতকে।
আজি কিয় হঠাৎ এসে
হৈছে কিনো সবল প্রাণে
কান্দে হায় ইনায় বিনায় দেখি শূন্য সকলোকে।

মাণিকচন্দ্র-[illegible]বিকা।

৯২

ইমন কল্যাণ—আড়াঠেকা।

আজি কেনে শোভা দেখো পৃথিবীর মাঝে,
নব নারী সবে আহা কি সুন্দর সাজে
যি কালে চক্ষু ফিরাও, সেই কালে দেখা পাও
আনন্দর চিন আজি সকলোতে বাজে
সতীর মহিমা ভবে, দেখিবাহা আজি সবে
সাবিত্রীর গুণ গান জগতত বাজে।

নবীনচন্দ্র বরদলৈ বি, এল।

---

৯৩

কীর্ত্তন—একতালা।

আজি আনন্দর দিনে সবে শুদ্ধ মনে
গোৱাঁহে হরির নাম।
করিব মুকুতি গুচাব দুর্গতি
স্মরিলে যাহার নাম।

প্রভু ভগবান করুণাময়
বিতরিল দয়া দিব পদাশ্রয়
করো আঁটা সবে তেওঁর নাম গান।
এরি সবে আন কাম।
প্রভু দয়াময় দিব দেখুৱাই
সংসার অরণ্যে পথ,
আমি শিশুমতি, করিলে কাকুতি
পাম শ্রীচরণে স্থান॥

গৌরী শেখর বরুৱা।

৯৭

রাগেশ্রী—আড়াঠেকা।

গোৱাঁহি গোৱাঁহি সৱে জয় আনন্দ জয়,
চোৱাঁ চারি পাশে আজি সকলো আনন্দময়।
ভারত আকাশ মাজে মধুর সঙ্গীত বাজে,
সুমধুর তানে তোলে আনন্দর জয় জয়।

উঠাছে আসামবাসী হিংসা দ্বেষ সব্ব নাশি
মাতিছে আনন্দে আজি নাই আৰু একো ভয়।
অমূল্য আনন্দমণি দিছে চোৱা জিলিকনি,
লক্ষ্য কৰোঁ আহাঁ সৱে ঘনে বুলি জয় জয়।
কতনো সাধনা বলে শুভ পথ দেখুৱালে,
আহাঁ যাওঁ খোজে খোজে বুলি "আনন্দৰ জয়" ॥

ইন্দ্রেশ্বৰ বৰঠাকুৰ

---

৯৫

বেহাগ—আড়া।

আজি সবে গোৱাঁ বিভু-গান।
ই মহান বিশ্ব-ৰাজ্য যাৰ নিৰমাণ।
লভি যাৰ দয়া-তৰী, মাতৃ-গৰ্ভ পৰিহৰি,
দেখিছো সুখৰ ধৰা, অতি বিত্তোপন।
যি বিধিৰ বিধানেৰে, জোন, বেলি, তৰা, ঘূৰে,
সি বিধিবো এক মাথোঁ বিহোঁতা যি জন।

যার আজ্ঞা শিরে ধরি, অনিল, অনল, রবি,
তুমি যথাকালে রাখে জগ তাঁর প্রাণ।

বিষয়চন্দ্র বিশ্বাসী।

---

৯৬

বেহাগ—একতালা।

হে ভাই স্মরহি গৌরব কাহিনী
আরবেতে আজ যাঁর পূজা ধ্যান
আলোকি জ্ঞানেরে দেখুয়ালে কি হে,
মানবা-জনম, নিজ জীবনত,
মথি ধর্ম্ম-সিন্ধু, অমৃত লভন্ত,
করিলে বিজনে প্রীতি ভরা প্রাণ।
মুক্তিত নিস্পৃহ আনন্দ স্বরূপ,
আছিলা কে দেব, তাপস মহান
করিলা কীর্ত্তন, পূর্ণ-ব্রহ্ম-রূপ,
যথা সমরত লভি শুভ জ্ঞান।

পবিত্র সি দেশ, সি জনম ভূমি,
তোমাহেন বীৰ যাৰ সন্তান,
পবিত্র সিদিন যিদিনাহে দেৱ!
থৈ স্মৃতি-চিহ্ন কৰিলা পয়াণ।
তেনে এটি দিন উদিছেহি আজি,
মিলিছোঁহি তথু পূজাৰ কাৰণ,
অজোখা সম্বল, যদিও হে দেৱ!
কায় মনো বাক্যে কৰিছোঁ প্ৰণাম॥

নীলমণি ফুকন।

---

৯৭

খাম্বাজ—একতালা।

আহা সবে আই হিয়া উবুৰাই,
উদগোৱা আজি জাতীয় জীৱন।
কৰা আবাহন আৰতি বন্দন,
জাতীয় প্ৰেমৰ উকৰা কেতন॥

দিয়া পুষ্পাঞ্জলী অচলা ভকতি,
স্বার্থ বলিদান জীবন আহুতি
সবল মনব পূজা আকিঞ্চন
কবাহে জননী সাদবে গ্রহণ।
আজি শুভদিনে যশোনদী বব
যুবজীপাতভ সোণোয়ালী হব
আজি ট বীণাব ককণ বচন কঁপনি ( সুবে )
জানিবা মাধুবি বোয়াব সঘন।
মাগো আজি প্রভু জয়ু চবণত
কৃপা সুমজল কবা ( সুভাশীষ ) আসামত
( অসম সন্তানে এই চানেকীবে )
স্বদেশ প্রেমত হই নিমগন,
গঢ়ো যেন এটি জাতীয় ( আদর্শে ) জীবন।

নিলমণি ফুকন।

৯৮

যোগিয়া—একতালা।

মাতিলা যেতিয়া নব'ম কিয়নো
 নেচাম কিয়নো তোমালৈ।
এতিয়াও মোৰ কথা-ভৰা হিয়া,
 ভাবি চালে দেখো পায় গৈ॥
পদুলি মুৰতে এতিয়াও আনি,
 সাদৰি সোণায়ে দিব তামোল খনি,
কত কথা ক'ব হাঁহি উলাহেৰে,
 নেপাই অমনি কৈ কৈ॥
গুটিমালী জুপি নাই জঁয় পৰা
 পদুলিৰ সেৱালী নাই দেখো মৰা,
এতিয়াও পিঙ্কাৰা ফুলৰ চাকিটি,
 ৰাচিছিলা বিটি লৈ লৈ॥

লক্ষেশ্বৰ শৰ্ম্মা, বি, এ।

---

* কংবনে কথাটি গানৰ উত্তৰ।

৯৯

খাম্বাজ—ঠুংরী।

উঠা উঠা সবে আসাম সন্তান
আজি আসামৰ গোৰৱ জয় গান,
ভীম গৰজনে বীৰ নাদ শুনি
কপোৱা মেদিনী কপোৱা বিমান।
বায়ু বাজে লই সি নাদ কোলাত
দ্যালোক নিস্ময় বিশ্বৰ কাণত
শুনক সকলে আজি জগতৰ
জয় অসামৰ জয়ধ্বনি তান।
বিধি সুপ্রসন্ন ইমান দিনত
জলে উষাৰবি পূৰ আকাশত
দুগুণ বলেৰে উঠা উঠা সবে
বাধা বিঘিনি নকৰিবা কাণ।
নেলাগেনে লাজ্ অসমীয়া হৈবা
সোণৰ আসাম একেলৰে এৰা,

স্মরি পূর্ব্ব স্মৃতি আর্য্য সকলের,
নিথুতেরে রাখা জননীর মান!

অম্বিকাচরণ রায় চৌধুরি।

---

১০০

পিলু—দাদ্‌রা।

আজি বকুল ফুলেরে
মালা গাঁথি দিয়া লগরী।
অতি যতন করি
মালা গাঁথা লাহরি।
আছিলে প্রাণের পতি
পিয়ার সই আদরি।

রামপ্রসাদ দাস

---

১০১

তাল—খেম্‌টা।

উঠা উঠা আসামবাসী
    হৈছে সুখৰ দিন উদয়
সবে হেলা-নিদ্রা এৰা।
স্বদেশৰ হিত চিন্তাত ধৰা,
প্রদর্শনী দর্শন কৰা,—
    উদ্দেশ্য যেন সিদ্ধি হয়॥
কৃষি শিল্প আদি কর্ম্ম,
দেখিলে হে বুজে মর্ম্ম,
উন্নতিৰ কি কি কর্ম্ম,
    কৰিলে দেশ সুখে বয়।
বজাই দিছে সুযোগ কৰি।
নানা মত উপায় বিচাৰি।
শিক্ষা কৰা এনাহ এৰি।
    সুখে থাকিবা নিশ্চয়॥

শ্রীশ্রীজাহ্নবী আতৈর অধিকার গোস্বামী।

১০২

তাল—যৎ।

হৈছে আসাম বাসীর
        সুখর আশা সংসারত।
এনে নাই মনত
এই জীবনত
হব এক্জিবিসন্—প্রদর্শনী—
        নতুন জিলা যোরহাটত।
যেথা হীন-বীর্য্য আসামবাসী
নকরি কাম শিল্প কৃষি,
নগরবাসী, গ্রামবাসী
        নাই কারো এই কথা মনত।
দিছে ইংরাজ বজাই বজন করি
        সুবর্ণ উপায় আসামত।
হৈছে নানা বস্তুর আয়োজন—
আসামত হয় কি কি উৎপন্ন,
সকলোবে চ'ব দর্শন,
        যোরহাট এক্জিবিসনত।

যত আবাল বৃদ্ধ ঘরে ঘরে

হৈছে আনন্দ মনত॥

এবা নিত্য আসামবাসী।

উৎপন্ন কৰা ধনৰাশি,

কাৰ্য্য চিন্তা যকত বসি,

সুখে যাওক দিন নিজ দেশত

এনে সুযোগ সময় আক

আসাম বাসীৰ জনমত।

অনেক ভদ্রলোকে দিয়ে টকা,

বহুবন্তও হৈছে পকা,

বিনা ব্যয়ে কাৰ্য্য শিকা,

ধনী মানী হ'বা কালত।

সুখ হয় যেন আসামবাসীৰ

চিন্তা কৰা ঈশ্বৰত।

শ্ৰীশ্ৰীআউনী আটীৰ অধিকাৰ গোস্বামী।

১০৩

পূরবী—আড়াঠেকা

আছেরে সকলো আজি ছুখিনী ই আসাবর
কান্দর মুখত দেখোঁ একে একে চুবযাব॥
আসাম গৌরবাকাশে ফুলি ভবা নাথে নাথে,
অকালতে পালে লয় কিলো বিধি বিধাতাব।
গৌরব সূরুজ আজি জুঠেই আসাম বাজি,
জেউতি বিহীন দেখোঁ মাথোঁ চিব অন্ধকার।
আছানে কোনোবা আক, আসাম সন্তান বাক
কিযাক সকলো শুদু হুথি জননীর থাব॥

অম্বিকা চরণ রায় চৌধুরী।

১০৪

কানেড়া—একতালা।

কোবাচোন সখি, প্রাণব সখিটি
কান্দিছো কিয়নো কেকুবী
হাঁহিছে রজনী হাঁহিছে জগতে
কান্দিছ অকলে লগবী॥

জিলিকে সকলো, ইহেন কলত্রে
হাঁহিছে ফুলনি তৰাত্রো হাঁহিছে
ইসবাৰ মাজে কিয় সখি কান্দে,
কি দুঃখে ধৰিছে আৱৰি ॥

হৰিপ্ৰসাদ দাস্, বি, এ।

---

১০৫

ভৈৰবী—কাওয়ালী।

কিয়নো হিয়াত বাজে আজিও প্ৰেমৰ বাঁহি।
ভুলিব নোৱাৰো কিয় সেই মধুময় হাঁহি।
মধুলি উৰাবি হিয়া,
চলিছিলোঁ তান লোৱা,
নোৱাৰিলা ঢেউ বৰ গধা ওচি কান্দি হাঁহি।
তুলি আনি নানা ফুলে
গাঁথি মালা প্ৰেম-ডোলে,
যতনে বান্ধিলোঁ তৰি পিঞ্জিৰাহে ধুলি আহি।

শুকালে ফুলের মালা,

ভুষিতে আর নাহিলা;

থাকা সুখে, আছা যতে, থাকো বিনাশাতে তাহি।

লক্ষীরাম বরুয়া।

---

১০৬

ভৈরবী—একতালা।

আশা ভরসা, জীবনের সুখ,

এবিলোঁ সমুলি হৃদ জীবনত।

দিনে রাতি মাথোঁ, তোমাকে সুরতি,

পূজিব যতনে প্রাণ অনবরত।

নকরোঁ বেজার, পিয়া সুখ-আশে,

সদাই আন্তরিকি, অনেক হরষে,

তাপসী আমুরি, তপষীর বেশে,

যাপিব নকুলে জীবনর ব্রত।

মুকলি হিয়ার, মুকলি ভাবনা,
এবি মিলো আজি মিলন বাসনা,
কেমনে তোমাকে, করিছো কামনা
অন্তে যেন মিলো সেই চরণত।

বিজয়চন্দ্র বিশ্বাসী।

---

১০৭

ভৈরবী—কাওয়ালী।

ধীরে বহিছে মলয়া মৃদুল,
ধীরে হাসে কুমুদীর কুল।
ধীরে কুহরে, করি কু-উ গান,
ধীরে বসন্ত করে সম্ভাষণ;
ধীরে ধীরে, ফুল-মউ-লোভে,
প্রেমাবেশে উড়ে অলিকুল।
ধীরে ধীরে, বহত তটিনী,
ধীরে অনুরাগে ঢুলু ঢুলু হাসি,

ধীরে ধীরে, সাগরস্ত মিলি,
তাপিত-পরাণ করিতেছি দূর;
ধীরে ধীরে, মরমর ধ্বনি,
ধীরে প্রিয়-প্রাণে বাজি ঝিণি ঝিণি,
ধীরে করে বিরহী পরাণ,
মিলন-আবেশে অতি বিয়াকুল।

বিজয়চন্দ্র বিশ্বাসী।

---

১০৮

টোরি ভৈরবী—খেম্‌টা।

আহা সখি! তুয়ো মিলি ফুল তোলো সৈ।
নহলে নহর মালা প্রাণ বন্ধুলৈ।
হাঁহি হাঁহি তুয়ো সখি, তুলি ফুল লেখি লেখি,
গাথিম চিকণ মালা হাবিয়াব কৈ।
আহিলে সাসন্তো ফুলি, তিতিত পিজাবা তুলি
পাতিবা প্রেমের কথা বৈশাহ পনুরাই।

বিজয়চন্দ্র বিশ্বাসী।

১০৯

সাহানা—ঝাঁপতাল।

করিছো কাকুতি সখি। নেযাবা উক্তটি।
এবারলো শুনি মোরা কওঁ কথা এটি।
যদি করি অভিমান, নকরা অলপো কাণ,
বিরহ অনলে মোর দেহ হ'ব ছাই-মাটি।
নেদেখিলে তিল পর, দেখোঁ মই অন্ধকার,
চঞ্চল ভাবত্তে মোর প্রাণ করে ছাতি ফুটি।

বিষয়চন্দ্র বিশ্বাসী।

---

১১০

মুলতান—আড়াঠেকা।

জয় দেবেশ, পদ্মাসন, জীব-জীবন কারণ।
জগতর বিধি, তুমি মহানিধি;
তোমারে সকলো সৃজন।

তোমারে বিধানে, জগত জীব,
সাধে নিজ নিজ শিব-অশিব,
অনাদি কারণ, যোগী-ঋষি প্রাণ,
তুমিহে ত্রিদিব পূজন।

বিষয়চন্দ্র বিশ্বাসী।

---

১১১

কীর্ত্তন—একতালা।

আজি কি কারণে, কাঁদিছে পরাণ,
ভাবিয়ে দেখাও মই।
মরম যাতনা, বাড়িছে সঘনে,
সুখ-শান্তি ক'তো নাই।
সুঁকিলো ফুলনী, দেখিলো ফুল,
দেখিলো আকাশ জবার খুল ;
দেখিলো প্রকৃতি, পূর্ণ-ঋতুমতী,
কুলিয়ে পঞ্চমে গায়।

দেখিলো ভোমোরা, গুন্ গুন্ স্বরে,
প্রেমালাপ পাতি তোষে ফুলাফুলে,
দেখিলো তটিনী, করি কুলু ধ্বনি,
সাগরে মিলিছে গো।
দেখিলো প্রেমিক, প্রেমিকার সেই—
সুগুপুত ঠাই দিব্য মনোহর,
বিষয়ব কিন্তু, এই সকলোতো,
জুবণি নহল হায়।

বিষয়চন্দ্র।বশ্বাসী।

---

১১২

খাম্বাজ—একতালা।

(জ মিলো আহা আজি, মিলিছো যি দবে,
নইব লগত অতি উলাহেবে,
(ব্রহ্মপুত্র) আমিও মিলিম সাগরত গই
ছটিয়ে সিটিয়ে মিল হই কই;

ইংরাজীর কোনো এটা গানর ভাব লই করা হৈছে।

(বতাহ) বতাহে বতাহে আতি আনন্দেৰে
মিলি থাকোঁ আমি যুগ যুগান্তৰে।
(আকাশবাণী) সংসাৰত কোনো বশ নাইকীয়া
নেথাকে, নৰয় অকলশৰীয়া
ঈশ্বৰ ইচ্ছাই সকলো মিলিব
অন্তৰে অন্তৰে দিনে আকৰ্ষিব,
(সকলোৱে) চোৱা চোৱা হেৰা, পৰ্ব্বত সকলে,
শুৱনী আকাশ চুমিছে নিবলে;
সূৰ্য্যৰ ৰশ্মিয়ে পৃথিবী চুমিলে
চন্দ্ৰৰ কিৰণে সাগৰ মুছিলে
ঢৌৱে ঢৌৱে কৰে সাৱটা সাৱটি
ফুলে ফুলে হালি চুমে ইটি সিটি
(শূন্য) মিচা চুমা সিটি যেয়ে থাকে থক
প্ৰমীলাই যদি মুচুমে চন্দ্ৰক।

ৰামেশ্বৰ বৰুৱা, বি, এ।

১১৩

প্ৰতিধ্বনি গীত। *

কোনো ৰাগিণী আলাপৰ সুৰে গাব লাগে ।

কিমান সুৱলা মাতে প্ৰতিধ্বনি গাই,
সুৰভৰা ৰাতিৰ গানত
সাৰ পাই শুনি বীণা বাঁহী যেতিয়াই,
ভৰাই পথাৰ বিল উভৰি ঢুলাই,
লাহে লাহে কমোৱা মাতত ।

মৰমৰ প্ৰতিধ্বনি বহুগুণে চৰা,
অসীম সুৱলা সিটি,
গোৱা আকাশক পাই লোৱা চন্দ্ৰভৰা,
বীণা বাঁহী মধুস্বৰে নচুৱাই ধৰা,
নহয় সমান ইটি ।

* ইংৰাজী টিয়াচ সুৰৰ পৰা ভাঙনি।

পাই মর্ম্মভেদী যৌবন-হুমুনীয়া,
ভেতিয়াহে সুন্নলা শবদ,
সেই হুমুনীয়া শুনি মবমে বেতিয়া,
অকপট মবমব ওগুটনি দিয়া,
সকলোকে লগাই ভবধ।

বাম্মেশ্বব বৰুৱা, বি, এ।

১১৪

ঝিঁঝিট—একতালা।

কিয় লোভে পড়ি সকলো পাহবি
জীৱই বিপদ সাধবি লয়।
নহয় মনত কাল সাগবত
কি শান্তিবে জীৱ হৈছে লয়॥
মায়া মোহে পবি আছে জীয়ে ভুলি
বাসনা-বলিয়া নেতাবে সমুলি
ভুলিনীয়া বেহা ভুলিনীয়া বেহা
ভুলিনব পাচে যাই ক'লৈ॥

দুর্গানাথ চাংকাকতি।

১১৫

দেশমিশ্র—ঝাঁপতাল।

কুঞ্জ কাননে, বাজিছে মোহন বাঁশী;
প্রেমাবেশে নাচে ব্রজবাসী।
প্রেমে গোপনারী লাজ মান এরি;
যায় কুঞ্জে, হই শ্যাম-আশী।

বিষয়চন্দ্র বিশ্বাসী।

---

১১৬

মিশ্র খাম্বাজ—খং।

বসন্ত মিলনে কুঞ্জে গাইছে পাপীয়া,
বিরহিণী মরোঁ প্রিয় বিনা।
শুনা সখীগণ অদর্শনে শ্যাম,
অভাগিনী আজি জীব-হীনা;
করিতোঁ বিনতি মই
বোঝা যেবো সখীচয়;
আনাইদে বাধা প্রাণ-বীণা॥

বিষয়চন্দ্র বিশ্বাসী।

১১৭

দেশমিশ্র—ঝাঁপতাল।

( আজি ) ব্রজপুরে শ্যামে খেলিছে হলি
খেলিছে হলি সঙ্গে গোপনারী।
যত গোপ গোপী, বাঁশীরবে মাতি
নাচে গায় মারে পিচ্‌কারী ;
সমভাব সম প্রাণ
উল্লাসতে নিমগন
কুঙ্কুমে ভরিছে ব্রজপুরী।

বিধুভূষণচন্দ্র বিশ্বাসী।

১১৮

পিলু—খং।

সুখদ বসন্তকালে হরষিত সবে,
প্রাণ মন খুলি আজি সুখ গীত গাবে।
জয় জয় গোবিন্দ মুকুন্দ মুরারি
কি খেলা খেলিলা প্রভু আজি ব্রজপুরী।

ব্ৰজবাসী মন প্ৰাণ তোমাতে কৰি অৰ্পণ
ৰাজিলে তোমাৰ পদ কুঙ্কুম আবীৰে।

বিষয়চন্দ্ৰ বিশ্বাসী।

---

১১৯

সিন্ধু খাম্বাজ খেম্‌টা।

আজি ) হাতত লই ফাকু পিচ্‌কাৰী,
খেলিম ফাকু আজি মন ভৰি।
বাটে আজি পাব ৰঙ্গা-বৰণ,
গছে ল'ব আজ ৰঙ্গাভৰণ,
সেউজীয়া পাত,
ৰঙচুৱা চাত,
সুকুমাৰ জিলিকনি পৰিবহি তাত ;
কেনেনো হয় চাম জোখা ধৰি,
খেলিম ফাকু মন প্ৰাণ ভৰি ॥

ৰামেশ্বৰ বৰুৱা, বি, এ।

---

১২০

কীৰ্ত্তন—একতালা।

ফাকু উছলি লই মন সুখে গই
আহ কোনে ফাকু খেলিবি অঁ।
ৰঙ্গে ধেমালিযে মনৰ উলাহে
ফাকু সিঁচি সিঁচি ফুৰিবি অঁ॥
হৰি গুণ গাই হৰিনাম বিলাই
বাটে বাটে নাচি ফুৰিবি অঁ।
ফাকু গুলি মই পিচ্কাৰী লই
চেৰে চেৰ ধৰি বুৰাবি অঁ॥
ঘণ্টা বাদ্য ধৰি, হৰি নাম কৰি
তালে তালে আগ বাঢিবি অঁ।
এনুৱা সময় নেপাৱ নিশ্চয
হাঁহি মাতি নাচি লৱহি অঁ।

ৰামেশ্বৰ বৰুৱা, বি, এ

১২১

সাহানা—ঝাঁপতাল।

সপিলোঁ এদিন নিজে ভাল-পোৱা যাক,
পাৰোঁনে ভুলিব আৰু ইজনমে তাক।
নয় লাগে খোজ কঢ়া, দেখিলেই মন হৰা,
সুৰলা মাতেৰে মাতি মোহে জগতক।
অলঙ্কাৰ বিভূষণ বিনা বস্ত্ৰ সুশোভন
আকৰ্ষি সৰল কৰে চঞ্চল মনক।
হঠাতে এদিন আহি গাবি মিচিকায়া হাঁহি,
দেখা দি সুকালে মোৰ প্ৰবোধি তিযাক।
"পৰৰ হিংসাৰ চৰি" "মোৰ পাপ মন ৰখি,"
এনে ভাব ধৰি, ভাল পাব পাৰা কাক?

অজ্ঞাত

---

এই দুটা গান শ্ৰীযুত নাগেশ্বৰ নকদাই পঠাইছে;
লিখকৰ নাম 'নবিৰ'

১২২

ঝিঁঝিট—একতালা।

মদন মোহন সখি! মদন মোহন।
প্রাণ ভবি চোৱা সখি কেনে বিভোপন॥
মুখত মধুৰ হাঁহি, হাতত মোহন বাঁহী,
পোহৰ কৰিছে আহি, অতি সুশোভন।
আহাঁ আমি ভক্তি ভাৱে,
গান কৰোঁ উচ্চস্বৰে,
পুলকিত হোক সৱে,
শুনি সংকীৰ্ত্তন॥

মাধৱৰাম বৰা।

১২৩

ভৈৰৱী—কাওৱালী।*

ঘমাই ঘনাই কিয় তোৰ চবি মনত পৰে,
"নেভাব" বুলিও জানি কিয় তোৰ ভাবে পৰে।
যি দিনা সন্ধিয়া বেলি
লাজুকী হৃদয় মেলি
কত কি যে সুধিছিলোঁ যতে যিবা ভাবে ধৰে,
নিঠুৰ অন্তৰে তই
দিলি তত্তালিকে কই
বিফল সাধনা তোৰ বলোঁ মই থৰে থৰে।
বুজাব নোৱাৰি মন
চালোঁ তোক ঘনে ঘন
কি জানি পুতৌ ভাবে তোৰ ভাব মন লবে,
দেখিলোঁ কেৱলে হায়!
শোক দুখ তোৰ নাই,
নহৰ নহৰ কোনো সংসাৰত তোৰ লবে॥

অজ্ঞাত

* এই দুটা গান শ্রীযুত ৰামেশ্বৰ বৰুৱাই পঠাইছে; লিখকৰ নাম নিদিলে।

১২৪

মেঘমল্লাব ঝাঁপ তেতালা ।

ভঁজাহে পৰম মঙ্গলময় ।
যি জন ভজিলে আঁতৰে ভয ,
জ্বালব হিযাত অনন্ত জেউতি,
সিজিব কামনা হে ;
লভিবা পৰম মুকুতিহে ॥
গুচিব সকলো কুভাব মনৰ
পবিব শীতল তাপিত প্রাণ ;
পাপী হিয়াব সেই হে জুৰণি
হব পুণ্য প্রভা উদয হে ;
ভঁজা নাবাযণ হে
তাবিবা সমব যাতনা হে ॥

লক্ষ্মীবাম বৰুৱা ।

১২৫

ভৈৰবী—একতালা।

কোনে গায় গীত কিবা সুললিত
কিবা মন মোহা সুমধুৰ তান।
গোৱাঁ প্ৰাণ ভৰি সপ্তমত চৰি
কৰি মতলীয়া তাপিত পৰাণ॥
পৃথিবীৰ যত শোক দুখ শত,
দিয়া উটুৱাই কৰা নিবাৰণ।
বহোক শীতল শান্তি সুবিমল
জগত বিয়াপি সুখৰ উজান॥

বিষ্ণু প্ৰসাদ দুৱৰা, বি, এল্ ঃ

১২৬

ললিত-ভৈৰোঁ—একতালা।

কতদিনে ভাবি পাইছোঁ তোমাক
নেযাবাহে প্ৰাণ, আঁতৰি,
মৰম বেদনা, নিজেওতো জানা
সোণৰ পুতলা লাহৰী।
অন্তৰে অন্তৰ বান্ধি চিৰদিন
ফুৰোঁ সংসাৰত, সাদৰি,
আজি সুক্ষণত, মিলালে বিধিয়ে
ল'ম হৃদয়ত আদৰি।
নেমাতিবি আৰু পুৰাৰ কুলিয়ে
মুঠক সূৰুয উজলি,
নেলাগে স্বৰগে, ৰহণ পিন্ধিব
নহক ভৈয়াম মুকলি।

ৰামেশ্বৰ বৰুৱা, বি, এ।

১২৭

সাহানা—ঝাঁপতাল।

কিয়নো সৃজিলা বিধি অকামিলা নাৰী প্ৰাণ।
কিয় দিলা প্ৰেম জৰি মাৰে পুৰি অকাৰণ।
কিয়নো বসন্ত ঋতু, সৃজিলা দুখৰ হেতু,
বিৰহ কিয়নো দিলা দহে হিয়া অনুক্ষণ।
কেতেকাৰ গোন্ধ লই, কিয়নো মলয়া বয়,
কুলিৰ শুৱলা মাত লাগে গাত বিহ যেন;
বসন্ত পূৰ্ণিমা ৰাতি, দেখি হিয়া যায় ফাটি,
বিৰহ-শয়নে কৰোঁ পূৰ্ণ শশী নিৰীক্ষণ॥

বেণুধৰ দাস।

১২৮

অহং—একতালা।

নিৰাশ মনেৰে বনফুল তুলি
গাঁথি মালা ধাৰি অতি যতনেৰে;
দুখীয়াৰ আৰু কি আছে কি দিম,
দিওঁ তাকে আজি কণ্ঠ হৈপাহেৰে।

ক্ষুদ্র উপহাৰ এই অভাগাৰ
পায় যেন ঠাই তোমাৰ হাতত ;
ঘিণ কৰি যেন নিদিয়া পেলাই,
কৰোঁ এই আশা তোমাৰ কাষত।
সৰল হিয়াৰ প্রেমৰ চানেকি
অঁকা আছে হেৰা ফুলৰ মাজত ;
কত যে আনন্দ লভিম সদায়ে
তুলি যদি লোৱা এবাৰ বুকত ॥

যতীন্দ্রনাথ দুৱৰা।

---

১২৯

যোগ—আড়াঠেকা।

(প্রভু) এয়েনে কি শেষ।
দুখৰ ভাৱৰে জীৱন ঢাকিলে,
নেথাকিল সুখৰ একো লেশ।

বড় আশা করি সাজিছিলেঁা ঘর,
ভাবিছিলেঁা সুখে রব নিরন্তর,
সে আশা ঘুচিল, বিষাদ আসিল
দিয়ে দিলা অত ক্লেশ;
আর যত দিন আছোঁ পৃথিবীতে,
একলে ফুরিম নির্জন ছাবিতে;
একলে হাহিম একলে কান্দিম,
হব ই জীৱন শেষ॥

যতীন্দ্রনাথ দুৱৰা।

---

১৩০

ঝিঁঝিট খাম্বাজ—আড়খেমটা।

নাহেতো মলয় সমীৰ ফুলে ফুলে চুমি যায়,
ঘুৰি ঘুৰি নাচি নাচি খেলি তেলি উৰি যায়।

সমীৰে কথা সুশুনে,
খেলে মাথোঁ আপোন মনে,
ফুলৰ পাহি জোনৰ হাঁহি একো নেমানে;
এই নাচে কেনে কমল সনে
এৰি পুমু কেনিবা যায়॥

যতীন্দ্ৰনাথ দুৱৰা।

---

১৩১

ভৈৰবী—একতালা।

অসম ৰতন যত সুসন্তান
উঠা উঠা মাতৃ কৰে আবাহন।
খিয়লা খিযলি পাহৰা সমূলি
জননীৰ হকে দিয়া প্ৰাণমন।
নতুন সাহেৰে হিয়া ডাঠ কৰা
স্বদেশ কাৰণে স্বাৰ্থ পৰিহৰা;
সুফল লভিবা বিঘিনি নাশিবা
হব তেবে হেৰা সুখ বৰিষণ।

চোৰা চোৰা হেৰা যত সুসন্তান
জনম ভূমিৰ দুখৰ কাৰণ :
তেজাল খোজেৰে উলাহ মনেৰে
কৰা সকলোৰে বিপদ দমন ॥

যতীন্দ্ৰনাথ দুৱৰা।

---

৩১২

বাগেশ্ৰী—খাড়াঠেকা।

আনন্দ উৎসৱে আজি উলাহত দিয়া মন,
এৰা শোক এৰা দুখ লোৱা সবে নব প্ৰাণ।
অনন্ত উন্নতি জানি আমি কুমলীয়া প্ৰাণী
মৰমে “আনন্দৰাম” গাঁও মিলি সৰ্ব্বজন।
ঘনে ঘনে নৱৰৱে, উলাহত ছাত্ৰ সৱে
সুঁৱৰি “আনন্দৰাম” পুলকিত কৰে প্ৰাণ॥

অম্বিকানাথ দাস।

---

১৩৩

ইমন বিভাস— আড়খেমটা।

আজি প্ৰকৃতিৰ শোভা সুন্দৰ।
নাচে ফুল কলি নাচে হালি জালি
নাচে ফুলে ফুলে পৰি মধুকৰ।
নাচে ধীৰে সমীৰে আহি
নীল আকাশত সোণালি ৰঙেৰে
নাচে সূৰ্য্য কিৰণ চাঁহি।
নাচে লতা ডালি অতি কমনীয়া
প্ৰকৃতি দেবীৰ আলসুৱা
নাচে বন কুৱৰী মন-মোহিনী
নাচে মত্ত জীৱ আদৰৰ॥

যতীন্দ্ৰনাথ দুৱৰা

১৩৪

মিশ্র-ভৈৰবী—একতালা ।

নেজানো কি ভাবি আকুল হইছোঁ,
নেজানো কি বুলি আনন্দ লভিছোঁ,
কি বিচাৰি আজি উটিছোঁ বুৰি ভুঁৰা
নেজানো কতনো গৈ জুৰাম ।
কোনোবা দিনৰ কিবা কথা আছে,
কোনোবা বাঁহীয়ে কিবা মাত মাতে,
চিনো চিনো কৰোঁ চিনিব নোৱাৰোঁ,
নিজে ধৰা দিয়ো ( মনক ) চিনাগ ॥

ৰামেশ্বৰ বৰুৱা, বি, এ ।

---

১৩৫

মিশ্র ভৈৰবী--খেমটা ।

( আজি ) মধুৰ মিলন আজি মধুৰ মিলন,
প্ৰাণে প্ৰাণে লগ লাগে কেনে বিতোপন ।

দুখানি প্রেমৰ নই, ৰই ৰই যায় বই,
সাগৰ সঙ্গমে পায় নতুন জীৱন ;
নিৰাশ শোকত হাঁয আৰু একো কাম নাই,
দুখৰ পাচত হয় সুখ দৰশন ॥

যতীন্দ্ৰনাথ দুৱৰা

---

১৩৬

সাহানা -ঝাঁপতাল।

কি মধুৰ ভাব আজি প্ৰেমিক প্ৰেমিকা সনে,
নিৰলে প্ৰেমৰ মেল পাতে দুয়ো সঙ্গোপনে।
প্ৰেমৰ সোঁতত ভাহি
বিৰিঙ্গে মিছিকি হাঁহি
হৈপাছেৰে চোৱাচুই এজনক আনজনে।
হিয়াত অমৃত ঢউ
কথাতে বৰষে মউ
ধীৰেৰে প্ৰেম কণিকা বিলায় নয়ন কোণে ;

মুখন্নই চাই চাই
হেঁপাহ নুগুছে হায় !
মতলীয়া হিয়া মন প্রেমসুধা ৰস পানে ॥

বেণুধৰ দাস ।

---

১৭৭

পূৰবী আড়াঠেকা ।

এনে সময়ত মন হোৱা আজি সচেতন ।
আশাৰ কুসুম তুলি গাঁথা মালা বিতোপন ।
কৰি ফুলনিত কত ফুলি ফুল শত শত
অকালতে সৰি গল শোকতে কান্দে পৰাণ ।
নাই সি বসন্ত আৰু কুলিৰ মধুৰ কু-উ,
নুশুনো বীণাৰ মাত আৰু সুললিত গান ।
নিজ পুৰুষালি এৰি কেনোনো মোহত পৰি,
কালৰ কোলাত আজি চোৱা সবে অচেতন ।
দুখুনা জননী আজি শোক তাপে বিষাদিনী
মোহনিদ্ৰা পৰিহৰি হোৱা মন সচেতন ॥

যতীন্দ্ৰনাথ দুৱৰা ।

১৯৮

ভৈৰবী—খেমটা।

কি মোহিনী বাণে সখা হিয়া মন নিলা হৰি,
দিয়া দেখা প্ৰাণসখা মাগিছোঁ কাকুতি কৰি।
জোনৰ ছবিটি দেখি তোমাৰ মুকতি লেখি,
নিৰজনে আপোন মনে চাই থাকোঁ প্ৰাণ ভৰি।
জিলিকে তৰাৰ দল দেখি হওঁ উত্ৰাৱল,
গোপনে হিয়াৰ কোণত জ্বলে সেই চকুজুৰি।
অকণি বিজুলী ৰেখা আকাশত পালে দেখা,
প্ৰেমধাৰে হিয়া ভৰে সেই হাঁহিটি মনত পৰি।
যেতেকে পাহৰোঁ বোলো, তেতেকে নিজকে ভুলোঁ,
নেপাওঁ উমান একো মৰোঁ কিয় দেহা পুৰি॥

বেণুধৰ দাস।

১৩৯

ৰাং. ভূপালী একতালা।

আহা আহা আহা সখি
গাথোঁ মালা আজি হে।
হিয়াৰ ৰতনে পিন্ধাম যতনে
লাহৰি হাতেৰে হে।
নতুন উলাহে চোঁৱা চাৰি পাশে
নতুন সকলো হে।
প্ৰাণৰ বীণত শুনা কি বাজিছে
নতুন ৰাগিণী হে।
শুৱলা মাতেৰে সুন্দৰ সাজেৰে
সুন্দৰ যৌৱনে হে।
প্ৰাণৰ পুতলা পিন্ধাই দিম মালা
প্ৰাণে প্ৰাণ সঁপি হে॥

বিষ্ণুপ্ৰসাদ দুৱৰা বি, এল।

১৪০

ঝিঝিট—একতালা।

ধন্যা তুমি দেৱবালা অশ্বপতি নন্দিনী।
তিনিও ভুবনে গাব সকলোৱে
তোমাৰ সতীত্ব কাহিনী
সতী পতিব্ৰতা গুণে আপোনাৰ,
আত্ম পৰ হিত সাধিলা অপাৰ,
সত্যবানে দিলা নতুন জীৱন,
আনন্দে ভৰিছে ধৰণী।
অশ্বপতি পালে শত পুত্ৰ বৰ,
অন্ধৰাজাৰ চকু হল আকবাৰ,
পালে নিজ ৰাজ্য ৰাজ সিংহাসন,
ৰাজপুৰা হল শুৱনী।
জগত পটত আঁকি এটি চিত্ৰ,
দেখুৱালা সতী ধৰম মাহাত্ম্য,
কৰিলা সাৰ্থক নাৰী জীৱনৰ,
থাকিল ইসৱ কাহিনী।

পূজিব সকলে এই সংসারত,
মহাদেবী বোধ করি হৃদয়ত,
গাব সকলোৱে হৰিষ মনেৰে,
"জয় অশ্বপতি নন্দিনী" ॥

বিষয় চন্দ্র বিশ্বাসী

---

১৪১

মিশ্র বেহাগ—একতালা।

( তেনে ) আরু কিয় কান্দো বহি ফুলনিত,
কুলিয়ে নো কিয় গাই গীত ?
( এদিন ). হৃদয় ঢালি ঘূৰি নিদাৰুণ
হল নৈগে যদি সেই চিত।
এদিনতে হল কিনো অপৰাধ,
এদিনতে কিয় মিলিল প্ৰমাদ,
ধিক মোৰ জীৱনত কাম নাই সখি,
তেওঁ বিনে সবে বিপৰীত ॥

লক্ষেশ্বৰ শৰ্ম্মা, বি, এ।

---

১৪২

খাম্বাজ—চৌতাল।

শূন্য অন্তৰে পঠালা নাথ
শূন্য অন্তৰে উলটি যায়।
তোমাক ভকতি কৰিব পাৰোঁ
ই জনমে মোৰ শকতি নাই।
কৃপা কৰি যদি আপোনাৰ গুণে
অৰুণ চৰণে দিয়াহি ঠাই,
ধূলাৰ শৰীৰ ধূলিতে মিলাই
আতমা মিলিব তোমাতে গই॥

ভৈৰব চন্দ্ৰ বৰুৱা।

---

১৪৩

বেহাগ—আড়াঠেকা।

হিয়া আজি কঁপে কিয়
চাটি ফুটি মন।
উদাস পৰাণ মোৰ
এনে উচাটন।

বিষয় বাসনা মোৰ
সকলো পৰিছে ওৰ,
খোজে এবে চিৰশান্তি
তাপিত জীৱন।
সুখৰ সপোন মোৰ
ভাঙিলে কাল নিঠুৰ,
অন্তৰত ৰল অঁকা
মুকতি মোহন ;—
বিদাৰি হৃদয়-তলি
ঝুমুনিয়া এটি তুলি
হিয়াত বাজিছে প্রেম
বীণাৰ সুতান॥

লক্ষ্মীৰাম বৰুৱা।

১৪৪

সাহানা—ঝাঁপতাল।

চাপিছেহি ঘাটে আজি প্ৰেমৰ তৰণী ;
আঁহা কোনে হবা পাৰ ভব বৈতৰণী।
উৰিছে সাধনা পাল, প্ৰীতি ভক্তি গুৰিয়াল,
বলিছে মলয়া ধীৰে হৰিনাম ধ্বনি।
সি পাৰে বাঞ্ছিত স্থান শান্তিপুৰী বিদ্যমান,
অপূৰ্ব্ব জ্যোতিৰে চোৱা জ্বলে ৰিণি ৰিণি ;
সংসাৰৰ বেহা এৰি আজি শুভ যাত্ৰা কৰি,
আহাঁ লওঁ গই অনন্ত জিৰণি॥

বেণুধৰ দাস।

১৪৫

খাম্বাজ—কাওৱালী।

তুমি হৃদয় ৰতন।
মুখেৰে নেমাতা কিয়
　　বিৰস বদন।
দেখিলে তোমাৰ মুখ,
পাহৰোঁ সকলো দুখ,
এবা শোক উঠা নাথ
　　দিয়া সন্নিধান।
তোমাৰে মুখকে চাওঁ,
তোমাকেহে ভাল পাওঁ,
তোমাতে সপিলোঁ মোৰ
　　জীৱন যৌবন॥

লক্ষ্মীৰাম বৰুৱা।

১৪৬

ইমনকল্যাণ— তেওট।

বিপদ বাৰণ তুমি নাৰায়ণ
পাপ-তাপ-ভয় হাৰী হে।
পৰিছোঁ বিপদে ৰাখা হে শ্ৰীপদে
তোমাৰ অনাথ সন্তান হে।
মোহৰ পাকত ঘুৰিছো সতত
নেজানি একোকে কাৰণ হে,
যত মোহ মাযা আঁতৰাই দিযা
তুমি দেৱ মোহ-নাশন হে;
কৰিছোঁ কাকুতি দিয়া শুভ মতি
গুচোৱা সংসাৰ বন্ধন হে;
করুণা প্ৰকাশি ভব ভয় নাশি
দিয়া তযু প্ৰেম চৰণ হে॥

বসুধৰ দাস।

১৪৭

মিশ্র পাহাড়ী — আৰাঠেকা

কোৱা চিত্ৰলেখা সখি
কি হব বিলাই হে।
নিশা কিনো মনোহৰ
দেখিলোঁ সপোন হে।
প্ৰাণৰ পুতলি বুলি,
কোলাত ললেহি তুলি,
মিচিকিয়া হাঁহি কিবা
মোহন পুৰুষ হে।
লাকে আধা মৰা হলোঁ,
একেবাৰে পমি গলোঁ
কত পাম সখি! সেই
পুৰুষ ৰতন হে॥

লক্ষেশ্বৰ শৰ্ম্মা; বি, এ।

১৪৮

মিশ্র ঝিঁঝিট—একতালা।

বহু আশা পালি চকুৰে দেখিলো
পূৰ হল মনৰ ধাউতি হে।
( তোমাৰ ) চেনেহী জেউতী হিয়া পৰশিছে
নেযাবা লাহৰি আঁতৰি হে।
হিয়াৰ কান্দনি কইছে তোমোৰা
দিয়াঁহি জীৱন দান হে;
( আজি ) বসন্ত বতাহে নিছে উটুৱাই
ৰাখিবা যতনে প্ৰাণ হে।
বকুল ফুলেৰে প্ৰণয় ডোলেৰে
আহা প্ৰেম হাৰ দিওঁ হে;
( আজি ) হিয়া ভৰি ভৰি হেৰা প্ৰাণ সখি
মধুৰ অমিয়া পিওঁ হে॥

বেণুধৰ ৰাজখোৱা; বি, এ।

১৪৯

কীর্ত্তন মিশ্র—ঢিমাতেতালা।

আজি বজোর৷ আজি বজোর৷
মোহন বাঁছিটি আজি বজোর৷।
অস্ত যায় দিনমণি নীল আকাশতে,
সুখ সপোনতে, মোর হৃদয়তে
বজোয়৷ মোহন বাশী বজোর৷।
সাজিছে আজি মোহন মুরলী
বাজিছে নতুন তান ;
নব উলাহতে নব জীবনতে
জাহিছে নতুন প্রাণ :—
নতুন সুখর কোমল মাতর
মোহন বাঁছিটি আজি বজোর৷ ॥

দুর্গেশ্বর শর্ম্মা ; বি, এল।

১৫০

খাম্বাজ— একতালা

আজি হৃদয়ত শুনি যোৱা হেৰা
  বাজিছে বিশ্ব বাজনা।
মিলিব সকলো নেথাকিব ভেদ
  গুচিব ভিন্ন ভাবনা।
বহু জাতি গুচি একে জাতি হব,
সমাজ বান্ধনি কৰবাত থব,
এক ভাতৃ ভাব সকলোৱে লব,
  নবব অন্য কামনা।
চিৰ দুখী গুচি চিৰ সুখী হব,
শান্তিৰ মলয়া চিৰকাল বব,
এক অৰ্ঘ্য তুলি সকলোৱে লব,
  পূজিব পুণ্য ধাৰণা॥

দুৰ্গেশ্বৰ শৰ্ম্মা ; বি, এ

১৫১

অসং—একতালা

উকৰা উকৰা　　আনন্দ নিচান
গোৱা সকলোৱে আনন্দ গীত।
মিলিল বম্বাই,　　মাদ্ৰাজ, বেঙ্গল,
যাৰ মিলনত পৃথিবী ভীত।
কিয় আমি ৰওঁ　　সুধাংশু লগত
কিয় নধৰিম উন্নতি পথ ;
সকলোৱে মিলি　　একতাৰ ধ্বনি
উঠে যেন আজি দূৰ আকাশত।
প্ৰথমতে পৰে　　সূৰ্য্যৰ কিৰণ
তোমাৰ দেহৰ পৰ্ব্বত জুৰি ;
বসন্ত কালৰ　　নতুন পখীও
আছে গীত গাই তোমাতে উ'ৰ।
ব্ৰহ্মপুত্ৰে যাৰ　　কোমল পৰাণ
কৰিব লাগিছে সজতে জুৰ ;
প্ৰকৃতি দেৱীৰ　　নিজানৰ ঠাই
মাতৃভূমি বুলি নমোৱা মূৰ।

যাৰ আকাশত বলিব লাগিছে
গোটেই বছৰ মলয়া বায়ু ;
উঠা উঠা উঠা নহলে জানিবা
"অস্ত হল" বুলি জাতীয আয়ু ।
কিয় আমি ৰওঁ সুধাওঁ লগত
কিয় নধৰিম উন্নতি পথ ;
সকলোৰে মিলি একতাৰ ধ্বনি
উঠে যেন আজি দূৰ আকাশত ॥

দুর্গেশ্বৰ শৰ্ম্মা ; বি, এল

---

১৫২

ঝিঝিট মিশ্র—একতালা ।

কান্দি এতে দিনে জপিলোঁ তোমাকে
কিয়নো আঁতৰি গৈছা গৈ ।
( তোমাৰ ) ৰূপৰ জেউতি পৰিছে জিলিকি
নেটাকা নেটাকা লাহৰি ঐ ।

কত দিন ধৰি হিয়া ধাকুবিলোঁ
তোমাৰে আশাতে সোণ ঐ।
( তুমি ) চিকুণ সোহাগে নৱ অনুৰাগে
কৰাহি অমিয়া পান ঐ।
শুন শুন সুৰে কলীয়া ভোমোৰা
পক্ষমত্ত তুলি গোৱা ঐ।
( মই ) অতি যতনেৰে পিন্ধাওঁ সুখেৰে
প্ৰেমৰ এধাৰি মালা ঐ।
হাহা হেৰা বাতি সুখ হাঁহি এটি
শীতল পৰিছে জিকা ঐ।
( আজি ) পুহ্মা বন্ধা মেলি সোণাৰি বেগতে
জুৰাওঁ প্ৰাণৰ জ্বালা ঐ॥

মোক্ষদাকান্ত ভূঞা।

---

১৫৩

কীর্ত্তন—একতালা।

জয় বিষ্ণু বনমালি,
জয় বিষ্ণু বনমালি।
নবীন লহরী,
উঠে হিয়া ভরি,
আহা হরি হরি বুলি।
* * *
অরুণে তরুণ,
বিমল কিরণ,
মোহে জগমন ঢালি;
জয় বিষ্ণু বনমালি।
* * *
মোহন মুরলী,
সুললিত বুলি,
আপোনাকে নিয়ে ভুলি;
জয় বিষ্ণু বনমালি।

*  *  *

আকাশে নাচিছে,
তোমারে চাহিছে,
নতুন মাধুরী তুলি;
জয় বিভু বনমালি।

*  *  *

নাচিছে গোপিকা,
নাচিছে রাধিকা,
তোমার প্রেম প্রাণ খুলি;
জয় বিভু বনমালি॥

দুর্গেশচন্দ্র শর্ম্মা; বি, এল

---

১৫৪

বেহাগ মিশ্র—একতালা।

দেখা দিলে যাবো কিছুনী মনে।
দেখা দি লুকালে,
প্রাণ কাড়ি নিলে,
অকূলেতে পড়ি দুখীয়া মনে।

নীল আকাশও ধুনীয়া জোনাই,
সকলোরে সুখ দিছেহি বঢ়াই ;
কিন্তু হায় ! মোর হিয়া বিয়াকুল,
লাহে লাহে মাথোঁ বেদনা বাঢ়ে ॥

গুণদাকান্ত ভূঞা।

---

১৫৫

পিলু—খং।

নেজানো কপালে মোর
বিধিয়ে কি লিখিলে ;
এনুৱা বাতনা হাঁয়
হৃদয়ত থাপিলে।
প্রাণ সম তুমি সতী,
হব কি তোমার গতি,
নিদাৰুণ মোর পতি,
এনে বজ্র পাতিলে ॥

বেণধর রাজখোৱা ; বি, এ।

১৫৬

বারোঁয়া—ঠুংরী।

বিভুগান গাও হে সবাই।
অসার সংসার মায়াময়।
ধন জন ভার্য্যা পুত্র,
এসব মোহের সূত্র,
চক্ষু মুদিলেই ভাই
সকলো হেরায়।
সার বস্তু যদি চাও,
বিভুর শরণ লও,
মন-প্রাণ তাঁহার পায়ে
রাখো সর্ব্বদাই॥

বিজয়চন্দ্র বিশ্বাসী।

১৫৭

হাম্বীৰ—কাওৱালী।

সখি ৰাধা মোৰ প্ৰাণ।
কোনেনো বজালে বীণা দিয়া সন্নিধান
ধীৰে ৰাধা ৰাধা গায়,
হিয়া মোৰ পমি যায়,
চকুলো উপচি আহে শুনি সেই গান॥

নবীনচন্দ্ৰ বৰদলৈ; বি, এল

# সপ্তম অধ্যায়।

## পূর্বাণ সঙ্গীত।

### বিয়াব গীত।

১

বাম বাম চবাটিবে চিকুণে
বাম বাম তেলীয়া-সাবেজে,
বাম বাম মাহুবে চিকুণে মোৱা ।
বাম বাম বাসুণব চিকুণে
বাম বাম কোটে লণ্ডণে,
ব ম বাম হোমবে চিকুণে ধোঁৱা ।
বাম বাম আগকালি শুনানি
বাম বাম পাকিস্তি তামোগে,
বাম বাম পাচ কাল শুনানি পাব ;
বাম বাম ববধব শুবনি
বাম বাম জীৱবী তোৱালী,
বাম বাম উলিয়াই দিবাল চান ॥

২

ওলাই আহাঁ আইদেৱে মাটিত মঙ্গল চাই ;
গণকে গণিতা কৰে খেণ চৰি যায় ।
ওলাই আহাঁ আইদেৱে আঙুলিকে লেখি ;
প্ৰজা সকল বৈ আছে তোমাক নেদেখি ॥

৩

ৰাম ৰাম জাৰে কঁপাই হিয়া,
ৰাম ৰাম কিনো বজে ঢোলা,
ৰাম ৰাম বজ্ৰসি আঁহৰি আলা ।
ৰাম ৰাম পা চাই পামোছা,
ৰাম ৰাম আনাগৈ লিগিৰী,
ৰাম ৰাম ককাল চাই মেখেলা আনা ;
ৰাম ৰাম মুখে চাই আৰচি,
ৰাম ৰাম আনাগৈ বাসেচী,
ৰাম ৰাম নাপোণ চাই জেঙাগৈ চুলি ।

৪

আজু আনন্দ নন্দ ঘরে
পূর্ণ ব্রহ্ম জন্ম ধরে।
ঘাগুর গুর্ গুর্ সঘনে বাজে।
কত মন্মথ দেখি লাজে।
গোপিনী মিল মিল নেত্র ছরে।
দধি দুগ্ধ খেলরে॥

৫

মুরত চাউল দিয়া, আশীর্ব্বাদ করা,
সুমঙ্গল বসতি হোক এ।
জনমে জনমে শাখে সেন্দুরে,
স্বামীক ভকতি রওক এ॥

৬

আগত্ত দিয়া, পাচত্ত দিয়া,
পঞ্চ আয়তীয়ে, রাম রাম,
পঞ্চ আয়তীয়ে।
দূর্ব্বা ঘাটে পানী তোলে
যশোদা সুন্দরী রাম রাম
যশোদা সুন্দরী॥

---

৭

শিব বাণ রজার ঝীয়ারী,
শিব ঊষা পটেশ্বরী,
শিব সপোনত সেখানে রাতি।
শিব রাতি দুপর নিশা,
শিব ঊষাই দেখিলে,
শিব কিলাগি জীবন ধরৌঁ।
শিব আছা সখি সরে,
শিব গাধীর শিরতে,

শিৱ জলে জাম্প দিয়া মৰোঁ।
শিৱ বাটত লগে পাই,
শিৱ নাবদে সুধিলে,
শিৱ কলৈ যোৱাঁ প্ৰাণ সখি।
শিৱ কিবা সোধা সখি,
শিৱ কুমাৰক নেদেখি,
শিৱ উষা মৰিলেক কান্দি।
শিৱ পাচিত বহিছে,
শিৱ উষা মূৰ্চ্ছা গলে,
শিৱ সখিক সোধে যুগুতি।
শিৱ কেনেকৈ হবিবা,
শিৱ অনিৰুদ্ধ কোৱঁৰক,
শিৱ থৈছে সোণাৰ গড়ে মাৰি।
শিৱ কাম দেৱৰ পুত্ৰ,
শিৱ গোবিন্দৰ নাতি,
শিৱ আনি দিয়া প্ৰাণ সখি।

৮

দৈয়ন দিয়াঁ দৈয়ন দিয়াঁ
আপোনাবে আই।
ভাল কবি দৈয়ন দিয়াঁ
শবীব জুবাই।
পানকবীয়াবে পান আনাগৈ
গোৱালব ঘবে দৈ এ।
আজি আইদেৱক দৈয়ন দিছেহি
সিংহদুৱাবতে বৈ এ॥

---

৯

এইনো সাজে পাবে জুগুৱাই বোপাদেও
আক সাজ পাব লাগে।
খবকৈ যোৱাঁগৈ দেউতাবাক কোৱাঁগৈ
এতিয়াই সলাব লাগে।

হাতীকে সজালে হাতীৰকয়াই
ঘোঁৰাকে সজালে ঘাঁহী।
আমাৰ সোপা দেওক সজাই দেউতাকে
বিচিত্ৰ অলঙ্কাৰ আনি।
ধোবাকো বধিলে বস্ত্ৰ কাঢ়ি ললে
কুজীৰো ললে চন্দন।
মলিয়াৰ হাতৰে মলা তুলি ললে
লাবলে ৰঘু নন্দন।
হাতী আনো বুলি নানিলা দেউতা
ঘোৰাকো আহিলা এৰি।
অতখন বাটলৈ কেনেকৈ যাবগৈ
সোণৰ মনি যেন ভৰি॥

১০

আয়তা সকলে উকলি দিয়াছে
গাভৰু উলিয়াই দিলে।
মৰমৰ জীয়াৰী চিকি মায়া কৰী
মাকক মেলানি ললে।

ৰৰ হোমৰ গুৱাৰতে শহুৰৰ আগতে
বাপুদেউৰ আঠুতে থায়।
ভেকা দেৱে আজি কোন লাজে খুজি
আছাহে দেখি সুন্দৰী।
চৈধ্যবছৰীয়া এনেনো ধুনীয়া
গোলাপৰে পাহি যেনে।
দেখি মনে মনে বোপাদেও বখানে
নিজে ধন্য ধন্য মানে।
আঁচলে আঁচলে সাঙুৰি পেলালে
বজে পিছে পিছে ফুৰে।
হৰ গৌৰী যেনে অতি শোভা কৰে
মিলিছে জোৰিকো জোৰে॥

---

১১

নাহিৰেওৰ মজিয়াত কোনে উমলিলে
কৰ্ঠণ চৰাইৰে পাখি।
[illegible] মজিয়া পোহৰ হৈ আছিলে
বাঁহে লই যাব আজি।

বাম কম্মাবরে সনোৱা কটাৰী
সাঁতে সবি দিয়া বিবি।
লাগেবে আইদেও ধনকে ভৰিবা
কটাৰী নিদিবা এৰি।
জীউ খেদি বামে শালে সোণৰ মণি
পাহৰি শৰাইতে থলে।
যিহে টেঙ্গৰা আমাৰ আইদেৱে
টিপাতে লুকুৱাই থলে॥

১২

বাম বাম বামে বামতী,
বাম বাম জীউ খেদিছিলে,
বাম বাম বামতকৈ বামতী চৰে।
বাম বাম জীউ খেদি বামে,
বাম বাম শালে সোণৰ মণি,
বাম বাম শৰাইতে গুলোমাই থলে॥

১৩

ৰামৰে জননী পালেহি ৰুক্মিণী,
ওলাই আহাঁ মুৰ দোৱাই হে।
জোৰোণ দিয়াৰ ভাল অলঙ্কাৰ,
আনিছোঁ টেমা ভৰাই হে।
ৰামৰ ঘৰৰে গহনা আনিছে
লৈ আহাঁ বাচি পিন্ধাওঁ হে।
মাৰাৰ সাজেৰে হইছা গাভৰু
চাপি আহা সাজ পিন্ধাওঁ হে॥

---

৪

সখি হে! তুলিতে তলিচা,
সখি হে! বহিছে আই দেউ,
সখি হে! শৰাই লৈ মেলিছে চুলি হে।
সখি হে! দহো আঙুলিয়ে,
সখি হে! বন্তু জ্বলিছে,
সখি হে! নেপুৰেও ধৰিছে তুলি হে।

সখি হে। চুলিত ধৰি ধৰি,
সখি হে! আছে কেনে কৰি,
সখি হে! গোলাপৰ দৰে ফুলি হে।
সখি হে! শৰীৰ নো কি চাবা,
সখি হে। দেখি ভোল হবা,
সখি হে। যেনে ৰাম কলৰ পুলি হে।
সখি হে! পূর্ণচন্দ্র যেন,
সখি হে। শৰীৰ বৰণ,
সখি হে! জ্বলিছে সভাৰ মাজে হে।
সখি হে! অতুল ৰূপতে
সখি হে! আছে তোমাৰ সখি,
সখি হে! পার্ব্বতি সকলো কাজে হে॥

---

১৫

কালি এতেবেলি আছিলোঁ আইদেও
মাবাৰ পালেঙ্গত শুই।
আজি এতেবেলি লবিলা আইদেও
অৰণ্যত লগালা জুই।

চাউল চাবি পুৰা কত নো এৰিলা
চিৰা চাবি পুৰা পাই।
চেনেহৰ সক ভাই কত নো এৰিলা
বোপা দেউৰ বাতৰি পাই॥

---

## বৰ-গীত।

### ১৬

ৰাগ—আশোৱাৰী।

জয় জয় যাদৱ জলনিধিজা-ধৱ ধাতা।
প্ৰণতমাত্ৰাখিলত্ৰাতা।
স্মৰণে কৰয় সিদ্ধি দীন দয়ানিধি,
ভকত মুকুতি পদ দাতা।
জগজন জীবন অজন জনাৰ্দ্দন
দনুজ দমন দুখ হাৰী।
মহদানন্দ কন্দ পৰমানন্দ
নন্দ নন্দন বনচাৰী।

বিবিধ বিহাৰ বিশাৰদ শাৰদ
ইন্দু নিন্দি পৰকাশী।
শেষ শয়ন শিৰ কেশি বিনাশন
পীত বসন অবিনাশী।
জগত বন্ধু বিধু মাধৱ মধুৰিপু
মধুৰ মূৰতি মুৰনাশী।
কেশৱ চৰণ সৰোৰুহ কিঙ্কৰ
শঙ্কৰ অন্ত অভিলাষী॥

---

১৭

ৰাগ— নাট মল্লাৰ।

মধুৰ মুৰতি মুৰাক
মন দেখ হৃদয়ে হামাক।
ৰূপে অনঙ্গ সঙ্গে তুলনা
ভনু কোটী সূৰুষ উঝিয়াক।
মকৰ কুণ্ডল গণ্ডমণ্ডিত
খণ্ডিত চান্দ ৰুচিখিত হাসা।

কনক কিরীট জড়িত রতনা
নব নীরজ নয়ন বিকাশা।
চতুর উরুর কর কঙ্কন,
কেয়ূর ভুজমহ মোতিম হার।
লীলা বিনোদী কম্বু
কৌমুদী চক্রকেরি কুণ্ডধার।
শ্যাম শরীর রচিত পীত
অম্বর উরে বনমালা লালে।
কৌস্তুভ শোভি কণ্ঠ
কটিকাঞ্চী কিঙ্কিণী কনয়া দোলে।
অরবিন্দ নিন্দি পায় নবপল্লব
রতন নূপুর পরকাশা।
ভকত পরম ধন তাহে মজোক মন
শঙ্কর এহু অভিলাষা॥

১৮

রাগ—ধনশ্রী।

নারায়ণ! চরণে করোহোঁ গোহারি।
বিষয় বিলাস পাশ ছান্দি ইন্দ্রিয় মোহি
ওহি লুটে বাটোয়ারী।
নাসা গন্ধ মধুর রস রসনা
শ্রবণ বিবিধ ধ্বনি ধায়।
নয়নে রূপ পরশ ত্বচ চাহে
কাঁহে ভজোঁহো পহু পায়।
কাম ক্রোধ মদ মান মোহ মোরি
ঐসব বৈরী বিশাল।
শঙ্কর কহ পহু তুহু বিনে নাহি আর
সেবক পাল গোপাল॥

১৯

রাগ—গৌরী।

ওরে সখি পেখোরে কুঞ্জ লোচন,
চললি নন্দকুমারা।
ইন্দুবদন কোটিমদন রূপে ভুল মুহি যারা।
মকর কুণ্ডল মণ্ডিত গণ্ড,
গলে গজমতি দুলে।
তবিতাম্বর শ্যাম সুন্দর
শিরে শিখণ্ডক দোলে।
করকঙ্কন কিঙ্কিণী কনক
ঝনকে চলে গোপালা।
পঞ্চম পূরে লম্বিত উরে
কোকি কদম্বক মালা।
পদপঙ্কজ মঞ্জীর ঝুরে
হরয় চিত্ত হামাক।
শঙ্কর কহ ছার বিরহ
ওহি জগ আধাক॥

২০

ৰাগ—গৌৰী।

ৰাম পৰম ধন চিন্তহু মন ভাই,
তস্মু চিন্তামণি বিফলেহি যাই।
বিষয়ক সুখ শূকৰ কহোঁ পাই,
হৰি পদ সেৱা মানবী বিনে নাই।
ঝুটা ঐচন জনম গোঞাই,
বিষয় কাচক মূলে মানিক বিকাই।
ওহি পৰমতত্ত্ব বেদক বাণী,
কহত মুকুন্দমতি মাধব জানি।

---

২১

ৰাগ—ধনশ্ৰী।

নাৰায়ণ কে গুণ জানব তোই
কৰহু কৰুণা নাথ মোই।

সহস্র বয়নে গুণ গায়ত ভিনে ভিনে
বয়নে কৰত বখানা।
তোহাৰি নামগুণ যশ মহিমাক
তবহু অন্ত নাহি জানা।
মহামুনি চতুৰ বয়ন সুৰ শঙ্কৰ
মোহিত যাকেৰি মায়া।
চাৰিবেদ বিচাৰকয় আয়ত
যাকেৰি অন্ত নপায়'
সনক সনাতন আদি যোগীগণ
যাকেৰি মহিমা নজানা।
হামো মূৰুখ মতি কেমনে জানব গতি
তুহু মাধব গানা॥

২২

ৰাগ—ধনশ্ৰী।

নাৰায়ণ মাগোঁ চৰণ ৰতি তেৰা।
ই তিনি ভূবন, তুমহি ৰৰঠাকুৰ,
নাহি জানত মতি মেৰা।
ভূবন চতুৰ্দশ কায়া ফিৰত মেৰি
বেৰি বেৰি অন্ত নহোই।
তাক তাক তাক ইবেৰি নাৰায়ণ
থোৰে কৰুণা কৰ মোই।
সয়ল পাপী মহ হামো অধিকতম
কমনে তৰিতে মেৰি আশা।
কহয় মাধব হৰি   তুহোঁ পতিত গতি
ওহি মেৰি পৰম ভৰসা॥

১৩

ৰাগ—ভাটিয়ালী।

অগো মাই তোহাৰ তনয় যদুমনি।
বকাসুৰ বধি হাৰ পৰম আনন্দ কৰি
আইসে শুনা বংশীৰ ধ্বনি।
ভয়ঙ্কৰ বকগোট বজ্ৰৰ সমান ঠোট
চুম্পি ৰহি আছে সাবধানে।
বায়ুবেগে আসি ধায় গিলিল কৃষ্ণক পাই
দেখি আমি মৰিলোঁ পৰাণে।
তালুত লাগিল হৰি পেলালে বাহিৰ কৰি
সকল বালকে আছোঁ চাই।
পুনু আসে গিলিবাক ঠোটত ধাৰয়া তাক
চিড়িয়া মাৰলা যদুৰাই।
খানিকো নভৈল ঘাৱ, কৃষ্ণৰ নিকজ গাৱ
দেখিয়া কৌতুক পাইলা ৰবে।
ধেনু বৎস আগ কৰি আনন্দে আসন্ত হৰি
আমি সৱে আসিলেঁা লৱৰে।

ব্ৰজত পৰিল জান    কৃষ্ণেসে সবাৰো প্ৰাণ
নন্দ ঘৰে আসিলা হৰিষে।
কৃষ্ণমুখ পদ্মমধু    নেত্ৰে পিয়া ব্ৰজবধূ
কৃষ্ণ শিৰে কুসুম বৰিষে।
দেখি নন্দ যশোদাৰ    আনন্দৰ নাহি পাৰ
কৃষ্ণক কোলাত লৈলা তুলি।
মৰি যেন আইল প্ৰাণ    কৰে পুত্ৰ শিৰঘ্ৰাণ
প্ৰেমৰসে মজিল সমূলি।
নিজ বৈৰী মাৰি হৰি    আসিলা কৌতুক কৰি
দেখি সবে ভৈলা আনন্দিত।
মাধৱ মুকুন্দমতি    কহে মোৰ হৰি গতি
হৰি পাৱে নিমজোক চিত্ত॥

---

২৪

ৰাগ—বেলোৱাৰ।

বিৰিন্দাবনে খেলে যশোদা নন্দ ললনা।
যো হৰি সকল ভুবন একু পালক, সো হৰি
বনে বৎস পালনা।

কোটি মদন জিনি বাঙ্কত যদুমণি

নব জলধৰ তনু শোহনা।

ত্রিবলিবলিত অঙ্গ ভঙ্গ রুচিৰ ৰঙ্গ

ৰসিক ভুবন মনমোহনা।

বাম বলিত ভুজ মূলে মিলিত বাম

কপোল ভঙ্গুৰ ভ্রূব চালনা।

ঈষত ঈষত হাসি বংশী মধুৰ ধ্বনি

মণিময় চূড়া ভালি টালনা।

নবীন গুঞ্জাৰ হাৰ, গলে গজ মুকুতাৰ,

মালা কদম্বকেলি দোলনা।

ৰতন মঞ্জীৰমণি, ঝুৰয় চৰণ সহ,

মাধব কহ ভব ভুলনা॥

---

২৫

ৰাগ—মাহব।

শ্যাম চান্দ মুখ পেখলো মাই।

কদম্ব কান্ধে বহি ফিৰি ফিৰি চাই।

কদম্ব মালা গলে শোভিত ভালি,

এতিনি ভুবন মোহন বনমালী।

কুণ্ডল ডগমগি ঝলমল মোড়া,
ঈষত হাসি ৰসে মানস চোৰা।
অমল কমলদল লোচন ৰাতা,
অপৰূপ নিৰমল কমন বিধাতা।
সকল কলাৰস সিন্ধু নাগেৰা,
মাধৱ কহ গতি গোবিন্দ মেৰা॥

---

২৬

ৰাগ—গৌৰী।

ভালি নাচে মদন গোপাল।
বজায মোহন বেণু গলে বনমাল।
অৰুণ চৰণ দুহোঁ থমকে চলায়,
ঈষত ঈষত হাসি পঞ্চম গায।
শ্যামল সুন্দৰ চান্দ বয়ন বিকাশ,
কহয মাধৱ দীন হৰিপদ দাস॥

২৭

রাগ—শ্রী।

শ্যাম মনোহর হরয়ে নাগর জানে লো।
হামারি জীবন কানু হাসি হরল রে
কালা অঙ্গের তিনি ঠানে লো।
ভ্রূব মদন ধনু চিত নিবেশিত
বঙ্কিম নয়ন পঞ্চম বানে।
অমিয়া মধুর বাণি মোহমন্তুর জনি
ঘনে ঘনে করত সন্ধানে।
মোহন বংশীর গানে হরল চেতন মন
মরম ভেদল রব টানে।
কহয় মাধর মাই কানাই জীবন বিনে
কভো নাহি রহত পরাণে॥

২৮

ৰাগ - শ্ৰী।

গোকুল আজু গোপাল বিনে ভয়ো আন্ধিয়াৰি।
উগত সূৰ দূৰ গয়োৰে মুৰাৰি।
হামাৰি জীবন দূৰ গয়োৰে গোবিন্দ,
নয়নে নেদেখোঁ আৰ পদ অৰবিন্দ।
ৰবি বিনে দিন নোহে জল বিনে মীন,
হৰি বিনে গোপীৰ জীবন ভেল ক্ষীণ।
ধৰণী লুটিয়া গোপী ফোকাৰে সঘন,
কহয় মাধৱ গতি নন্দকু নন্দন॥

২৯

ৰাগ - কৌ।

উঠৰে উঠ বাপু গোপাল হে, নিশি পৰভাত ভেল।
কমল নয়ন বুলি ঘন ঘন, যশোৱা ডাকিতে লৈল।
মোৰ প্ৰাণ ধন সুচান্দ বয়ন
গায় চালি ভেজ নিন্দ।

সব পুরুষবর শিবর ভূষণ
তুমিসে বাপু গোবিন্দ।
মোর পুত্র বুলি যশোরা গোয়ালী
বুকে বান্ধি কোলে লৈল।
বয়নে চুম্বন করি ঘন ঘন
আনন্দে মগন ভৈল।
সিদ্ধ মুনিগণে চিন্তিয়া নপারে
সো হরি যশোরা কোলে।
ত্রিজগত পতি ভকতি মিলন
মূরুখ মাধরে বোলে॥

---

৩০

রাগ—শ্যাম।

তেজরে কমলাপতি পরভাত নিন্দ,
তেরি মুখ চান্দ পেখোঁ উঠরে গোবিন্দ।
রজনি বিদূরে দিশ ধরলি বরণ,
তিমির ফিড়িয়া বাজ রবির কিরণ।

শতপত্র বিকশিত ভ্রমৰা উড়াই,
ব্রজবধূ দধি মথে তুৱাগুণ গাই।
দাম সুদামে ডাকে তেৰি লৈয়া নাম,
হের দেখ উঠিয়া আসিল বলোৰাম।
নন্দ গেল বাথানে গোৱাল গেল পালে,
সুৰভী চাৰিতে লাগে উঠৰে গোপালে।
ক্ষীৰ নৱনী লৈয়ো শিঙ্গা বেত বেণ,
সকালে মেলিয়ো বৎস হাম্বালায়ে ধেনু।
কহয় মাধৱ মাই কিনো তপসাইলা,
ত্রিজগত পতি হৰি বাখোৱাল পাইলা॥

---

৩১

ৰাগ—সিন্ধুৰা।

জয় জয় ৰাম ৰাঘৱ ৰঘুকুল পঙ্কজ
দিনকৰ ৰাম মুৰাৰি।
যো পদ কমল সুৰাসুৰে সেৱত
সকল ভুবন অধিকাৰী।

বালি ঘালি পালি সুগ্রীব কপি
বারিধি বান্ধল সেতু।
নিশাচর সাতে দশানন ঘাতন
জগজন মঙ্গল হেতু।
জানকী লক্ষ্মণ সুগ্রীব বিভীষণ
মারুতি সব সৈন্য সাতে।
পুষ্পক যানহি আসি আপোন
ভাক্তো নরপতি রঘু নাথে।
শিরে শশী মণ্ডল ছত্র সুনির্ম্মল
শ্বেত চামর দোহো দোলে।
মিলিল মহোৎসব পরম কোলাহল
সবলোই মঙ্গল বোলে।
শঙ্খ মৃদঙ্গ মুরুজ ধ্বনি বাজত
ডুম ডুম ডুন্দুভি বোলে।
শঙ্ক শরদ শুভ মিলিল মহোৎসব
জয় জয় বাঘর ঝোলে।
ব্রহ্মাপুরন্দর হর মুনি কিন্নর
চারণ মিলিল রঙ্গে।

ৰতন সিংহাসনে বসি ৰঘুনন্দন
ৰাজত জানকী সঙ্গে।
নিত্য নিৰঞ্জন জগজন কাৰণ
ৰাম ৰূপে অৱতাৰা।
ৰঘুপতি চৰণ কমল ভৃঙ্গ মাধৱ
কহ গতি ৰাম হামাৰা॥

---

৩২

ৰাগ— ভাটিয়ালী।

বুঢা ভাই হৰি গুণ গাই নাচা।
কোন দিন চলি শৰাৰ পৰয়,
আৰু কি বাট চাই আছা।
আয়ু দিলে ভাটি হাতে লৈলে লাঠি
হাণ্ঠিতে নচলে পাৰি।
ভাগিল মাণ্ডলী আগ গৈল চলি
ধনু ফান্দ দিলে গাৰ।

ছাল সোটা সোট　　হাব গোটাগোট
কোটবে লুকাইল আঁখি।
তেজ বল মাংস　　গায়তে লুকাইল
দেখিয়া নাপায়া সাখী।
শুখাই গৈল আত　　মুখে নাই মাত
দাস্তবো নাহি অবস্থা।
কাসে ঢুল ঢুল　　সবি গৈল চুল
লবৰব কবে মাথা।
বিভৎস শবীব　　আখি ঝুবে নীব
তিনি থানে ভৈল বাগ।
কহয় মাধব　　সবেও মবিব
তথাপি বুচাসে আগ॥

---

৩৩

বাগ—ভাটিয়ালী।

ডেকা ভাই কিসব হাবয তোব।
চক্ষু নেদেখস, আনন্দে ভ্রমস, তোক ·াইলে কালচোব।

আছিলি ছৱাল ভৈল যুবাকাল,
কেনে তাত নাই মন।
আপদৰ বন্ধু যতনে লৈয়ো
ৰাম নাম মহা ধন।
আয়ু আদি কৰি যত ধনজন
সব কাল চোৰে হৰে।
দেখি নেদেখস বুঢ়াক হাসস
ছৱাল কালতে মৰে।
যৌবন গৰ্ব্বক ঝাণ্টে পৰিহৰি
নামক লৈয়ো যতনে।
কালৰ হাতত বৃদ্ধ যুবা নাই
কহয় ৰাম চৰণে॥

## ভটিমা।

৩৪

জয় গুৰু শঙ্কৰ সৰ্ব্ব গুণাকৰ
যাকেৰি নাহি উপাম।
তোহাৰি চৰণক ৰেণু শতকোটি
বাৰেক কৰোঁহো প্ৰণাম।
দৰশিত সুন্দৰ গৌৰ কলেবৰ
যৈসন সূৰ পৰকাশ।
সকল সভাসদ ৰঞ্জন যাকোৰ
দৰশনে পাপ বিনাশ।
বিনে অঙ্গ ভূষণ পেখি সুশোভণ
গহীন গম্ভীৰ ধীৰ মতি।
আয়ত লোচন নয়ন ৰৰ সুন্দৰ
বয়ন চাঁদকহু জ্যোতী।
লীলা গজগতি গমন বিলোকন
বাণী মেঘ গম্ভীৰ।
পাষণ্ড মৰ্দ্দন কলিকো কালে
যাকো সম নাহি ধীৰ।

যোহি নারায়ণ মায়া বিস্তারি,
কর ত্রিজগত নিরমাণ।
সনক সনাতন যোগী যাকেরি
মহিমা করহু নজান।
চারি বেদ শিরোমণি যাকে
যাকেরি চরণ বিকাশ।
সোহি দেবক কয়লি কলিকো
শঙ্কর দেব পরকাশ।
ত্রিভুবন বন্দন দৈবকী নন্দন
যোহরি মারল কংস।
জগজন তারণ দেব নারায়ণ
শঙ্কর তাকেরি অংশ।
মায়া নরতনু ধরি হরি ভকতি
কয়লি বহু পরচার।
সকল চরাচর পালনকারা
যোহি দেবকো দেবা।
চতুর বয়ন শিব সুরপতি যাকেরি
চরণে কর নিত্য সেবা।

সব নব পাপ পয়োধি মজ্জ্বল
তাহে কয়লি উদ্ধার।
অব নিশি চারি বেদ বিচারি
বেকত করু হরিনাম।
যাকেরি বয়নে মিলাই গাই
পাই মনোরথ কাম।
পণ্ডিত মানি বেদ বখানি
গরব কয়লি চুর।
গীত কবিত্বগুণ শঙ্কর দেবর
কীরিতি গয়ো বহুদূর।
শ্রীযশ দান মান ভূত দায়া
সব গুণ সম্পদ ঠিক।
ভকতক ভকতি দানে করু গুরু
দায়া তনয় অধিক।
হরিক মুকতি সুকতি মন মগন
মজ্জল আনন্দ সিন্ধু।
ঐসন নিরমল হৃদয়ে বিকশিত
ভকতকুমুদ কুল ইন্দু।

ছোৰি ভুবন চলছু নন্দনন্দন
গোধন চাৰণ কাৰণ ৰে।
দাম সুদাম সখা সব মিলত
আনন্দে গোবিন্দ খেলি খেলাৱত ৰে।
শত শত বৎস বিমল সুবিমল
নবীন চৰীন লৱত ৰে।
শিঙ্গা উপাঙ্গ বেণু মুহ বাজত
হেৰি গোৱাল ভুলাৱত ৰে।
গিৰিপতি ধ্যান তেজি অবধান
মুৰুৰীক সান বিমোহিত ৰে।
ভণত জগন্নাথ কি দাস কি মাধব
মুহ ভৰি ৰাম কহাৱত ৰে॥

---

## গুণমালা।

৩৭

ঘোষা।

ৰাম নিৰঞ্জন পাতক ভঞ্জন॥

পদ।

নমো নাৰায়ণ সংসাৰ কাৰণ
ভকত তাৰণ তোমাৰ চৰণ।
তুমি নিৰঞ্জন পাতক ৰঞ্জন
দানব গঞ্জন গোপিকা ভঞ্জন।
বেদান্ত গায়ক বংশী বায়ক
জগত নায়ক মুকুতি দায়ক
ভকতৰ শান্তি কৰা সৰ্ব্বসিদ্ধি
বিধাতাৰ বিধি দীন দয়ানিধি।
ভকত ৰোচন দুঃখ সঙ্কোচন
পাতক মোচন কমল লোচন।
দৈত্য অন্তকাৰা গোবৰ্দ্ধনধাৰী
ভব ভয়হাৰী তুমিসে মুৰাৰি।
কালিক দমিলা পূতনা শুসিলা
দেৱক তুষিলা ব্ৰজক ভূষিলা।
কেশীবৎস বক সমস্ত দৈত্যক
লগাইলা চমক ডকাইলা যমক।

তুমি বাৰম্বাৰ হৈয়া অৱতাৰ
পৃথিবীৰ ভাৰ খণ্ডিলা অপাৰ।
ইন্দ্ৰক দমিলা ব্ৰহ্মায়ো নমিলা
বনত ভ্ৰমিলা গোপীক ক্ৰীড়িলা।
পশি ৰঙ্গশাল যত মহামাল
কৰিয়া আস্ফাল বধিলা গোপাল।
তত্ত্বগুণ নাম ধৰ্ম্ম অনুপাম
মোক্ষ অৰ্থ কাম সাধা প্ৰভুৰাম।
মাৰি দশগ্ৰীৱ জনকৰ জীৱ
পাইলা সদাশিৱ তুমি জগজীৱ।
তোমাৰ চৰিত্ৰ পাতকীৰ মিত্ৰ
পৰম পবিত্ৰ কৰিলা বিচিত্ৰ।
পতিত পাৱন এতত্ত্ব তাৱন
অসুৰ দাৱন তুমিসি বামন।
অগতিৰ গতি ত্ৰিজগত পতি
তোমাৰ ভকতি থাকোক সম্প্ৰতি।
শ্যামল শৰীৰ জলদ ৰুচিৰ
গহীন গম্ভীৰ গুণৰ মন্দিৰ।

কুণ্ডলে মণ্ডিত    অসুৰ দণ্ডিত
পাতক খণ্ডিত    তুমিসি পণ্ডিত।
দাৰিদ্ৰ্য মৰ্দ্দন    কৰুণা সদন
বংশী বদন    মূৰতি মদন।
হাস্য দৰিশন    পাপ কৰিষণ
দোষ মৰিষণ    কাম বৰিষণ।
জগত আধাৰ    দৈবকী কুমাৰ
সংসাৰত সাৰ    চৰণ তোমাৰ।
তুমি জগৱন্ত    মহিমা অনন্ত
তাৰিলাহা সন্ত    পুৰুষ মহন্ত।
তুমি সুৰবৎসল    পুৰুষ নিছল
নাহি কিছু ছল    ভকত বৎসল।
তুমি অৱতৰি    অসুৰ সংহৰি
সৃষ্টি আছা ধৰি    দেৱ শ্ৰীহৰি।
অঘাসুৰ ঘালি    মহা বলশালী
দমিলাহা কালি    তুমি বনমালী।
কৰি পৰাভৱ    খেদাইলা দানৱ
ভকত বান্ধৱ    তুমিসি মাধৱ।

কৰি অবিছেদ দৈত্য কৰি ভেদ
খণ্ডিলাহা খেদ উদ্ধাৰিলা বেদ।
জগতক বশ্য কৰিলা অবশ্য
ভৈলা মহামৎস্য ব্ৰহ্মাৰ নমস্য।
তুমি মহা হংস আছি নিজ অংশ
হুয়া যদুবংশ বধিলাহা কংশ।
জগত নিঃশেষ সন্নান্ত প্ৰবেশ
ভৈলা হৃষীকেশ নাজানি উদ্দেশ।
তুমি পীতাম্বৰ কৰি আডম্বৰ
বধিলা সম্বৰ প্ৰভু বিশ্বম্ভৰ।
তুমি সি অচ্যুত আনন্দে আপ্লুত
ভকত বহুত কৰিলা মুকুত।
ধৰি মৎস্যকায় সত্যব্ৰত ৰায়
প্ৰলয় অপায় তাৰিলা লীলায়।
কুৰ্ম্ম কলেবৰ ধৰিলা মন্দৰ
মথিলা সাগৰ নভৈলা ভাগৰ।
বৰাহ শৰীৰে উদ্ধাৰি ভূমিৰে
হিৰণ্যাক্ষ বীৰে মাৰিলাহা চিৰে।

নৰসিংহ ৰূপে ভৈলা দিব্য বপু
বধিলাহা ৰিপু হিৰণ্যকশিপু ।
ভৈলা অদিতিত বামন উদিত
মূকতি ল'লিত বলিক ছলিত ।
যামদগ্ন্য ৰাম কৰি চা'ম চাম
ক্ষত্ৰিয়ৰ নাম নথৈলা সংগ্ৰাম ।
ভৈলা কৌশল্যাত শ্ৰীৰাম জাত
ৰাৱন বিঘাত কৰিলা লঙ্কাত ।
ৰাম হলধৰ ৰোহিণী কুমাৰ
মাৰিলা ইতৰ দ্বিবিদ বানৰ ।
বুদ্ধৰূপে ছল কৰি বেদগণ
মুহিলাহা মন ত্যজিলা সকল ।
হুয়া কল্কি চণ্ড কতেক পাষণ্ড
কৰি খণ্ড খণ্ড বিহিলাহা দণ্ড ।
ধৰি বাৰম্বাৰ দশ অৱতাৰ
পৃথিৱীৰ ভাৰ খণ্ডিলা অপাৰ ।
কৃষ্ণৰ কিঙ্কৰে ৰচিলা শঙ্কৰে
হৰি হৰি নৰে বোলা নিৰন্তৰে ।

সোনাৰ পালঙ্গে শান্তি নাহিলা ঘুমটি।
উঠোঁতে বহোতে শান্তি পোহাইলা ৰাতি ॥
আকাশত চন্দ্ৰ নাই নিজিলিকে তৰা।
ষিবা নাৰীৰ পুৰুষ নাই জীয়ন্তুতে মৰা ॥ ৮ ॥
শাওণ মাহতে শান্তি কৰানৱে দিন।
মাই বাপেৰ ঘৰত শান্তি কৰা কত দিন ॥
মাই বাপেৰ ঘৰত শান্তি সুখুৰাই গায়।
পাখী হেন হৈছি শান্তি পখালিবে পায় ॥ ৯ ॥
ভাদৰ মাহতে শান্তি ভটিয়া বৰি থৰ।
নদী শুখাল নালা শুখাল পৰিল বালি চৰ ॥
কোৱা বায়ে কুলি বায়ে বায়ে বাক হাঁহ।
হেলাই গোৱালোঁ শান্তি এইবাৰ ছয়মাহ ॥ ১০ ॥
আহিন মাহতে শান্তি দেৱী পূজা খাই।
হাঁই পাব খাই দেৱী বাপৰ ঘৰে যাই ॥
হাঁহ দিলাক পাৰ দিলাক ছাগল জাকে জাক।
যৈতে আছাঁ দয়াল প্ৰভু! তৈতে ভালে থাক ॥ ১১ ॥
কাতিৰে মাহতে শান্তি কান্তিয়াল ধানৰ থোৰ।
বাব মাহৰ বাৰ গীত গাইতে নেপাই ওৰ ॥

বাৰ মাহৰ বাৰ গীত গাওৱে বনিয়া।
ই গীতক বৰ্ণাইছে কুনি ফুলৰন্তী কন্যা ॥
ফুলৰন্তী কন্যা ন হয় জগতৰে বাপ
গাওঁতাৰ মুকুতি হৰে শুনাৰ খণ্ডে পাপ ॥ ১২ ॥

নাম ঘোষা।

৪১

মুক্তিত নিস্পৃহ যিটো সেই ভকতক নমো
ৰসময়ী মাগোহোঁ ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।
মৎস্য কূৰ্ম্ম নৰসিংহ বামন পৰশুৰাম
হলিৰাম বৰাহ শ্ৰীৰাম।
বুদ্ধ কল্কি নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৱে কৰোহোঁ প্ৰণাম।
একান্ত ভকত সবে নিৰ্গুণ কৃষ্ণৰ গুণ,
গায়ে সদা বসিয়া যথাত।